# উপকাৰেই কাল হয় যেতিয়া



মহেশ চন্দ্ৰ মেধি

# উপকাৰেই কাল হয় যেতিয়া

(বাস্তৱধৰ্মী কাল্পনিক উপন্যাস)

লেখকঃ

শ্ৰীমহেশ চন্দ্ৰ মেধি

ড° আম্বেদকাৰ বঁটা প্ৰাপ্ত সাংবাদিক

ৰঙিলী বাৰ্তাৰ সম্পাদক

ৰঙিলী বাৰ্তা প্ৰকাশন

ফটাশিল মানপাৰা গুৱাহাটী-৭৮১০২৫

ফোন: ২২৭১৯১৭

"UPAKAREI KAL HY JETIYA"
A social novel written by Sri Mahesh Chandra Medhi. Barta weekly & publish by Mrs. Lily Medhi Recipeint of Dr. Ambedkar Award/ 97, Editor of Rongili Guwahati -25
Price Rupees Sixty Only.
Price. Rs. 60.00

---

প্ৰথম প্ৰকাশ: ১৯ ফেব্ৰুৱাৰী/২০০৪
দশম দিৱস ৰঙিলী বাৰ্তা
প্ৰকাশিকা: শ্ৰীলিলি মেধি

ৰঙিলী বাৰ্ত্তা প্ৰকাশন
ফটাশিল মানপাৰা
গুৱাহাটী-৭৮১০২৫
ফোনঃ ২২৭১৯১৭

সৰ্বস্বত্ব সংৰক্ষিতঃ লেখকৰ
মুদ্ৰকঃ শ্ৰীদিলীপ কুমাৰ মেধি
ছপাশালঃ ৰঙিলী বাৰ্তা অফছেট প্ৰেছ
মেধি পাব্লিকেশ্বন
ফটাশিল মানপাৰা
গুৱাহাটী-৭৮১০২৫ ফোনঃ ২২৭১৯১৭
অৰিহণা ৬০.০০ টকা।

# উছৰ্গা



স্বৰ্গীয় গেৰাৰাম মেধি
(দেউতা)

যাৰ কৃপাতে দেখিলো
ইহ সংসাৰ
সেই দুজনা আদি গুৰু
পূজনীয় দেউতা স্বৰ্গীয়
গেৰাৰাম মেধি
পূজনীয়া মা
শ্ৰীমতী সোনেশ্বৰী মেধি
আৰু
পূজনীয়া শাহ মা
শ্ৰীমতী প্ৰফুল্ল মহন্তৰ
হাতত এই গ্ৰন্থখনি
উছৰ্গা কৰা হ'ল।
-মম



শ্ৰীমতী সোনেশ্বৰী মেধি
(জন্মদায়িনী মা)



শ্ৰীমতী প্ৰফুল্লা মহন্ত
(শাহু মা)

# লেখকৰ আগকথা

“উপকাৰেই কাল হয় যেতিয়া” উপন্যাসখনি ধাৰাবাহিকভাৱে ৰঙিলী বাৰ্ত্তাত প্ৰকাশ হৈ গৈছে- মুকুটমণিৰ নামত। ৰঙিলী বাৰ্ত্তাৰ কেইবাজনো নিয়মীয়া পঢুৱৈয়ে ইয়াক কিতাপ আকাৰত প্ৰকাশ কৰি উলিয়াবলৈ খাতনি ধৰে। তাৰে ভিতৰত গুৱাহাটীৰ ওদালবাক্ৰা সাহিত্য সভাৰ সভাপতি তথা ভাৰত চৰকাৰৰ দূৰসঞ্চাৰ বিভাগৰ কনিষ্ঠ বিষয়া, কল্পদ্ৰুম বঁটাৰে সন্মানিত বিশিষ্ট গল্পকাৰ, সমাজকৰ্মী বন্ধুবৰ শ্ৰীবিষ্ণু ডেকা, অসম ৰাজ্যিক বিদ্যুৎ পৰিষদৰ গণনা বিষয়া, বিশিষ্ট সমাজকৰ্মী তথা লেখক চিন্তামণি-শ্ৰীলঙ্কেশ্বৰ ডেকা প্ৰমুখ্যে দূৰসঞ্চাৰ বিভাগৰ কৰ্মী হাজোৰ মহেশ বৰুৱা অন্যতম। তেখেতসকলৰ আগ্ৰহক নেওচা দিব নোৱাৰি ইয়াক কিতাপ আকাৰত প্ৰকাশ কৰি উলিওৱা হ’ল। ই কিতাপৰ যোগ্য হৈছে নে নাই সেয়া বিচাৰৰ ভাৰ পাঠকৰ ওপৰত ৰাখিলো।

কিতাপৰ কাহিনী ভাগ কাৰোবৰ লগত হয়তো মিলি যাবও পাৰে তাৰ বাবে ক্ষমা কৰে যেন।

প্ৰেছৰ ভুতটোৰ পৰা নিশ্চিয় আমি সাৰি যাব পৰা নাই। বন্ধুবৰ শ্ৰীলঙ্কেশ্বৰ ডেকাই বৰ কষ্ট কৰি প্ৰুফটো চাই দিয়াত তেখেতলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো। পাঠক সকলে কিতাপখন পঢ়ি ভুল ত্ৰুটিবোৰ আঙুলীয়াই দি আমালৈ দুকলম লিখি পঠালে সুখী হম।

মহেশ  চন্দ্ৰ মেধি
মানপাৰা
গুৱাহাটী- ২৫

ৰঙিলীবাৰ্ত্তা ভৱন
১৯ জানুৱাৰী ২০০৪

(১)

সন্ধিয়া লাগিছে। আমাৰ পদূলিমুখৰ লাইটটো জ্বলি উঠিছে সন্মুখত বিশাল খেতি পথাৰ। দূৰণিত থকা জ্যোতিকুছিৰ পাহাৰখন সন্ধিয়াৰ এন্ধাৰত ডুব গৈছে। পাহাৰৰ বুকুত থকা জুপুৰী ঘৰবোৰত সন্ধিয়া জ্বলোৱা চাকিৰ পোহৰ বিলাক আমাৰ ঘৰৰ পৰা ঠিক আকাশত জ্বলি থকা তৰাবিলাকৰ নিচিনা দেখি। নগৰীয়া সভ্যতাৰ ঘন বসতি এতিয়াও আমাৰ এই অঞ্চলত হোৱা নাই। গুৱাহাটী মহানগৰীৰ এই ঠাইডোখৰ একেবাৰে দক্ষিণপ্ৰান্তত অৱস্থিত হোৱা হেতুকে ৰাস্তা ঘাটৰো বেছি উন্নতি হোৱা নাই। মানুহৰ বসতিও সেৰেঙা হৈয়ে আছে । অৱশ্যে ঠাইডোখৰলৈ মানুহ নতুনকৈ আহিয়ে আছে। দুই এটা বিল্ডিং ঘৰো সাজিব ধৰিছে। তথাপিও মানুহে এই ঠাই খনলৈ আহিব টান পাই নিজৰ যানবাহন নহলে, কিয়নো ইয়াত চলা চিটিবাছ কেইখনৰ গতি-বেগ ক'বলৈ গ'লে ৰিক্সা, ঘোঁৰা গাড়ীতকৈও কম হ'ব। চিটি বাছত উঠিবই নোৱাৰি, কেৱল বিড়ী হুপালোকৰ সংখ্যা অধিক হোৱা বাবে। জাৰৰ দিনত যিহ টিহ, গৰমৰ দিনত এনে বিড়ী হুপালোকৰ গাৰ গোন্ধ আৰু কেঁচা ঘামৰ গোন্ধ একাকাৰ হৈ এক দুৰ্গন্ধৰ সৃষ্টি কৰে। আমাৰ নিচিনা লোকে চিটি বাছত উঠি অহা-যোৱা কৰা একেবাৰে মস্কিল। সেই কাৰণেই এই ঠহি খনলৈ মানুহে বেছি দৰকাৰ নহলে আহিব নোখোজে। আমি মাটি কিনি গুৱাহাটী মহানগৰীৰ বাসিন্দা হৈ ঘৰ এটা সাজিছো  যেতিয়া আমিতো নহাকৈ থাকিব নোৱাৰো। আহিবই লাগিব। চাকৰি কৰি থাকোতে বন্ধু বান্ধৱবোৰে মই ক'ত থাকো সুধিলে যেতিয়া আমাৰ বাসস্থানৰ কথা কওঁ তেতিয়া ক'ত এইখন ঠাই বুলি মোকেই প্ৰশ্ন কৰে। গুৱাহাটীৰে দক্ষিণত গড়চুকৰ পিনে বুলি যেতিয়া কওঁ তেওঁলোক একপ্ৰকাৰ জাপ মাৰি উঠাৰ নিচিনাই উঠে যেন তেওঁলোকৰ বাবে ই এখন কালাপানীহে। তেতিয়াই মনতে ভাবিছিলো যিখন ঠাইত আমি বাস কৰিছো সেইখন ঠাইক অন্ততঃ মানুহে জনা হোৱা উচিত। তাকে ভাবিয়ে ঠাইখনৰ উন্নতিৰ বাবে নানান সামাজিক কাম কৰি বাতৰি কাকত, ৰেডিঅ’, টিভি আদিত এই ঠাইডোখৰৰ নাম বিভিন্ন সভা সমিতি পাতি প্ৰচাৰ কৰাত মনোযোগ দিলো। এতিয়া অৱশ্যে মানুহে আমাৰ ঠাইখিনি জনা হৈছে।

সন্ধিয়া পৰত পদূলিমুখত মই স্কুটাৰখন ৰাখিছোহে মাথোন এনেতে আমাৰ পদূলিত ৰৈ থকা অটোখনত তিনিজন ডেকা ল'ৰা উঠি ঘপা ঘপ গুচি গ'ল গৈ। মই একো ধৰিবলৈকে নোৱাৰিলো, কোন সেই কেইজন ডেকা ল'ৰা। বোধহয় তেওঁলোকেও মোক চিনি নেপায় মইয়ে যে এই ঘৰখনৰ মূৰব্বী। ময়ো ধৰিব নোৱাৰিলো। চিনাকি ল'ৰা হ'লে নিশ্চয় মাত এষাৰ নলগোৱাকৈ নগ'লহেঁতেন। আমাৰ ঘৰৰো কোনো এজন বাহিৰলৈ ওলাই অহা নাই। মোৰ মনলৈ অলপ কৌতূহল আহিল। কি হ'ল ইহঁতৰ বাৰু? চফল ডেকাৰ প্ৰস্থান। কোনো এজনো বাহিৰলৈ ওলাই অহা নাই।

আজিকালি ভয়েই লাগে এইদৰে অচিনাকি ডেকা ল'ৰা আহিলে। কোনে জানো কি উদ্দেশ্য লৈ বা কি চিন্তা ভাৱনাৰে আহে। দিনকাল বৰ ভয় লগা হৈছে। যিখন অসমত কোনো এটা অশান্তি বোলা কথা নাছিল , সেই অসমত আজি নৰহত্যা, লুণ্ঠন সৰু কথাত পৰিণত হৈছে। কিছু বছৰ আগলৈকে অসমলৈ বাহিৰৰ পৰা মানুহ আহিলে পুনৰ উভতি যাব নোৱাৰিছিল এই প্ৰদেশৰ মানুহৰ অকপট মৰম স্নেহৰ বাবে। ইয়াৰ জলবায়ু, ইয়াৰ চৌপাশে উৰি থকা টকা আৰ্জনৰ সুগম পথ বিলাক সহজতে পাই বাবেই বাহিৰৰ বেপাৰী সকলে অতি সহজতে অসমীয়া লোক সকলৰ সৰলতাৰ সুযোগ লৈ বাহৰ পাতে আৰু পিচলৈ তেওঁলোকেই বৰ মতাটো হৈ পৰে আমাৰ ওপৰত। সৰল অসমীয়া সকলে আপোন মনে বাহিৰৰ মানুহক বুকুৰ মাজত বহুৱাই লয় কোনো মনত সন্দেহ নকৰাকৈয়ে। কিন্তু আজি আৰু সেই পৰিৱেশ নাই। বহিৰাগত সকলৰ অত্যাচাৰত অসমৰ অৰ্থনৈতিক ব্যৱস্থা ভাগি পৰিছে। প্ৰতিটো কথাতেই যেনিবা অসমীয়া সকল শোষণৰ বলি হ'ব লগা হৈছে। আমাৰ সমাজৰ বৰমূৰীয়া সকলো তেনেকুৱাই, নিজৰ স্বাৰ্থ পূৰণ হলে ৰাইজৰ সুখ দুখৰ কথাত মাত মাতিবলৈ পাহৰি যায়। নেতা হলে কি হ'ব, আমাৰ সমাজখনতহে ডাঙৰ মানুহ । কিন্তু কেন্দ্ৰীয় চৰকাৰৰ ওচৰত আমাৰ প্ৰাপ্য দাবীৰ কথাষাৰো ভালদৰে উত্থাপন কৰিব নোৱাৰে। ভালদৰে ইংৰাজী ক’বতো নেজানেই আনকি হিন্দী ভাষাটোও বহুতেই সাবলিল গতিত ক'ব নোৱাৰে। তেনে বহু কাৰণতেই আমাক শোষণ কৰিবলৈ সুবিধা পায়। অৱশ্যে আজিকালি কিছু জনা বুজা হ'ল যদিও অসমৰ অৰ্থনৈতিক চাবি কাঠি এতিয়াও এটা বিশেষ শ্ৰেণীৰ লোকৰ হাতত

থকা বাবেই অসমীয়া ডেকা ল'ৰাবোৰ বিদ্ৰোহী হৈ পৰিছে। ইয়াৰ কাৰণো নোহোৱা নহয়। কথাতেই কয় ধৈৰ্য্যৰো হেনো এটা সীমা আছে। এই সীমা চেৰাই গ'লেই মানুহৰ মনত ক্ষোভ আৰু বিদ্ৰোহ জাগে। মনৰ মাজত খং আৰু বিদ্ৰোহৰ প্ৰৱণতা বাঢ়িলেই মনক কন্ট্ৰোল কৰা কঠিন হৈ পৰে বিশেষকৈ ডেকাকালত। হিতাহিত জ্ঞান হেৰাই যোৱা প্ৰতিগৰাকী মানুহেই বিবেকৰ অধীন নহৈ মনৰ ভাবুকতাক আগস্থান দি কাম কৰিলে সিটো ভালেই হয় নে বেয়াই হয় কব নোৱাৰে। তাৰ ফলশ্ৰুতিতে মাখি মাৰিব নেজানা অসমীয়া ডেকাই বিদ্ৰোহী হৈ ল'ৰাই মানুহ মাৰিবলৈও কুণ্ঠাবোধ নকৰা হ'ল। তাৰ বাবে দায়ি কোন বাৰু? আমি ভাবি চাইছোনে? কেৱল ডেকাসকলক দোষ দিয়ে আমি অগ্ৰজবোৰে হাত সাৰিলেই নহ'ব। খাৰ নোপোৱাৰ জ্বালা তেওঁলোকেহে বুজি পাই যিসকলৰ পেটত ক্ষুধাৰ অগনি জ্বলে। সেই ক্ষুধাগ্নিৰ জ্বালা যিদিনাই পূজিপতি সকলে উপলব্ধি কৰিব পাৰিব সিদিনাৰ পৰাই সমাজৰ পৰা আঁতৰি যাব বিদ্ৰোহ। সেয়েই হ'বলা আজিৰ বেছিভাগ অসমীয়া ডেকাৰ মনত বিদ্ৰোহ উপজিছে।

আমাৰ ঘৰলৈ আলহি আহিলে সচৰাচৰ আটাইয়েই পদূলি মুখলৈ ওলাই আহি বিদায় সম্ভাষণ জনায়, ই এক প্ৰকাৰ দস্তুৰ। কোনোবাই গেট খুলিলে বা কলিং বেল বজালেও এটা দুটা কৰি পাৰিলে গোটেই কেইজনেই দুৱাৰ মুখলৈ ওলাই আহি চাব কোন আহিছে বুলি। প্ৰায়ে মাকে ল'ৰা ছোৱালী দুটাক সকীয়াই দি কয় 'হেৰা দিনকাল বেয়া গোটেই কেইটা একে লগে দুৱাৰ মুখলৈ ওলাই যাব নেলাগে নহয়। যদি কোনোবাই কিবা বেয়া মতলৱ লৈ আহে তেতিয়া কি কৰিবা? সদায় সজাগ হৈ থাকিব লাগে। বাচি খাবা জাগি শুবা।

কৌতূহলপূৰ্ণ মনটোক দমাব নোৱাৰি স্কুটাৰৰ হৰ্ণটো পুট্‌কৈ বজাই দিলো। উধাতু খাই নীতা দৌৰী আহি গেট পালেহি। নীতা আমাৰ ঘৰৰ কাম কৰা ছোৱালী। তাইৰো কোনো আপোন বুলিবলৈ নাই বাবেই সৰুৰেই পৰা মই নিজৰ ছোৱালীৰ নিচিনাই ৰাখিছো। আনে নাজানে তাই যে মোৰ ঔৰষজাত নহয়। ইতিমধ্যে মোৰ খঙে মূৰৰ চুলিৰ আগ পাইছিলগৈ কিয় ইমান দেৰিলৈকে গেট খুলি দিবলৈ কোনো ওলাই অহা নাই। মোৰ এটা বেয়া স্বভাৱ আছে মই বাহিৰৰ পৰা আহিলে ঘৰৰ মানুহে তৎক্ষণাত আহি মাত নিদিলে ভীষণ খং উঠে। বিয়াৰ প্ৰথম নিশাই মই মোৰ পত্নীক কৈছিলো মই বৰ মৰম আকলুৱা বুলি। মোক ভালকৈ মিঠা মাত এষাৰ দিলে আন একো নেলাগে। ব্যৱহাৰৰ হীনমান্যতা বিলকুল পছন্দ নহয় আৰু কৰবাৰ পৰা আহিলে সোনকালেই মোৰ কাষ পাব লাগিব। অৱশ্যে অকল যে মোৰেই এনেদৰে খং উঠে তেনে নহয় বহু মানুহৰেই এই স্বভাৱ আছে যে ঘৰৰ পৰা ওলাই যোৱাৰ সময়ত আৰু বাহিৰৰ পৰা ঘৰত প্ৰৱেশ কৰাৰ সময়ত মানুহজনীক ওচৰতে দেখিলে মনটো ভাল লাগে। অৱশ্যে কোনোৱে ইয়াক দেখাকৈ কৰে আৰু কোনোৱে ইয়াক গোপনে আঁৰ কৰি ৰাখে। মোৰ কথা হ'ল মই কৰবাৰ পৰা আহিলে ঘৰৰ পৰা কোনোবা দৌৰ মাৰি আহি গেটখন খুলি দিব লাগিব।

কিন্তু আজি আমাৰ ঘৰৰ পৰিৱেশটো অলপ ব্যতিক্ৰম দেখি মনত কৌতূহল জগাতো কোনো ডাঙৰ কথা নহয়। কি হ'ল আজি ঘৰখনত? ইমান নিৰৱতা, ইমান শান্ত গোমা পৰিৱেশ, কাৰো কতো মাতবোল নাই? স্কুটাৰখন গেটৰ ভিতৰত থৈ লাহেকৈ দুৱাৰখন ঠেলি ঘৰৰ ভিতৰত সোমাই পৰিলো যে গোটেই কেইজনে কোঠাটোৰ ভিতৰত ঠাহ খায় সুমাই আছে। মাজত এজনী ছোৱালী। মই নিজৰ কোঠালৈ গলো কাকো মতা নাই। মোক দেখিয়ে কাৰো মুখত মাতবোল নোহোৱা হ'ল। শ্ৰীমতীয়ে বেগা বেগীকৈ মোৰ ওচৰ পালে। মোৰ যে খং উঠিছে তেওঁ ধৰিব পাৰিছে আৰু গাৰ পৰা চুৱেটাৰটো খুলিলৈ লাহেকৈ কলে বাথৰুমত পানী দিয়া আছে মুখ হাত ধুই আহকচোন।

: কি হৈছে ঘৰত?

: নাই, একো হোৱা নাই।

: গেট খোলোতে দেৰি কিয়?

: আগতে আপুনি ভৰি হাত ধুই আহক, এয়া গামোচা। বিশেষ একো হোৱা নাই ৰমেণ আৰু দুজন বন্ধুৱে অনিতাক আমাৰ ইয়াত থৈ গৈছে।

: অনিতা মানে?

: আপোনাৰ ছাত্ৰী, কম্পিউটাৰ শিকা ছাত্ৰী। ললিতা বাইদেউৰ ভতিজীজনী। পিচত কম আগতে আপুনি ফ্লেচ হৈ লওঁক।

শ্ৰীমতীৰ মনত কিছু ভয় আৰু মুখৰ মাতখিনি দুৰ্বল দুৰ্বল অনুভৱ হৈছিল।

তেতিয়াহে মই বুজিব পাৰিলো, কাৰণ ঘৰখনত কিবা এটা নহলে ইমান গোমা পৰিৱেশ কেতিয়াও নহয় আৰু নীলিমাইয়ো কেতিয়াও এনে নকৰে। ইতিমধ্যে মই ঘৰ সুমোৱাৰ লগে লগে ল'ৰা ছোৱালী দুটা আৰু নীতাই নামঘৰত সোমাইছে প্ৰাৰ্থনা কৰিবলৈ।

সন্ধিয়া পৰত আমাৰ ঘৰখনত প্ৰাৰ্থনা নহলে মই ভীষণ খং দেখুৱাও। কিয়নো সন্ধিয়া পৰখিনিত ঘৰত ধুপ ধূনা লগাই ঈশ্বৰৰ নাম ললে মনটো বৰ ভাল লাগে। ধূপ ধূনা হাতত লৈ তিৰোতাগৰাকী পদূলিলৈ গ'লে পৰিয়ালটোৰ বাতাৱৰণখিনিয়ে অনিন্দ্যসুন্দৰ মধুময় হৈ পৰে। প্ৰায়ে মই নীলিমাক উদাহৰণ দিওঁ লক্ষ্যধৰ চৌধুৰীদেৱে কোৱা এষাৰ কথা- এদিনাখন মিটিং এখনত চৌধুৰীদেৱে তেওঁৰ ল'ৰা ছোৱালী কেইজন পঢ়া শুনাত ভাল কিদৰে হ'ল তাৰ গুৰিতেই হেনো মাক অৰ্থাৎ তেওঁৰ পৰিবাৰ। তেওঁ বৰ পৰিপাতি। পুৱা গধুলি নিয়মিত পঢ়া শুনা কৰিব লাগিব তাত কোনো আপোচ নাই। সন্ধিয়া পৰত পঢ়াৰ আগতে সকলোৱে একে লগে নামঘৰত বহি প্ৰাৰ্থনা গাব লাগিব। ই এক ধৰা বন্ধা নিয়ম। যিয়ে যতে নাথাকক কিয় প্ৰাৰ্থনাৰ সময়ত সকলো উপস্থিত থাকিবই লাগিব। আনকি লক্ষ্যধৰ চৌধুৰীদেৱেও সেই সময়খিনিৰ বাবে পত্নীৰ অনুশাসন নমনাকৈ থাকিব পৰা নাছিল। সভা সমিতি নেথাকিলে সন্ধিয়াৰ সেই সময়খিনি আটাইয়ে মিলি নামঘৰত প্ৰাৰ্থনা গায়। তেওঁকো প্ৰাৰ্থনাৰ পৰা ৰেহাই দিয়া নাছিল। প্ৰাৰ্থনা শেষ হোৱাৰ পিছত তেওঁৰ পত্নীয়ে ল'ৰা-ছোৱালী কেইটিৰ নিজৰ নিজৰ পঢ়া টেবুলত চাহ পানী যোগান ধৰিছিল আৰু নিশাৰ ভাতসাজ যোগাৰ নোহোৱা পৰ্যন্ত পঢ়া টেবুলতে ল'ৰা-ছোৱালীহঁতে পঢ়ি থাকিব লাগিছিল।

ল'ৰা-ছোৱালীৰ চৰিত্ৰ নিৰ্মাণত মাতৃসকলৰ ভূমিকা অপৰিসীম। পণ্ডিত সকলে কৈ গৈছে শিশু সকলৰ শিক্ষাৰ বুনিয়াদ গঠন হয় প্ৰথমে নিজৰ ঘৰখনতেই। ঘৰখনেই শিক্ষাৰ বিশ্ববিদ্যালয় স্বৰূপ আৰু ইয়াৰ উপাচাৰ্য্য শিশুসকলৰ নিজৰ মাক। পুৰুষ সকলৰ হেনো ঘৰ নাই। সেই কাৰণে ঘৰণীৰ পৰাই ঘৈণী শব্দটো হোৱা বুলি ক'ব পাৰি। দিনটোৰ সৰহ ভাগ সময় দেউতাকতকৈ মাকৰ লগতহে ল'ৰা ছোৱালীবিলাকে বেছি কটায়। গতিকে ল'ৰা ছোৱালীৰ শিক্ষাৰ প্ৰতি চকু দিয়া, ভাল বেয়া আদি সকলো তেওঁৰ চকুৰ আগতেই পৰে। যিখন ঘৰৰ (মাকৰ) তিৰোতা গৰাকীৰ চৰিত্ৰ সৰল নহয় বা সু সংস্কাৰিত নহয় সেই ঘৰৰ ল’ৰা ছোৱালীও ভাল হ'ব নোৱাৰে। বহু টকা পইচা থকা ভাল পৰিয়ালৰ ল'ৰা ছোৱালী বিপথে যোৱা দেখা যায় কেৱল মাকৰ অনুশাসন হীনতাৰ বাবেই আৰু পতিক আচল কথা নজনোৱাৰ ফলত। প্ৰত্যেকজন জ্ঞানীগুনী আৰু নামজ্বলা লোকৰ চৰিত্ৰ নিৰ্মাণ আৰু সুশিক্ষা গ্ৰহণৰ গুৰিতেই হ’ল সেইজনলোকৰ মাতৃৰ অনবদ্য অবদান। ই অনস্বীকাৰ্য্য। কাৰণ শিশুৱে প্ৰথমতে মাককহে অনুকৰণ কৰে। মাতৃ সকলে ল’ৰা ছোৱালীৰ চৰিত্ৰ গঠনত নিয়মিত প্ৰাৰ্থনা কৰাৰ অভ্যাস কৰাব লাগে। প্ৰাৰ্থনা কৰাৰ অভ্যাসে ল’ৰা-ছোৱালীৰ চৰিত্ৰ গঠনত যথেষ্ট সহায় কৰে। উদাহৰণতকৈ আৰ্হিয়ে যিদৰে শ্ৰেয়, ঠিক তেনেদৰে ল'ৰা ছোৱালীক নিতৌ প্ৰাৰ্থনা কৰাৰ অভ্যাস কৰাৰ আগতে মাক বিলাকে নিজেই প্ৰথমে তেনে অভ্যাস গঢ়ি ল'ব লাগিব যাৰ বাবে ল'ৰা ছোৱালী বিলাকৰো আগ্ৰহ বাঢ়িব।

প্ৰাৰ্থনা বাৰু আমি কিয় কৰিব লাগে? প্ৰাৰ্থনা কৰিলে বাৰু কি হয়? প্ৰাৰ্থনা কৰিলে বাৰু কি হ'ব? তেনেকুৱা প্ৰশ্নও আজিৰ প্ৰজন্মৰ মনত উদয় হোৱাতো কোনো ডাঙৰ কথা নহয়। এনে প্ৰশ্ন উদয় হলে শিশুসকলক ভালদৰে বুজাই দিব পাৰিব লাগিব। তাৰ তত্ত্ব বুজি পালে তেতিয়াহে তেওঁলোকে তাক সাদৰি লব।

প্ৰাৰ্থনা এই কাৰণতে কৰিব লাগে যে প্ৰাৰ্থনা কৰাৰ পৰা মানুহৰ মনটো স্থিৰ হয় আৰু সন্ধিয়া পৰত চাকি বন্তি

জ্বলাই প্ৰভুৰ চৰণত সেৱা এটা জনাই প্ৰাৰ্থনা ভাগ কৰিলে মনটো ফৰকাল ফৰকাল লাগে। মনটো ফৰকাল হৈ থাকিলে সকলো কথাই মনত থাকি যায়। যিদৰে ঢৌ উঠি থকা পুখুৰী এটাত নিজৰ প্ৰতিবিম্বটো দেখিব নোৱাৰি, ঠিক তেনেদৰে অস্থিৰ মনত কোনো কথা সহজে সুমাব নোৱাৰে। ধ্যান, যোগ, আৰু নানান ব্যায়াম আদিৰ মুদ্ৰাৰে আৰু প্ৰাৰ্থনাৰ জৰিয়তে চিত্ত শান্ত কৰি মনটোলৈ কনচেনট্ৰেচন অৰ্থাৎ মনৰ একাগ্ৰতা আনিব পাৰি। সৰুকালিতে যদি ভাল অভ্যাস, নিয়মানুৱৰ্ত্তিতা, সুশৃঙ্খলিত জীৱন পদ্ধতি আৰু সুসংস্কাৰ শিকা নেযায় তেতিয়া হ'লে ই ডাঙৰত কেতিয়াও নহয় গৈ। এনে অনুশাসন মনাৰ পৰাই লক্ষ্যধৰ চৌধুৰীদেৱৰ ল'ৰা ছোৱালী কেইটা পঢ়াই শুনাই সকলো ফালৰ পৰা নাম জ্বলা হৈছে। ই তেওঁ নিজৰ মুখে কোৱা কথা।

নীলিমাক সদায় মই লক্ষ্যধৰ চৌধুৰীদেৱৰ কথাষাৰ সোঁৱৰাই দি থাকো যাতে মোৰো ল'ৰা ছোৱালী দুটাই সৰুতেই সংস্কাৰিত জীৱন প্ৰণালী শিকি জীৱন ধন্য কৰিব পাৰে। টকা পইচাই মানুহক সাময়িক সুখ দিব পাৰে সঁচা, কিন্তু সৎ জীৱনে মানুহৰ আত্মাৰ শান্তি দিয়ে। গুৰুজী গোলালকাৰে ছয়বছৰ বয়সতেই গোটেই গীতাখন মুখস্থ গাব পাৰিছিল। সেই বাল্যকালতে মাক বাপেকৰ আদৰ্শ শিৰোগত কৰি গীতা মুখস্থ কৰিব পাৰিছিল কাৰণেই হ’বলা পিছত ভাৰতবৰ্ষৰ এগৰাকী বিখ্যাত হিন্দু মনীষী হ’ব পাৰিছিল। ময়ো ভাবিছিলো মোৰ ল'ৰা ছোৱালীক সৰুৰে পৰাই নৈতিক শিক্ষাৰে পৰিপুষ্ট কৰি গঢ়ি তুলিম। পিছে আজিকালি এনে পৰিৱেশ গঢ়ি তুলিবলৈ বৰ কষ্ট হয়। আধুনিক সভ্যতাই আমাক পশ্চিমীয়া আদব কায়দাৰে জীৱন নিৰ্বাহ কৰিবলৈ শিকাব ধৰাত আৰু ইয়াৰ অনুকৰণে আমাৰ অসমীয়া সমাজখনৰ বহু কৃষ্টি সংস্কৃতিয়ে সময়ৰ গতিত হেৰাই যাব ধৰিছে। অৰ্থগ্ৰাহী মনোভাৱে আমাৰ নতুন প্ৰজন্মক সংস্কাৰ, ধৰ্ম, প্ৰাৰ্থনা আদি কৰা প্ৰবৃত্তি যেন একেবাৰে আউপুৰণি বুলি ভাবিবলৈ বাধ্য কৰাইছে। ধৰ্ম বুলি কলেই কিছুমানে আকৌ জাঙুৰ খায় উঠে কিহৰ ধৰ্ম আছে বুলি। বহু এনে ৰাজনৈতিক নেতা আছে যিয়ে ৰাজহুৱা মঞ্চ পালে আনক তোষামোদ কৰিবলৈ গৈ নিজৰ ধৰ্ম কৰ্মৰ কথা সকলো পাহৰি যায়। কিন্তু ৰাজহুৱা মঞ্চখন ত্যাগ কৰাৰ পিছত সেইজনেই ঘৰত আহি পূজাপাঠ কৰি নিজৰ আত্মসন্তুষ্টি লাভ কৰে।

আনহাতে আমাৰ সমাজখনতো বহু পন্থা পন্থীলোক থকা বাবে প্ৰত্যেকটো মতবাদীয়ে আনটো মতবাদীক দোষাৰোপ কৰিহে ভাল পাই। আন সমাজৰ কথা নকওঁ আমাৰ অসমীয়া সমাজখনতে নানান মতবাদী লোক হোৱা বাবে সমাজখনত বিভেদ সৃষ্টি হোৱা বুলি কলেও নিশ্চয় ভুল কোৱা নহ'ব। অসমৰ প্ৰাক্তন মুখ্যমন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্তই মহামৃত্যুঞ্জয় যজ্ঞত পূৰ্ণাহুতি প্ৰদান কৰিলে। তাকে লৈ শংকৰী পন্থীয়ে কৰ্মকাণ্ডীসকলৰ যাগ যজ্ঞক কটূ সমালোচনা কৰি এই ব্যৱস্থাক অচল দৰৱ বুলি ব্যাখ্যা কৰাত পূজা পাঠ কৰা সকলে মনত আঘাত পালে আৰু সেই বিষয়ে নানান আলোচনা বাতৰি কাকতত প্ৰকাশ পায়। সত্য যুগত ধ্যান ত্ৰেতা যুগত যজ্ঞ দ্বাপৰ যুগত পূজা আৰু কলি যুগত হৰি নামেহে মূল। সেয়েহে সংঘৰ দৃষ্টিত পূজা পাতাল অথবা যজ্ঞ হ'ল ম্যাদ উকলি যোৱা দৰৱ । শ্ৰীমন্ত শংকৰদেৱ সংঘৰ সাধাৰণ সম্পাদক ডাঙৰীয়াই এনে মন্তব্য কৰাত জনৈক অনুপম দাস নামৰ ব্যক্তি এজনে আজিও ধ্যান অপ্ৰাসঙ্গিক হৈ যোৱা নাই বুলি কৈছে। মনোবিজ্ঞানী সকলেও স্বীকাৰ কৰে যে ধ্যান বা মেডিটেচনে মনৰ স্থিতা, ঐকান্তিকতা বঢ়ায় আৰু মানসিক উৎকৰ্ষ সাধন কৰে। ধ্যানৰ বলত আধ্যাত্মিক উৎকৰ্ষ সাধন কৰা যায়। ই ঈশ্বৰ প্ৰাপ্তিৰ এটা অন্যতম পথ। খ্ৰীষ্টপূৰ্ব ৪৮৭ চনত নিৰ্বাণ লাভ কৰা গৌতম বুদ্ধই ধ্যানৰ বলত, আধ্যাত্মিক শক্তিৰ বাবে বুদ্ধত্ব লাভ কৰিছিল। তেনেদৰে আজিৰ পৰা ১৫০ বছৰ আগতে ৰামকৃষ্ণ পৰমহংসদেৱেও ঈশ্বৰৰ মৃন্ময় মূৰ্ত্তি পূজা কৰি আৰু ধ্যান কৰি মহামায়া কালী দৰ্শন কৰি সিদ্ধি লাভ কৰিছিল। ১৮-১৯শ শতিকাত সাধক সকলে যেনে-তৈলঙ্গ স্বামী, লোকনাথ ব্ৰহ্মচাৰী প্ৰমূখে ভাৰতৰ অগণন মহান সাধকে এনে ধ্যান ধাৰণাৰে সিদ্ধি লাভ কৰা কাৰ্য্যক আজিও আমি উলাই কৰিব নোৱাৰো। সময়ৰ পৰিবৰ্ত্তনৰ লগে লগে মানুহৰ চিন্তাধাৰাৰো সলনি নোহোৱা নহয়। কলি যুগত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে দি যোৱা নাম প্ৰসঙ্গৰ প্ৰাসঙ্গিকতাকো কোনোৱে অস্বীকাৰ কৰিব নোৱাৰে। শ্ৰীমন্ত শংকৰদেৱৰ আদৰ্শ অনুকৰণীয়। কোনো এজন অসমীয়াই শংকৰদেৱক উলাই কৰিব নোৱাৰে। শংকৰদেৱে আমাক কেৱল এক শৰণ নাম ধৰ্মই দি যোৱা নাই,

শংকৰদেৱে আমাক ভাষা সাহিত্যৰ পৰা ধৰ্মলৈকে সকলো দি গৈছে। শংকৰদেৱ অসমীয়া জাতিৰ পিতৃ। যিয়ে শংকৰদেৱক চিনি নাপাই তেওঁ প্ৰকৃত অসমীয়া হ'ব নোৱাৰে। তেওঁ দি থৈ যোৱা ধৰ্ম পথো উত্তম।

কিন্তু কথা হল আমি এটা কথা স্বীকাৰ কৰিবই লাগিব যে ভাৰতীয় ধৰ্ম শাস্ত্ৰই "যত মত যত পথ' বুলিও কৈছে। যিয়ে যি মাৰ্গৰেই নেযাওঁক কিয় প্ৰত্যেকেই কিন্তু পৰম ব্ৰহ্ম আৰু মোক্ষ প্ৰাপ্তিৰহে কথা চিন্তা কৰে। ই আমাৰ ভাৰতীয় সনাতনী সকলৰ চিন্তা। গতিকে আমাৰ ভিতৰতে ধৰ্মক লৈ কাজিয়া কৰাতকৈ সহনশিলতাৰে আগবাঢ়ি গ'লেহে সমাজখন বৰ্ত্তি থাকিব। আমাৰ দৰে চাগৈ অন্য সম্প্ৰদায় ইছলাম পন্থী আৰু খৃষ্টিয়ান বিলাকৰ মাজত ইমান বিভেদ নাই। ভাৰতক সেই কাৰণতেই কোৱা হয় 'বিভিন্নতাৰ মাজত ঐক্যতা' থকা বুলি।

মই কিন্তু বিশ্বাস কৰো সৰু কালিতে ধৰ্মৰ বান্ধোনত থাকিলে, ধ্যান বা প্ৰাৰ্থনা কৰিলে ল'ৰা ছোৱালীৰ চৰিত্ৰ নিৰ্মাণৰ ভেটি সুদৃঢ় হয় বুলি। সংস্কাৰিত এখন পৰিয়াল গঢ়াত মই সদায় গুৰুত্ব দিওঁ আৰু এই দায়িত্ব কেৱল নীলিমাৰ হাতত অৰ্পণ কৰা হৈছে। গতিকে মই থাকিলে সন্ধিয়াপৰত ঘৰত প্ৰাৰ্থনা গোৱাৰ ব্যতিক্ৰম নহয়। সেয়ে মই ঘৰ সোমোৱাৰ লগে লগে ল'ৰা ছোৱালী দুটাই নামঘৰত সোমাই প্ৰাৰ্থনাত বহিল। মোৰ ছোৱালী ৰাণীয়ে চাকিটো জ্বলাই প্ৰথমে সৰস্বতী বন্দনাত লাগি প্ৰাৰ্থনা জুৰিলে—

''ওম ভদ্ৰকালৈ নমো নিত্যং সৰস্বতৈ নমো নমঃ।  
ৱেদৱেদাঙ্গ বেদান্ত বিদ্যাস্থানভ্য এৱ চ।।  
ওম সৰস্বতী মহাভাগে বিদ্যা কমলোচনে।  
বিশ্বৰূপে বিশালাক্ষী বিদ্যাংদেহী নমোহস্তুতে।।  
জয়জয় দেৱী চৰাচৰ সাৰে কুচযুগশোভিত মুক্তাহাৰে।  
ৱীণাৰঞ্জিত পুস্তকহস্তে ভগৱতি ভাৰতি দেৱি নমোহস্তুতে।।  
ব্ৰহ্ম স্বৰূপা পৰমা জ্যোতিৰূপা সনাতনী,  
সৰ্ববিদ্যাধিদেৱি মা তস্মৈ ৱাণ্যৈ নমো নমঃ।  
স্মৃতি শক্তি জ্ঞান শক্তি বুদ্ধি শক্তি স্বৰূপিনী,  
প্ৰতিভা কল্পনা শক্তিৰ্মা চ তস্মৈ নমো নমঃ।।"

সৰস্বতী বন্দনা গায় উঠে মানে ময়ো ভৰি হাত তাৰাতাৰিকৈ ধুই আহি নামঘৰত সোমালো আৰু তেতিয়া নীলিমাই সভক্তিৰে লগাই দিলে-

"তুমি চিত্ত বৃত্তি মোৰ প্ৰৱৰ্ত্তক নাৰায়ণ  
তুমি নাথ মই নাথৱন্ত।

চৰণ ছত্ৰৰ ছায়া দিয়া দূৰ কৰা মায়া  
কৰা দয়া প্ৰভু ভগৱন্ত।।

তুমি মোৰ অন্তৰ্য্যামী তযু ভৃত্য ভৈলো আমি  
জানি কৃপা কৰা হৃষিকেশ।

দান্তে তৃণ তুলি লওঁ যি মতে সেৱাত ৰওঁ
দিয়া মোক সেহি উপদেশ।।

তুমি ভক্ত কল্পতৰু বাহিৰে ভিতৰে গুৰু
তুমি বিনে নাহি মোৰ আৰ।

কৃপা কৰা হে হৰি চৰণত ৰক্ষা কৰি
দিয়া মোক সেৱা ৰস সাৰ।।

নজানোহ আৱাহন নজানোহ বিসৰ্জন
পূজা মন্ত্ৰ নজানো কিঞ্চিত।

এতেকে পৰমেশ্বৰ দাস ভৈলো চৰণৰ
মোৰ গতি সাধিবেক উচিত।।”

**-মাধৱদেৱ (নামঘোষা)**

মই মাত্ৰ এষাৰ লগাই দিলো--

কিমতে ভকতি কৰিবো তোমাতেই
হৰি হৰি হৰি এ
মই মূঢ়মতি নেজানো ভকতি
নেজানো তাৰ উপায়।।"

এই প্ৰাৰ্থনা ভাগি গালে মোৰ বুকুখন ভৰি যায় কিয় ক'ব নোৱাৰো।
ইয়াৰ পিচতে উজ্বলে লগাই দিলে -

“ওঁ অসতো মা সদ্‌গময়
তমসোমা জ্যোতিৰ্গময়।
মৃতোৰ্মা অমৃতং গময়
ওঁম শান্তিঃ শান্তিঃ শান্তিঃ।।”

প্ৰাৰ্থনা শেষ কৰি আমি আটাইয়ে নিজ নিজ কামত আগবাঢ়িলো অৰ্থাৎ ৰাণী আৰু উজ্বল পঢ়া কোঠালৈ মই অনিতা থকা কোঠালৈ আৰু নীলিমা- নীতা পাকঘৰলৈ। ইতিমধ্যে পশ্চিম আকাশত শুক্ল পক্ষৰ দ্বিতীয় দিনাৰ অৰ্থাৎ দ্বিতীয়াৰ কাচি জোনটোৱে ভূমুকি মাৰিছিল। আউসীৰ পিছত অন্ধকাৰ ভেদ কৰি আকাশত কাচি জোনটোৱে কুৰলীয়ে আৱৰি থকা বাবে জোনটিৰ নিৰ্মল পোহৰে জগতখনক পোহৰাই তুলিব পৰা নাছিল।

(২)

অনিতাৰ ঘৰ উত্তৰ কামৰূপ জিলাৰ গোবিন্দপুৰত। অনিতাৰ দেউতাক অৱসৰপ্ৰাপ্ত শিক্ষক আৰু মাকো সমাজসেবিকা। মই কেতিয়াও তেওঁলোকৰ ঘৰ দেখা নাই। ললিতা বাইদেউৰ সূত্ৰেই আমাৰ লগত চিনাকি আৰু ললিতা বাইদেউৰেই অনিতাক আমাৰ কম্পিউটাৰ স্কুলত পঢ়াৰ ব্যৱস্থা কৰি দিছিল। এডমিচনৰ সময়ত অনিতা সৰু ভিনিয়েকৰ লগত আহি এড্মিচন লৈছিল আৰু তেওঁ মোক কৈছিল – ছাৰ ছোৱালীজনী আপোনাক গতালো যাতে কোনো দোষে নেপায়। গাঁৱৰ ছোৱালী চহৰীয়া আদব কায়দা একোকে নেজানে তাতে আকৌ আমাৰ সকলোৰে অতি আদৰৰ অতি মৰমৰ মা-দেউতাৰ পেটমোচা সন্তান। আপোনাৰ কথা আমি ললিতা খুৰীৰ মুখত শুনিয়ে থাকো।

“হ'ব। কোনো চিন্তা কৰিব নেলাগে,অনিতাক সোধাই দিছে যেতিয়া মোৰ ছোৱালীৰ নিচিনাই থাকিব। মই কিন্তু বৰ কঢ়া মানুহ। আগত কোৱা বিধৰলোক। ভাল বেয়া দেখিলে মুখৰ আগতে কৈ দিওঁ। ললিতা বাইদেউৰ ঘৰতে থাকিব যেতিয়া কোনো চিন্তাৰ কাৰণ নাই।'

সেইদিনা অনিতাৰ ভিনিয়েক আৰু অনিতা গুচি গৈছিল।

অনিতাক প্ৰথম দিনা দেখাতে ভাল লাগিছিল। দেখাত খীণ মুখৰ কমনীয়তাই সকলোকে অনতিপলমে আকৰ্ষণ কৰিব পাৰিছিল। চুলিখিনি কেকোৰা কেকুৰি নিতম্ব প্ৰদেশলৈকে বৈ পৰা আৰু ঘনঘোৰ কলা মেঘৰ নিচিনা। চকুৰ চেলাউৰী যুৰি বৈ পৰা আৰু নীলাভ চকুহালক কবি দেৱকান্ত বৰুৱাই কবিতাৰে প্ৰেয়সীৰ বৰ্ণনা কৰা 'সাগৰৰ এচামুচ নীলা'ৰ দৰে উপমা সানি দিলেও বোধহয় ভুল কোৱা নহ'ব। উঠন গাভৰু অনিতা। সাধাৰণ যুৱকে অনিতাক দেখিলে চকু নকৰি নোৱাৰিব। মুখত মাত নুফুটে যেন নিমাতি কন্যাহে। প্ৰথম দিনাই কেৱল মোৰ পৰা অনিতাই আহো ছাৰ বুলি’ বিদায় লৈ মাত লগাইছিল আৰু তেতিয়াই মাতষাৰ যে কোমল ধৰিব পৰিছিলোঁ। অনিতাৰ বিদায়ৰ সিদিনাৰ খোজতেই ধৰা পৰিছিল ছোৱালীজনী পদ্মিণী কন্যা হব বুলি। চুৰিদাৰৰ ৰংটো গাৰ ৰঙৰ লগত মিলাই পিন্ধিছিল। মুখমণ্ডলত আধুনিক সমাজৰ নাৰীয়ে ব্যৱহাৰ কৰা প্ৰসাধনৰ কোনো প্ৰলেপ লগোৱা নাছিল। তথাপিও অনিতাৰ মুখৰ জ্যোতি পকা বিলাহীটোৰ নিচিনা টুলটুলীয়া হৈ আছিল। বড়ো-সম্প্ৰদায়ৰ ছোৱালী হলেও মুখখনত তেনে জনজাতীয় লোকৰ প্ৰভাৱ নৰ্ব্বে শতাংশই নাছিল। যিকিনহওঁক প্ৰথম দিনাই অনিতাই মোক আপোন কৰি ল'ব পাৰিছিল।

পঢ়া শুনাত অনিতাই গোবিন্দপুৰ হাইস্কুলৰ পৰা দ্বিতীয় বিভাগত প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হৈছিল। মোৰ কম্পিউটাৰ স্কুলৰ ছাত্ৰী হিচাপেও অনিতা ভালেই আছিল আৰু এটা বছৰৰ পাঠ্যক্ৰম শেষ কৰি সুখ্যাতিৰে ডিপ্লমাখন লাভ কৰি গুচি গৈছিল মোৰ শাসনৰ পৰা।

সেইজনী অনিতাক কলেজৰ ড্ৰেছৰ সৈতে আমাৰ ঘৰত জুপুকা লাগি বহি থকা দেখিলো। গালেমুখে এক বিস্ময় ভৰা। লাজ শংকাৰে মুখখন গুজি তলমূৰকৈ বহি আছিল শিল পৰা কপৌটিৰ দৰে। এনেকৈ অনিতা বহি থকা বাবে বহু কথাই মোৰ মনলৈ আহিছিল। কি হ’ব পাৰে অনিতাৰ এজনী নিৰ্জু প্ৰকৃতিৰ সাধু ছোৱালী অনিতা কলেজীয়া ড্ৰেছত। নিশ্চয় কিবা এটা ঘটিছে, নহ'লে এনেকৈ আমাৰ ঘৰত নিশাখন উপস্থিত হ'ব নোৱাৰে। লাহেকৈ অনিতাক কলো ক'ৰ পৰা আহিলা অনিতা?

: ছাৰ মোক ক্ষমা কৰক, মোক ক্ষমা কৰক ছাৰ বুলি কৈ হুক হুকাই কান্দি মোৰ ভৰি দুখনত সাৱতি ধৰিলে।

: উঠা উঠা। কি হৈছে তোমাৰ। নেকান্দিবা নেকান্দিবা। কোৱাচোন কি হৈছে তোমাৰ। উঠাই বিছনাখনতে পুনৰ বহুৱাই দিলো। ইতিমধ্যে নীলিমাই হাতত চাহ তিনি কাপ লৈ কেঠাটোত প্ৰৱেশ কৰিলে।

: হে ৰা অনিতাক ড্ৰেছযোৰ সলাব নিদিয়া কিয়? মুখ হাত ধুবলৈ দিছা নে নাই। যোৱা অনিতা আগতে মুখ হাত ধুই অহা গৈ।

নীলিমাই বাথৰুমলৈ অনিতাক লৈ গ'ল মুখহাত ধুবলৈ।

মই কৰুণ পৰিৱেশটো সাম কটাই ইজি (স্বাভাৱিক) কৰি দিলো অনিতাক। মই তলকিবই নোৱাৰিলো কি হ'ল। একো সুধিবলৈ মোৰ সাহস নহ'ল অনিতাক। কান্দি দিলে। তেওঁ আশ্ৰিত যিহেতু কঠোৰ মনোভাৱ ললে আকৌ অনিতাই দুখ পাব বুলি ভাবিয়ে তেতিয়া একো নুসুধিলো। হিন্দু শাস্ত্ৰ অনুসৰি আশ্ৰিতক অভয় প্ৰদান কৰা এক শাস্ত্ৰ সন্মত নিয়ম। গতিকে অনিতাক আশ্ৰয় দি অভয় প্ৰদান কৰা মোৰ প্ৰথম কৰ্ত্তব্য  বুলি চিন্তা কৰি একো কথা নুসুধিলো যদিও পিচ মুহুৰ্ত্ততে আকৌ মনৰ মাজত ভাৱে খেলিমেলি লগাই দিলে। কোনো অপকৰ্ম কৰি অহা নাইতো। কোনো অবৈধ সংগঠনৰ লগত যোগাযোগ হোৱা নাইতো। ধৰিবও নোৱাৰি আজিকালিৰ মানুহক। কোনে কি কৰে। কোন কি উদ্দেশ্যত ঘূৰে। দিনকাল বিলাক সলনি হ'ল। ভাল ভাৱে আহিয়ো দেখোন গুলি কৰি মানুহ মাৰি যায় অসমখনত। গতিকে আজিকালি কোনো মানুহকেই সহজ ভাৱে চাব নোৱাৰা দিন হৈছে।

সৌ সিদিনা ধীৰেণপাৰাৰ নৰেণ গোস্বামীৰ ঘৰত পুলিচৰ ড্ৰেছত আহি তেওঁলোকৰ সকলো ডকাইতি কৰি লৈ গ'ল। সন্ধিয়া ঠিক সাত বজাতে। জীপছি গাড়ীখনত গজগজীয়া সাতজন চফল ডেকাই পুলিচৰ সাজ পৰিধান কৰি গোস্বামীক কলিংবেল টিপি মাত লগাই কলে-  আমি থানাৰ পৰা আহিছো আপোনাৰ ঘৰত অবৈধ বস্তু ৰখাৰ সম্ভেদ পাইছো।

নিৰ্জু প্ৰকৃতিৰ গোস্বামীয়ে পুলিচৰ তেনে কথা শুনি বজ্ৰ পৰা মানুহৰ দৰে সেহা বেঙা লাগি স্থিৰ হৈ থাকিল আৰু ডেকা ল'ৰা কেইজনৰ এজনে তৎক্ষণাত কলে- ঐ দৰ্জা খোল।

নৰেণ গোস্বামী নিৰ্জু মানুহ । এনে কথা শুনি আন কথা চিন্তা কৰাৰ অৱকাশেই নেপালে আৰু সহজভাৱেঁই দুৱাৰ খুলি দিলে সিহঁতক। আটাইয়ে ঘৰৰ টালাচি লৈ আলমাৰি, বাকছ আদি খুলি তন্ন তন্ন কৰি চোৱাৰ অভিনয় কৰি গোস্বামীৰ ঘৰৰ আটাই কেইজনকে চকু আৰু মুখত কাপোৰ দি পিছ হতীয়াকৈ বান্ধি থৈ সকলো ধন আ-অলঙ্কাৰ লুটি নিলে। চিঞৰ বাখৰ কৰিলে একমাত্ৰ ল'ৰা ৰাজীৱক হত্যা কৰাৰো ভাবুকি দিলে সিহঁতে। বস্তু বাহিনীৰ সৈতে গাড়ীখনত ৰাজীৱক তুলি লৈ কাষতে থকা মুকলি পথাৰখনত তাক এৰি দি কোনোৱে সন্দেহ কৰিব নোৱাৰা ধৰণেৰে ডকাইতি কৰিলে।

গতিকে আজিৰ সমাজত কোন শত্ৰু কোন মিত্ৰ ধৰা বৰ টান হৈ পৰিছে। মোৰ মনৰ মাজত বহু চিন্তাই আগুৰি ধৰিলে। মুখৰ পৰা এৰি দিয়া চিগাৰেটৰ ধোৱাই কুণ্ডলী পকাই উৰি উৰি যোৱাৰ দৰে। অনিতা যে কোনো অবৈধ সংগঠনৰ অংশীদাৰ হ'ব মোৰ মনে নধৰে। মনটোত কিবা কিবি চিন্তা আহিল যদিও মনটোক শান্ত কৰিবলৈ চাহ কাপত হুপা এটা মাৰোতেই দুয়ো নীলিমা আৰু অনিতা মোৰ কাষ পালেহি।

তিনিওজনে প্ৰায় নিৰৱতা অৱলম্বন কৰিয়েই চাহ কাপ খোৱাত লাগিলো।
নীলিমাইয়ো ঘটনাৰ একো সবিশেষ কথাৰ পাতনি মেলা নাই অনিতাৰ সন্মুখতে।

আমাৰ নিৰৱতা ভঙ্গ কৰি ৱাল ঘড়ী টোৱে টং টং কৈ আঠটা  বজাৰ সংকেত দিলে। লাহেকৈ টিভি নিউজটো চোৱাৰ বাবে টিভি থকা ৰুমটোলৈ মই আগবাঢ়িলো আৰু পিচে পিচে নীলিমাইয়ো মোৰ লগতে আগবাঢ়িল। নীলিমাই যেন মোক কিবা এটা কম কম বুলি চেলু লৈ আছিল সময় আৰু সুবিধাখিনিহে পোৱা নাই। মোৰ অনুমান হৈছে। হয়তো

অনিতাক কিয় ৰাখিব লগা হ'ল আৰু মোক নোসোধা নোপোচাকৈ লোকৰ এগৰাকী গাভৰু ছোৱালীক মোৰ ঘৰত ৰখাটো মই পছন্দ কৰো নে নকৰো ইত্যাদি ইত্যাদি কব। ভাত পানী খায়ে সকলো শুনিম বুলি পাঙি থাকিলো।

টিভিৰ নিউজ আদি চাই মেলি নিশাৰ অন্নমুঠি গ্ৰহণৰ পিছত বিছনাত আটাইয়ে উঠিলো আৰু তাৰ পিছতেই আৰম্ভ হ'ল অনিতাৰ জীৱন কাহিনী নীলিমাৰ মুখত।

***

DIGITAL PUBLICATION-
2nd publication of E-book on - June 2021
By Uddipta Nayan Medhi

www.rongilibarta.com

do follow & like our Page at Instagram & Facebook as Rongilibarta.
For quality Printing
Contact –
9854215286/8638732821

## (৩)

ৰমেনৰ ঘৰ বীৰুবাৰীৰ পাহাৰ ওপৰত। ৰমেন মানে ৰমেন্দ্ৰ বড়ো। আগতে ৰমেনহঁতৰ ঘৰ কোকৰাঝাৰৰ কোনোবা এখন গাঁৱত আছিল। ৰমেনৰ ককাদেউতাক এটা সময়ত কোকৰাঝাৰৰ পৰা গুৱাহাটীলৈ আহিছিল পেটৰ ভাত মুঠিৰ সন্ধানত। কোকৰাঝাৰৰ ভিতৰুৱা গাঁওখনত অন্ন বস্ত্ৰৰ অভাৱ অনুভৱ কৰিয়ে ককাক মহিন বড়োই ড্ৰাইভাৰৰ চাকৰি এটা যোগাৰ কৰি বীৰুবাৰীৰ পাহাৰতে চৰকাৰী মাটি অলপ দখল কৰি ঘৈণীয়েক ৰমলা আৰু কণমানি মাহেতীৰ সৈতে সংসাৰখন পাতি থাকিল । মহিন বড়োৰ এদিন ট্ৰাক দুৰ্ঘটনাত মৃত্যু হ'ল আৰু ৰমলাৰ জীৱনলৈ আহি পৰিল দুখৰ সংঘাতপূৰ্ণ সময়বোৰ।

কিন্তু ট্ৰাকৰ মালিক নন্দমোহন পাচানিয়ে মহিন ঢুকোৱাৰ পিচত ৰমলাক এপইচাও দি সহায় নকৰিলে। চুচুৰিয়াকৈ মৃতকৰ সকামভাগি সমাপনৰ বাবে টকা চেৰেক দি হাত সাৱতি বহি থাকিল নন্দমোহন পাচানি। ট্ৰাকৰ ড্ৰাইভাৰ আছিল যিহেতু নন্দমোহন পাচানিয়ে ইঞ্চুৰেঞ্চৰ পৰা অন্ততঃ কিছু টকা পোৱাৰ সুবিধা কৰি দিব পাৰিলেহেতেন। কিন্তু তেওঁ সেইটো কৰি নিদিলে একমাত্ৰ জীৱন বীমা কৰি নথকাৰ বাবে। এই তেজপিয়া শ্ৰেণীৰ মহাজন বিলাকে সদায়ে নিম্নবৰ্গৰলোক পালে তেজপুজ গুহি খায় আৰু অকনো সহায় নকৰে। নন্দমোহন পাচানিয়ে যদি ট্ৰাক ড্ৰাইভাৰ হিচাপে মহিন বড়োৰ জীৱন বীমা এটা কৰি থলেহেতেন অন্ততঃ ৰমলাই কিছু ধন পালেহেতেন। কিন্তু নকৰিলে সেইটো। তেওঁলোকৰ **নো** কি যায়, কেৱল জীয়াই থকা দিন কেইটা দিনে নিশাই কাম কৰি আৰ্জি দিলেই শেষ দৰমহা দিছে যিহেতু।

এটা সময়ত নন্দমোহনো উগ্ৰবাদীৰ অত্যাচাৰত থাকিব নোৱাৰি সুদুৰ চিলাপথাৰৰ পৰা সকলো ঘৰবাৰী এৰি পলাই আহিব লগাত পৰিছিল এক মাত্ৰ নিম্ন শ্ৰেণীক শোষণ কৰা অপৰাধৰ বাবেই। তবু এইজন বেপাৰীৰ শুভ বুদ্ধি নহল। কথাতে কয় নহয় যাৰ যি স্বভাৱ সি সোনকালে পৰিৱৰ্ত্তন নহয় যেনেদৰে কুকুৰৰ নেজডাল যিমানেই তেল ঘি সানি পোন কৰিবলৈ চেষ্টা নকৰক কিয় সি পুনৰ ভাজ লবই। ঠিক তেনেদৰে নন্দমোহন পাচানিৰো চৰিত্ৰ সলনি নহ'ল। গুৱাহাটীত তেওঁ আৰু বেছি সুবিধাহে পালে শোষণৰ, কাৰণ এই গুৱাহাটী মহানগৰীত তেওঁৰ নিচিনা অলেখ সঙ্গী আছে, প্ৰটেক্চন দিওঁতাও ধেৰ। গতিকে নন্দমোহনে দিধাহীনভাৱেই নিম্ন শ্ৰেণীক শোষণ কৰি বাণিজ্য চলাই থাকিল। ৰমলাই নন্দমোহনৰ পৰা ধন নেপালেও মাহেতীক ডাঙৰ দীঘল কৰিবলৈ সংগ্ৰাম কৰিবই লাগিব যিহেতু তেওঁৰ হকে মাত মাতোতা কোনো নাই।

কণমানি মাহেতীক বুকুত বান্ধি ৰমলাই বীৰুবাৰীৰ পাহাৰতে থাকিব লগীয়া হ'ল এবুকু বেদনা লৈ। ৰমলাৰ চিন্তাই কুলাই পাচিয়ে নধৰা হৈ পৰিল কিদৰে মাহেতীক ডাঙৰ দীঘল কৰে। ৰমলাই আৰ ঘৰে তাৰ ঘৰে কাম বন কৰি পেটৰ ভাতমুঠি যোগাৰ কৰিব ধৰিলে।

সময়বোৰ কালৰ বুকুত বাগৰি থাকিল আৰু ৰমলাৰো জীৱন সংগ্ৰামৰ চকৰিত জীৱনৰ প্ৰতি মূহুৰ্ত্ত ঘূৰিবলৈ ধৰিলে।

বিয়াৰ পিচতে ৰমলাৰ গিৰিয়েক মহিনে গুৱাহাটীতে থাকিব লোৱাত কোকৰাঝাৰৰ লগত সকলো সম্পৰ্ক হেৰাই গৈছিল। বতিবংশৰ লগত কোনো সম্পৰ্ক নোহোৱাত ৰমলা নিঠৰুৱা হৈ পৰে। ৰমলাৰ যৌৱন আছে। এটি মাত্ৰ সন্তানৰ মাতৃত্ব লাভ কৰিয়ে ৰমলাই বৈধব্যৰ জীয়া জুইকুৰা বুকুত বান্ধি চলিব লগাত পৰিল। ৰমলাৰ দুখ

দেখি তাইৰ দুখৰ সমভাগী হ বলৈ তাইৰ গিৰিয়েকৰ বন্ধু ৰোহিত সঘনাই আহিবলৈ ধৰিলে ৰমলাহঁতৰ ঘৰলৈ। বীৰুৱাৰীৰ পাহাৰৰ বুকুত উঠিয়ে ৰোহিতে মাহেতীক মাত লগায় লাহেকৈ তাহৰ হাতত মিঠাইৰ টোপোলাটো দি তাইৰ গালদুখন টিপি দি মৰম কৰা দেখুৱাই ৰোহিতে। মাহেতীও খুৰা খুৰা বুলি ৰোহিতক মাতে। সৰু ল'ৰা ছোৱালীয়ে হাতত কিবা এটা খোৱা বস্তু পালে ভাল পাবই। ই সিহঁতৰ শিশুসুলভ চৰিত্ৰ। কিন্তু ৰমলাই বুজি নেপালে ৰোহিতৰ টোপোলা অনাৰ আৰত কুণ্ঠচ হৃদয়খনত কি পাপ ভাৱ সুমাই আছিল।

ৰমলাৰ ঘৰত ৰোহিতৰ সঘন উপস্থিতিৰ ব্যস্ততা বাঢ়িল আৰু মাজে সময়ে হাতত মাংস আৰু মদৰ বটল লৈ আহিবলৈ ধৰিলে ৰমলাৰ ঘৰলৈ। ৰোহিতে মাংস আনিলে ভাতসাজ খায় যাবলৈকো তাই কবলৈ বাধ্য হৈ পৰে। মাজে সময়ে বোহিতে ৰমলাৰ লগত হাঁহি ধেমালিৰ সুৰতে টিপি চাব ধৰিলে ৰমলাৰ কেঁচা যৌৱনৰ সোৱাদ লভাৰ। ৰোহিতে তেনে পাতল কথাৰ পাতনি মেলিবলৈ ধৰিলেই ৰমলাই আন কথা উলিয়াই বকলা মেলাৰ সুবিধাখিনি বন্ধ কৰি দিয়ে।

এদিন নিশা মাহেতী শুই থকা অৱস্থাত ৰোহিত ৰমলাৰ ওচৰত দুৰ্বল হৈ পৰিল আৰু কামাগ্নিৰ জুই কুৰা প্ৰশমিত কৰিবলৈ ৰমলাৰ হাতত থাপ মাৰি ধৰিলে। মাহতীৰ সৈতে নিৰ্জন পাহাৰৰ বুকুত বাস কৰা অসহায়। ৰমলাই কোনো দিনেই ভবা নাছিল ৰোহিতে তেনেখন কৰিব বুলি। ৰোহিতৰ ব্যৱহাৰত অতিষ্ঠ হৈ ৰমলাই লগাই দিলে ধনঞ্জয় চৰ। ৰমলাৰ তীক্ষ্ণ চৰত ৰোহিতৰ কামনাৰ তন্দ্ৰালাসিত জুইকুৰা যেন চিটিকি পৰিল আৰু মনত প্ৰচন্দ আঘাত পাই পাহাৰ নিৰ্জন বাটটোৰে নিৰৰে পাৰ ভঙা নিজৰাৰ পানীৰ দৰে হুৰ হুৱাই নামি আহিল তললৈ ঘৰ বুলি।

ৰমলাই ৰোহিত বড়োকে চৰ সোধাই হুকহুকাই কান্দি পেলাইছিল সিদিনা। ধিক্কাৰ আহিল জীৱনলৈ তাইৰ, যদি আজি তাইৰ গিৰিয়েক থাকিলহেঁতেন ৰোহিতে তাইৰ গা চুব পাৰিলেহেঁতেন নে? তাইৰো তপত যৌৱন আছে সঁচা, কামনা বাসনাও তাইৰ আছে, কিন্তু তাই পৰপুৰুষৰ তৃষ্ণাৰ বলি হ'ব নোৱাৰে। ই এক অধৰ্ম, মহাপাপ। তাইৰ গিৰিয়েকৰ মুখখন ভাহি উঠিল মনৰ পৰ্দাত। ৰমলাক খুব মৰম কৰিছিল তাইৰ গিৰিয়েকে। কোনো দিনেই ৰমলাক মনোকষ্ট দিয়া নাছিল। মহিন আহি ৰমলাৰ ওচৰত যেন থিয় হ'ল আৰু কলে-ৰমলা, নাৰীৰ সতীত্বই আচল সম্পদ। গতিকে ধৈৰ্য্য ধৰি চলিবা আৰু নিজে কেতিয়াও দুৰ্বল হৈ আনৰ ওচৰত আত্ম সমৰ্পণ নকৰিবা। সততা আৰু ধৰ্মৰ সদায় জয় আছে, কেবল লাগিব সাহস আৰু ধৈৰ্য্য। এই সংসাৰখন বৰ জটিল। সুখৰ ভাগী বহুত পাবা আৰু দুখৰ ভাগীকানো নেপাবা। তুমি কেৱল বাথৌ প্ৰভুক স্মৰণ কৰি সৎ জীৱন আৰু সৎ মাৰ্গত চলিবা কোনোৱেঁই একো কৰিব নোৱাৰে।

তাই আবেগ বিহুল মনেৰে গিৰিয়েক মহিনক সাৱতি ধৰিবলৈ চেষ্টা কৰোতে মনত বাহ লোৱা চিন্তাখিনি মেঘালী আকাশৰ বিজুলীৰ চিকমিক্নিৰ দৰে ক্ষণিকতে নোহোৱা হ'ল। কেৱল বেদনা ভৰা অশ্ৰুবোৰ সৰ সৰকৈ দুচকুৰে বাগৰি থাকিল ৰমলাৰ। তাই কেৱল চাই পঠালে ভৈয়ামত জ্বলি থকা মিউনিচিপালিটিৰ বিজুলিবাতিবোৰৰ পোহৰখিনিলৈ। শুই থকা মাহেতীৰ মূৰটো পিহি পিহি বিছনাখনতে তাই শোকাৰ্ত্তশৰীৰটো পেলাই দিলে খালি পেটে।

***

(৪)

দিনবোৰ বাগৰি সোমাই পৰিল সপ্তাহৰ পেটত, সপ্তাহবোৰ মিলি গ'ল পষেক-মাহত আৰু মাহবোৰ মিলি একাকাৰ হৈ পৰিল বছৰৰ বুকুত এনেকৈয়ে এদিন দুদিনকৈ। মাহেতীও ডাঙৰ হৈ আহিল। ৰমলাই লোকৰ ঘৰে ঘৰে কামবন কৰা বৃত্তি এৰি ঘৰতে মদ বনাবলৈ আৰম্ভ কৰিলে। ৰমলাই মদ বিক্ৰি কৰি ভাল ইনকাম কৰিবলৈ ধৰিলে। দিনে দিনে ৰমলাৰ ঘৰলৈ মদ নিয়া মানুহৰ সোঁত ব'বলৈ ধৰিলেও কোনো মদ কিনা গ্ৰাহককে তাই প্ৰশ্ৰয় নিদিয়ে। বিশেষ কথা বতৰাও গ্ৰাহকৰ লগত নেপাতে। আহে আৰু মদখিনি লৈ গুচি যায় গৈ। ইতিমধ্যে মাহেতীও গাভৰুহৈ আহিছে। আনহাতে ৰমলাই দিনে নিশাই কাম কৰিব লগা হোৱাত তাইৰ স্বাস্থ্যও পৰি আহিল। বাপেক নোহোৱা ঘৰ এখনত উঠন গাভৰ ছোৱালী থাকিলে বিমান চিন্তা হয় ভুক্তভোগী সকলেহে বুজিব পাৰে। ৰমলাইয়ো মাহেতীক লৈ নানান চিন্তা সাগৰত বুৰি থাকে দিনে ৰাতিয়ে। কিবা কৰি মাহেতীক কাৰোবাৰ লগত বিয়াখন পাতি দিব পাৰিলেই ৰমলাৰ যেন চিন্তাৰ ওৰ পৰিব। তাইৰ ভীষণ চিন্তা বাপেক নোহোৱা ছোৱালীৰ কোনে বাৰু পাণি গ্ৰহণ কৰিব? টকা পইচাও নাই। দেখাত মাহেতী অশুৱনী নহ'লেও আজিকালিৰ সকলোকেই টকা পইচা লাগে। মদৰ বেপাৰ কৰি ভৰণ পোষণ চলাই থকা দুখুনী ৰমলাৰ ঘৰলৈ ভাল দৰা ক'ৰ পৰা আহিব? তাই নিজেই নিজক প্ৰশ্ন কৰে।

মাজে সময়ে ৰমলাৰ ঘৰলৈ বীৰমঙ্গল সিং আহে মদ নিবলৈ। বীমঙ্গল সিং মণিপুৰী ল'ৰা সিয়ো ৰঘুনাথ মহাজনৰ মাৰুতী কাৰখন চলাই। থাকে বীৰবাৰীতে। এদিনাখন বীমঙ্গলৰ দৃষ্টি পৰিল মাহেতীৰ ওপৰত। মাহেতীৰো তাৰ ওপৰত। মাহেতী বেছি ওখ পাখ প্ৰকৃতিৰ ছোৱালী নহয় যদিও দেখাত বেছ ধুনীয়া। যোল্ল বছৰীয়া মাহেতীৰ গাভৰু দেহৰ ভাজত যৌৱনৰ তৰঙ্গমালাই থৌকি বাথৌ লগাইছিল চঞ্চলা নিজৰাটিৰ দৰে।

এদিনাখন মাহেতীয়ে নিৰ্জন পাহাৰৰ জুৰিটিত অকলশৰে গীতৰ লহৰ তুলি উঠন বুকুখনত দখনাখন পিন্ধি আপোন মনে গা ধুই আছিল। উৰু প্ৰদেশ উন্মুক্ত কৰি মাহেতীয়ে ভৰি দুখনত চাবোন সানি গা ধুই আছিল। ভোলৰ জাব্ৰাৰে মুখখন ঘুহি ঘুহি একেবাৰে পকা ঠেকেৰাটোৰ নিচিনা কৰি পেলাইছিল। তাই কেতিয়াও ভাবিব পৰা নাছিল যে সেই নিৰ্জন পাহাৰৰ বুকুত কোনোবা পুৰুষে তাইৰ সদ্যস্নাতা গাভৰুদেহৰ সৌন্দৰ্য্য পান কৰিব পাৰে বুলি। কুন্তিভোজৰ কন্যা কুন্তিয়ে সূৰ্য্যদেৱতাক স্মৰণ কৰোতেই সূৰ্য্যই দেখা দি কুন্তিৰ আৱেশ আকুল প্ৰাণৰ আলিঙ্গন লোৱাৰ দৰে মাহেতীৰ মনলৈও আহিছিল বীৰমঙ্গল সিঙৰ চেহেৰাটি। নিজৰাৰ কুলু কুলু সুৰটিৰ ছন্দৰ লগত তাইৰ চিন্তাৰ ছন্দও যেন মিলি গৈছিল বীৰমঙ্গলৰ ছৱিটিৰ সতে। আপোন বিভোৰা মাহেতীয়ে বীৰমঙ্গলক সেই দিনা দেখাৰে পৰা কিবা আপোন আপোন লাগিছিল। বীৰমঙ্গলৰ চিন্তা মনলৈ আহিলেই তাইৰ বুকুখনত যেন কিবা এক অবুজ শিহঁৰণ অনুভূত হয়। মনটো দুদোল্যমানহৈ দুলি থাকে সপোনপুৰীত এক আমেজ ভৰা আৱেশেৰে। বীৰমঙ্গলৰ কথা মনলৈ আহিলেই মনটো গাটো শিৰ শিৰাই যায়। গাটো চাবোনেৰে পিহি আৱেশ ভৰা বুকুৰে মাহেতীয়ে উন্মুক্ত আকাশৰ পিনে আৰু তাইৰ চৌপাশে এনেয়ে এবাৰ চকু দুটা সিঁচি দিলে। চকু দুটা ঘূৰাই দেখা পালে নাতিদূৰতে এজন যুৱকে নিবিড় দৃষ্টিৰে তাইৰ পিনে চাই আছে। তাইৰ মুখত গুণ গুণাই থকা গীতৰ কলি কেইটি যেন হঠাতে সলকি পৰিল আৰু তাইৰ গাটো কব নোৱাৰাকৈয়ে জিকাৰ মাৰি উঠিল। তাই ঘপহ কৰে দখনাখন ভৰিৰ তললৈকে টানি গুজি দিলে আৰু জিপাল বুকুখনত দখনাখন টানকৈ খামুচি ধৰিলে। ছিঃ কোন সেয়া নিলাজ, এই পাহাৰৰ বুকুত ছোৱালীয়ে গাধোৱা চাই তৃপ্তি লভিছে। চোৰকৈ নাৰীয়ে গাধোৱা চাই থাকে নে? নিলাজ কৰবাৰ।

মনটোত ভীষণ খং উঠি গৈছিল সেই ল'ৰাজনৰ প্ৰতি। তাই যেন কাষত পালেই কিবা কিবি কথা শুনাই দিব।

আকৌ এবাৰ তাই চকু দুটা ঘূৰাই দিলে সেই যুৱকজনৰ পিনে তাইৰ সিক্ত দেহত লাগি থকা কাপোৰখিনি খামুচি ধৰি। তাইৰ চকুত ধৰা পৰিল সেই নিলাজ ল'ৰাজন আন কোনো নহয় সেয়া বীৰমঙ্গলহে। মাহেতীয়ে দৌৰা দৌৰিকৈ ঘৰলৈ খোজ ললে । নিজৰাৰ নিৰ্মল পানীৰে তিয়াই লোৱা মূৰৰ দীঘল চুলিকোচাৰে পানী টুপ টুপকৈ বাগৰি আছিল আৰু তিতা দখনাখন তাইৰ যৌৱন উতলা দেহত লিপিট খাই পৰা বাবে ধীৰে ধীৰে ঘৰলৈ খোজ লব লগাত পৰিছিল।

নিজৰাটিৰ ওপৰৰ শিল এটাত উঠি বীৰমঙ্গলে সতৃষ্ণ নয়নেৰে প্ৰাণভৰি মাহেতীৰ যৌৱন সুধা পান কৰি আছিল আৰু সি যেন বিচাৰি পাইছিল তাৰ জীৱন সঙ্গিনীক।

সিদিনাৰে পৰা মাহেতীৰ মনৰ মাজত বীৰমঙ্গলে আৰু গভীৰ ভাৱে বাহ ললে। বীমঙ্গলো মাহেতীৰ চিন্তাতে ডুবি থকা হ'ল।

বীৰমঙ্গল মাহেতীহঁতৰ ঘৰলৈ আহিলে ভাল লগা হ'ল আৰু কথাপাতি থাকিলেই হৃদয়খন ভৰি উঠাৰ অনুভৱ কৰিবলৈ ধৰিলে। ধীৰে ধীৰে মাহেতী আৰু বীৰমঙ্গলৰৰ দুখন হহৃদয়ৰ অনুভূতিবোৰ যেন এক হবলৈ ধৰিলে। দুয়োদুয়োকে নিবিড়ভাৱে পোৱাৰ বাসনা জাগিল।

এদিন মাহেতী আৰু বীমঙ্গল পলাই গ'ল ৰমলাৰ মৰমৰ বান্ধোন চিঙি। যিজনী ৰমলাই নিজৰ জীয়েকৰ বাবে দিনে নিশাই মদ বনাই বিকি পেট প্ৰৱৰ্ত্তালে, ভৰণপোষণ দি ডাঙৰ দীঘল কৰিলে আৰু তাই নিজৰ কেঁচা যৌৱনক মাটি কৰি কাৰো লগত গুচি নগ'ল একমাত্ৰ জীয়েকৰ বাবে। সেইজনী ৰমলাক আজি তাইৰ মৰমৰ জীয়েকে একো নোকোৱাকৈ গুচি গ'ল। মাহেতীয়ে ঘৃণাক্ষৰেও বীৰমঙ্গলৰ কথা কিয় নকলে বাৰু তাইক? বীৰমঙ্গল ভাল দেখনীয়াৰ ল’ৰা। বিয়া পাতি দিব পাৰিলেহেঁতেন ৰমলাই। ৰমলাক যেন সিহঁতে ঠগিলে। যদি তাই জীয়েক মাহেতীৰ কথা চিন্তা নকৰিলেহেঁতেন, তাইয়ো দ্বিতীয় বিবাহত সোমাই নিজৰ অতৃপ্ত আত্মাক তৃপ্তি দিয়াব পাৰিলেহেঁতেন। হিন্দু সমাজ ব্যৱস্থা, তাইৰ স্বামীৰ জীয়া স্মৃতি আৰু একমাত্ৰ মাহেতীৰ চিন্তাৰ বাবেই তাইৰ যৌৱনক জীয়াই জীয়াই কবৰ দিলে। বহুতেই তাইক প্ৰস্তাৱ দিছিল দ্বিতীয় বিবাহৰ। কেৱল মহিনৰ আত্মা আৰু মাহেতীৰ চিন্তাৰ বাবেই দ্বিতীয় বিবাহত নোসোমাল।

মাহেতী পলাই যোৱাৰ লগে লগে ৰমলা একেবাৰে অকলশৰীয়া হৈ পৰিল। কি কৰে তাই, ক'তেই বা বিচাৰি উলিয়াব সিহঁতহালক। মাহেতী পলাই যোৱা বেদনা সহিব নোৱাৰি পিছদিনা ৰমলাই অকলশৰীয়া জীৱন কটোৱাতকৈ আৰু লোক চক্ষুৰ কুদৃষ্টিৰ পৰা হাত সাৰিবলৈকে বাচি ললে একমাত্ৰ আত্মহত্যাৰ পথ।

জীৱনৰ লগত যুঁজি যুঁজি যেতিয়া নিজৰ ওপৰতে বিশ্বাস হেৰাই পেলাই তেতিয়াই মানুহে আত্মহত্যা কৰিবলৈকো কুণ্ঠাবোধ নকৰে। ৰমলাৰো তেনে দশাই হৈছিল। যাক আশা কৰি জীৱনটো কটাই আছিল ৰমলাই, তাই ভাবিছিল মাহেতীৰ সংসাৰখন পাতি দিব পাৰিলেই জী-জোৱাইক চাই চাইয়ে জীৱনৰ বাকী থকা দিন কেইটা কটাব। কিন্তু ঠোতৰ মুখৰ খুৱাই মাহেতীক ডাঙৰ দীঘল কৰি ৰমলাই কি পালে? শেষত তাইক এৰি পলাই গ'ল সিহঁত দুটাই নিজৰ সুখ সম্ভোগৰ তৃপ্তি লভাৰ লালসাত। কি যে স্বাৰ্থপৰ এই সংসাৰখন। এইবোৰ ভাবিয়ে ভাবিয়ে ৰমলাই নিজৰ ঘৰৰ ছতিতে ওলমি থাকিল চিৰ শান্তিৰ বাবে।

এসপ্তাহ পিচত বীৰমঙ্গলক লগত লৈ মাহেতী আহিল মাকৰ ওচৰলৈ নকইনা বেশেৰে চুচুক-চামাক আৰু এবুকু ভয় ভাৱ বুকুত গুজি। মাহেতীয়ে ভাবিছিল মাকে জানো সিহঁতক ভাল ভাবে লব পাৰিব? তাই মাকক এৰি

গৈ ভুলেই কৰিলে নেকি? এইদৰে নানা কথা ভাবি ভাবি পদূলিমুখত ভৰি দিয়াত হে তাইৰ মূৰৰ ওপৰত সগখন ভাগি পৰিল। সকলো ওলোট পালত হৈ গ'ল আৰু মাহেতীক গালি গালাজ পাবিবলৈ ৰমলা জীয়াই নাথাকিল। মাহেতীয়ে বুকু ভুকুৱাই পাৰেমানে কান্দিলে। মাহেতীয়ে কান্দি কান্দি গগন কপালে যদিও মাহেতীৰ কান্দোনৰ ধ্বনি মাথোন পাহাৰৰ বুকুৰ ওপৰেৰে বাগৰি গ'ল শূন্যৰ বুকুত............।

মাহেতী আৰু বীৰমঙ্গল সিং তাতেই থাকিবলৈ ললে।

বছৰচেৰেক পাৰ নৌহওঁতেই মাহেতীৰ কোলালৈ আহিল ৰমেন। ৰমেনৰ জন্মৰ কিছু দিন পিছৰে পৰা বীৰমঙ্গলক মাহেতীয়ে কিছু বেলেগ বেলেগ ধৰণে দেখিবলৈ ধৰিলে। মাজে মাজে বীৰমঙ্গলে মাহেতীক দুই এটা কটু কথা কবলৈকো দিধাবোধ নকৰা হ'ল। কিবা এটা কথা কলেই মাহেতীক বীৰমঙ্গলে যা তা কথা ক'বলৈ ধৰিলে। মাহেতীয়ে বুজিব নোৱাৰে বীৰমঙ্গলৰ ব্যৱহাৰৰ গতি বিধিৰ কথা। মাহেতীৰ মনত দুখ উপচি পৰিল স্বামীৰ ককৰ্থনাৰ বাবে। ৰমেনো সৰু। বীৰমঙ্গলৰ আচল ঘৰো চিনি নেপাই মাহেতীয়ে মণিপুৰৰ কোন ঠাইত। কোনো দিনা যোৱাও নাই। বিয়াৰ পিচত নিম নিম বুলি থাকোতেই বীৰমঙ্গলে মাহেতীৰ ঔৰ্ষত গুজি দিছিল নপুৰুষৰ বীজ। গতিকে মাহে তীয়ে বীৰমঙ্গলৰ নিজা বাসস্থান দেখা নেপালে। গিৰিয়েকৰ অৱহেলা দেখিও তাই নিৰৱে সহ্য কৰি থাকিল, কাৰণ পুৰুষ জাতিটো ভোমোৰাৰ লেখিয়া। ভোমোৰাই কেতিয়া কোনটো ফুলত পৰি ৰস পান কৰে ফুলে কেতিয়াও ধৰিব নোৱাৰে। ভোমোৰাৰ জীৱন যেন বিভিন্ন ফুলৰ মৌ পান কৰাৰ বাবেই জন্ম আৰু ফুলৰ জন্ম যেন আনক সুঘ্ৰাণ দি সৌন্দৰ্য্য বিলাই গছৰ তলত সৰি পৰি জীৱন পাট কৰিবলৈহে। এইদৰে ভাবি ভাবি নীৰৱে সহি গ'ল।

কম বয়সতে মাহেতীয়ে মাতৃত্ব লাভ কৰিলে। ৰমেনৰ মাক হ'ল। বীৰমঙ্গলে পাহাৰৰ বুকুত মাক পুতেকক অকলে এৰি থৈ দিনটো গাড়ী চলাই নিশাৰ ভাগতহে ঘৰত উপস্থিত হয়হি। গতিকে পুতেকৰ সকলো আলপৈচান মাহেতীয়েই ধৰিব লাগে। লাহে লাহে বীৰমঙ্গল চিন্তাভাৱনা মাহেতীৰ প্ৰতি কমি আহিব ধৰিলে। ৰমেনৰ মুখখনলৈ চাইয়ে বীৰমঙ্গলৰ দুৰ্ব্যৱহাৰৰ প্ৰতি আওকাণ কৰিও সহ্য কৰি থাকিব লগীয়াত পৰিল মাহেতী। গিৰিয়েকৰ দুৰ্ব্যৱহাৰৰ বাবে মাহতীয়ে বহু কথাই চিন্তা কৰিব লগাত পৰিল। যি বীৰমঙ্গলে এপলক মাহেতীক নেদেখিলেই বলিয়াৰ নিচিনা হৈ পৰিছিল সেই বীৰমঙ্গলৰ বাৰু কি হ'ল? বীৰমঙ্গল বাৰু কিবা বেলেগৰ পাল্লাত পৰিছে নেকি? নে তাইৰ যৌৱনে তাৰ মনক বান্ধি ৰাখিব পৰা নাই। বীৰমঙ্গলৰ প্ৰেম মাহেতীৰ প্ৰতি ক্ষন্তেকীয়া আছিল নেকি? তাই জনাতটো কেতিয়াও বীৰমঙ্গলৰ প্ৰেমক প্ৰত্যাক্ষান কৰা নাই। যিমান পাৰে পতি শুশ্ৰুষাতে তাই ব্যস্ত থাকে। এইবোৰ ভাবি ভাবি মাহেতী দিনে দিনে শুকাই ক্ষীণাই যাবলৈ ধৰিলে। এইদৰে ভাবি থাকোতে এদিনাখন বীমঙ্গলে কোহিমালৈ গাড়ী ভাড়া মাৰিবলৈ যাম বুলি গুচি গ'ল। বীৰমঙ্গল যি গুচি গ'ল আৰু সি উভতি নাহিল মাহেতীৰ বীৰবাৰী পঁজাটিলৈ। তেতিয়া ৰমেনৰ বয়স হৈছিল মাত্ৰ এবছৰ।

মাহেতীৰ জীৱনলৈও অন্ধকাৰ নামি আহিল ঠিক মাকৰ দৰেই। কেনেকৈ ৰমেনক ডাঙৰ দীঘল কৰে। কি কৰি খুৱাব। মাক ৰমলাই তাইক একো কৰিব দিয়া নাছিল। আলাসৰ লাৰু কৰিয়ে ৰাখিছিল তাহক। অৱশ্যে মাজে মাজে মাকে কেনেকৈ মদ বনাই তাক চাইছিল। কিন্তু সিয়ো ভালদৰে শিকি লোৱা নাছিল মদ বনোৱা কিটিপটো। ৰমেনক এৰি কলৈকো যাবও নোৱাৰে তাই।

এইদৰে ভাবি চিন্তি থাকোতেই এদিনাখন ৰবিবাৰে খৃষ্টিয়ান মিছনাৰীৰ দল এটাই পাহাৰে পাহাৰে দুখীয়া জনজাতীয় লোক সকলৰ মাজত সাহায্য বিতৰণ কৰি ঔষধপাতিৰ যোগান ধৰি আছিল। খৃষ্টিয়ান মিছনাৰী সকলে প্ৰতি ৰবিবাৰে দল বান্ধি য'ত জনজাতীয় লোক বেছি থাকে তালৈকে যীশুৰ বাণী প্ৰচাৰ কৰিবলৈ আৰু ঔষধপাতি দিবলৈ যায়। সিদিনা বীৰুৱাৰী পাহাৰত এটা দলত ফাদাৰ টমক লগ পালে মাহেতীয়ে। ফাদাৰ টমে মাহেতীৰ

সকলো দুখৰ কাহিনী আৰু কোলাত কেচুৱাটোক থৈ গিৰিয়েক পলাই যোৱাৰ কথা মনদি শুনিলে। মাহেতীৰ দুখৰ কাহিনী শুনি ফাদাৰ টমে কলে- তুমি যদি খৃষ্টান ধৰ্ম গ্ৰহণ কৰা তেতিয়া হলে তোমাৰ সকলো দায়িত্বভাৰ আমি ল'ব পাৰিম।

মাহেতীয়ে হাততে স্বৰ্গ ঢুকি পোৱা যেন পালে। নিজৰ সন্তানটোৰ বাবে মাহেতীয়ে ধৰ্ম পৰিৱৰ্ত্তন কৰিবলৈ সাজু হ'ল আৰু কি কৰিব লাগে তাকে ফাদাৰক কাকুতি মিনতি কৰি কলে।

মাহেতীয়ে ভাবিলে স্বধৰ্মত থাকিলে বাৰু কোনে তাইক ভৰণ পোষণ দিব। কোনে তাইক চাব। ৰমেনক বাৰু তাই কেনেকৈ মানুহ কৰিব। দৰ্কাৰ হ'লে, ৰমেনক মানুহ কৰিবলৈয়ে তাই ধৰ্ম পৰিৱৰ্ত্তন কৰিব লাগিব। কাৰণ তাইক এতিয়া আশ্ৰয় লাগে, পেটৰ ভাত মুঠি সময় মতে লাগে আৰু ৰমেনক ডাঙৰ দীঘল কৰি মানুহ কৰিব লাগে। ধৰ্ম যিয়েই নহওঁক কিয় তাইতো জীয়াই থাৰ্কিই লাগিব। আমাৰ ধৰ্মও হ'ল সেয়া-বিভিন্নজনৰ বিভিন্ন মত। আমি বড়ো সম্প্ৰদায়ৰ লোক, আমাৰ হাতে পাতে বৰ্ণ হিন্দু সকলে নেখায়। আমাক ঘৃণা কৰে। বৰ্ণ হিন্দু সকলৰ মাজতো বহুত জাত পাতৰ বিচাৰ। ব্ৰাহ্মণ সকলে অন্য সম্প্ৰদায়ৰ যেনে কলিতাৰ হাতেপাতে নেখায় কলিতাই কোচ-কেওঁতৰ হাতে-পাতে খালে যেন জাতি যায়। বাকী অন্য কুমাৰ,কমাৰ, হীড়া কৈৱৰ্ত্ত আদি সম্প্ৰদায়ৰ কথা বেলেগেই। আজিও জাতপাতৰ কথা চলে আমাৰ সমাজখনত। অসমৰ এই বৰ্ণ বৈষম্যৰ বাবেই আজি ইমানখিনি বিভেদ সৃষ্টি হৈছে। উচ্চ বংশৰ লোকখিনিয়ে নিম্ন বৰ্গৰ লোকসকলক আজিও ঘৃণা কৰে। উচ্চ বৰ্ণৰ জাতৰ মানুহবোৰে তেওঁলোক নিজেই ডাঙৰ বুলি গণ্য কৰি সমাজৰ মুৰব্বী বুলি ভাৱে। ব্ৰাহ্মণ-গোঁহাই সকলে নিজৰ উচ্চ আসনখন ৰক্ষা কৰিবলৈ জানো আমাৰ নিম্ন বৰ্গৰ লোকক আপোন কৰি ল'ব পাৰিছে? নাই। ব্ৰাহ্মণ সকলে কেৱল বুদ্ধিজীৱি হৈ নিজৰ সুৰক্ষাৰ বাবে নামঘৰত পূজা পাঠ কৰি নিজৰ আসনখন উচ্চ কৰি ৰাখিলেই যেনিবা তেওঁলোকৰ ধৰ্ম ৰক্ষা কৰা হয়। আৰু সত্ৰীয়া মহন্ত সকলেও কীৰ্ত্তন ঘৰত নাম গায়. মাহ প্ৰসাদ খায়, সত্ৰৰ চাৰি সীমাত আৱদ্ধ থাকিলেই তেওঁলোকৰ যেন ধৰ্ম ৰক্ষা হয়। কিন্তু এই মিছনেৰী সকলে কিয় পাহাৰৰ দাঁতিয়ে দাঁতিয়ে ঘূৰি ফুৰি দুখীয়া জনজাতিৰ লোক সকলক সহায় কৰিবলৈ আগবাঢ়ি আহিছে? যদি তেওঁলোকে আমাক সুৰক্ষা দিয়ে আমি তেওঁলোকৰ ধৰ্ম গ্ৰহণ কৰিলে কি অপৰাধ হ'ব? আৰু ধৰ্ম মানেই নো কি? জীৱনটো সুচাৰুৰূপে শুদ্ধ পথে পৰিচালনা কৰি এক সামাজিক বান্ধোনৰ মাজেৰে চলাকেই জানো ধৰ্ম নোবোলে? আমাৰ নিচিনা দুখীয়ালোকৰ ধৰ্ম এটাই সেয়া হৈছে পেটৰ ভোক নিবাৰণ। লজ্জা নিবাৰণৰ বাবে এসাজ কাপোৰ আৰুনো কি?

এইদৰে মাহেতীয়ে বহু কথাই চিন্তা কৰিলে নিজৰ ধৰ্ম, সমাজ আৰু তাইৰ জীৱনৰ লগতে ৰমেনৰ জীৱনৰ নিৰপত্তাৰ কথা, এটাৰ পিচত আন এটাকৈ। শেষত মাহেতীয়ে নিজৰ পৰম্পৰাগত হিন্দু ধৰ্ম এৰি খৃষ্টান ধৰ্ম গ্ৰহণ কৰাৰ সিদ্ধান্তকে ললে।

পিছদিনা ফাদাৰ পুনৰ মাহেতীৰ ঘৰলৈ আহিল তাইৰ সিদ্ধান্তৰ কথা সুধিবলৈ লগত আছিল আৰু দুজনী খৃষ্টিয়ান মহিলা তেওঁলোকো বড়ো সম্প্ৰদায়ৰ। বড়ো মহিলা দুজনীয়ে ও মাহেতীক ভাল বুজনিকে দিলে। সিহতো এদিন বৰ বিপদত পৰিছিল তাইৰ নিচিনাকৈয়ে। তেওঁলোকৰ ওচৰতে থকা বড়ো সমাজৰ ধনী মানুহ কেইঘৰৰ ঘৰে ঘৰে কাম বন কৰি ল'ৰা ছোৱালী কেইটা পুহিছিল। দিনে নিশাই কেৱল সিহঁতৰ কামহে কৰি দিব লাগে। কিন্তু ঘৰত যে বেমাৰী গিৰিয়েক আছে সেইজনলৈ কিবা অলপ টকা দি সহায় কৰিব লাগে, সেইটো হলে কোনো পধ্যেই নোসোধে। জানোছা টকা অলপ দিব লাগিব। বেমাৰী গিৰিয়েকক বেমাৰৰ বাবে ঔষধ পাতি কিনি দিবলৈ কোনো এটা পৰিয়ালেই সহায় নকৰিলে। শেষত এই মিছনেৰীৰ ওচৰ পাইহে মোৰ পৰিয়ালটো বাচিল। গতিকে এইটো তোমাৰ নিজা কথা জোৰ কৰি ধৰ্ম পৰিৱৰ্ত্তন কৰা নহয় বুলি ফাদাৰ টমৰ লগত অহা লক্ষী বড়োয়ো কলে। মাহেতীয়ে সকলো কথাৰ আগ পিচ চিন্তা কৰি খৃষ্টান ধৰ্মত দিক্ষিত হোৱাৰ সন্মতি প্ৰদান কৰিলে ফাদাৰ টমৰ

ওচৰত।

মাহেতীৰ সন্মতি সাপেক্ষে পিচদিনা ফাদাৰ টমে খৃষ্টান ধৰ্মৰ নিয়মানুযায়ী স্থানীয় এটা গীৰ্জাত মাহেতীক লৈ গৈ খৃষ্টান ধৰ্মলৈ ধৰ্মান্তৰণ কৰিলে। কিছুদিন যোৱাৰ পিছত মাহেতীক মিছনাৰী হাস্পাতাল এখনত আয়াৰ কামত নিযুক্তি দিলে ফাদাৰ টমে আৰু তাতেই ৰমেনকো ৰাখিলে।

ৰমেন দিনে দিনে ডাঙৰ হৈ আহিল। স্থানীয় ডনবস্কো স্কুলতে মাকে তাৰ নাম লিখি দিলে। ৰমেন সৰুৰে পৰা বেচ তজবজীয়া, পঢ়াশুনাতো চোকা বুদ্ধিৰ। দেখাতো সুশ্ৰী। বড়ো আৰু মণিপুৰীৰ ক্ৰচ সন্তান হোৱা বাবেই নেকি ৰমেনৰ চেহেৰাটো বৰ ধুনীয়া বৰ মৰম লগা বিধৰ, পঢ়া শুনাটো এবাৰ চালে দ্বিতীয়বাৰ চাব নেলাগে। প্ৰখৰ বুদ্ধিমত্তা। এটা সময়ত ডনবস্কোৰ পৰাই সুখ্যাতিৰে প্ৰৱেশিকা পৰীক্ষাটো পাচ কৰিলে সাধাৰণ গণিত আৰু উচ্চ গণিতত লেটাৰ মাৰ্ক লৈ।

সৰু কালিতেই ৰমেনে পিতৃৰ মৰমৰ পৰা বঞ্চিত হোৱাত তাৰ মনত দেউতাকৰ কেনে চেহেৰা আছিল ক'বকে নোৱাৰে। সৰুতে মাকক দেউতাকৰ কথা সুধিছিল যদিও কোনো দিনেই মাকে দেউতাকৰ বিষয়ে একো মন্তব্য দিয়া নাছিল। জীয়াই আছে নে মৃত্যু হৈছে তাকো ৰমেনক মাকে কোৱা নাছিল। মাকেই তাৰ সকলো। মাকে কোনো দিনাই দেউতাকৰ অভাৱ বোধ কৰিব পৰা বিধৰ কথা ৰমেনক কোৱা নাছিল আৰু ডাঙৰ হৈ বুজিব পৰা হোৱাৰ পিছত ৰমেনে কেতিয়াও মাকক দেউতাকৰ কথা সুধি বেজাৰ দিয়া নাছিল। এইদৰেই খৃষ্টিয়ান আদব কায়দাৰে ৰমেন আৰু মাহেতীৰ সংসাৰখন চলিবলৈ ধৰিলে। প্ৰৱেশিকা পাচ কৰি ৰমেনে কটন কলেজত নাম ভৰ্ত্তি কৰি বিজ্ঞানৰ ছাত্ৰ হল।

***

(৫)

গোবিন্দপুৰ গাঁৱৰ গৰ্গৰাম স্বৰ্গীয়াৰী অৱসৰপ্ৰাপ্ত শিক্ষক। শিক্ষক হিচাপে গৰ্গ স্বৰ্গীয়াৰীৰ অঞ্চলটোত এটা সুনাম আছে। সৰুকালত গৰ্গৰামো বৰ উৎপতীয়া বিধৰ ল'ৰা আছিল। মাক বাপেকৰ দ্বিতীয় ল'ৰা গৰ্গই বি.এ. পৰীক্ষাটো পাচ কৰি এদিনাখন গ'লগৈ সুদূৰ লখিমপুৰলৈ। লখিমপুৰত তেওঁৰ কলেজীয়া বন্ধু হৰীশ চৌধুৰীৰ ঘৰ। দুয়ো একেলগে গুৱাহাটীৰ কলেজ এখনত পঢ়িছিল সেই সূত্ৰেই সিহঁতৰ মাজত বন্ধুত্ব । পৰীক্ষাৰ ৰিজাল্ট পায়ে তেওঁ বন্ধু হৰীশৰ ঘৰলৈ যাত্ৰা কৰিছিল।

হৰীশ আৰু গৰ্গ নলে গলে লগা বন্ধু আছিল বাবেই চাহ বাগিছা এখনত চাকৰি দিয়াৰ আশা দি কিছুদিন লখিমপুৰতে গৰ্গৰামক হৰীশে ৰাখিলে। হৰীশৰ দেউতাক লখিমপুৰৰ আগশাৰীৰ ঠিকাদাৰ আৰু সমাজত তেওঁৰ এখন উচ্চ আসন আছে। তেওঁ যাকে কিবা এটা কথা কয় সন্মান দি শুনে আৰু কথাষাৰ ৰাখেও। চিকাৰীয়া চাহবাগানৰ মালিকৰ লগত হৰীশৰ দেউতাকৰ ভাল বন্ধুত্ব আছে। গৰ্গৰ বাবে হৰিশে দেউতাকক চিকাৰীয়া চাহ বাগানত এটা চাকৰি দিবলৈ খাতনি ধৰিলে। কিয়নো চাহবাগানখনত গৰ্গই চাকৰি পালে দুয়ো বন্ধুৱেই ওচৰা ওচৰিকৈ একে লগে থাকিব পাৰিব। কথামতেই কাম হ'ল আৰু গৰ্গ চিকাৰীয়া চাহবাগানৰ চাকৰিত সোমাল।

চিকাৰীয়া চাহ বাগানৰ বৰবাবু বিনয় হাজৰিকা। বিনয় হাজৰিকাৰ ছোৱালী মীনাক্ষি দশমান শ্ৰেণীৰ ছাত্ৰী। গৰ্গৰামক হাজৰিকা বাৰুৱে মীনাক্ষিক অলপ পঢ়াত চকু দিবলৈ খাতনি ধৰিলে। গৰ্গৰামেও এনেয়ে ঘৰতে সোমাই থকাতকৈ মীনাক্ষিক পঢ়ুৱাবলৈ লয়। চাহবাগানৰ চাকৰি, মুষ্টিমেয়া কেইঘৰমানহে জেনেৰেল কাষ্টৰ লোক আছে বাকী সৰহ ভাগে বাগানীয়া লেবাৰ। গতিকে কাৰ ঘৰলৈ বাৰু যাব গৰ্গ। গৰ্গই ভালেই পালে অন্ততঃ হাজৰিকা বাবুৰ ঘৰলৈ গৈ মীনাক্ষিক পঢ়াই দিয়াও হ'ল আৰু এঘৰ মানুহো পালে সময়বোৰ কটোৱাৰ।

উজনীৰ মানুহৰ মাত সাধাৰণতে নামনি অসমৰ লোকৰ বৰ মিঠা মিঠা লাগে। তাতে আকৌ ছোৱালীৰ মাত আৰু বেছি সুৱদী লাগে। মীনাক্ষিৰ মিঠা মাতত বান্ধ খাই পৰিল কামৰূপীয়া ডেকা গৰ্গৰাম স্বৰ্গীয়াৰী। মীনাক্ষিহঁতৰ আটায়ে গৰ্গক খুউব ভাল পাই সহজ সৰল স্বভাৱৰ বাবে। গৰ্গ পিন্ধন-উৰণতো চখিন নহয়, কথা বতৰাতো অজথা কথাৰ বকলা মেলি ফুৰা স্বভাৱৰ নহয়। সময়মতে আহে আৰু মীনাক্ষিক পঢ়াখিনি শিকাই দিয়ে। কমদিনৰ ভিতৰতে গৰ্গ বিনয় হাজৰিকাৰ অতি বিশ্বাসী হৈ পৰিল। কিন্তু মীনাক্ষিয়ে গৰ্গৰ স্বভাৱ চৰিত্ৰ দেখি আৰু সৎ প্ৰকৃতিৰ লোক বুলি চিনিব পাৰি তেওঁকেই জীৱনৰ লগৰীয়া কৰি লোৱাৰ সপোন দেখিলে। মাজে সময়ে গৰ্গ ছাৰক মীনাক্ষিয়ে নানান কথাৰে ব্যতিব্যস্ত কৰি তোলে আৰু কথাৰ মহলাৰে সময়বোৰ কটোৱাৰ পাঙ পাতি দুই এটা কথাৰে কটাক্ষয়ো মাৰে গৰ্গৰ পঢ়োৱা পদ্ধতি ভাল যদিও মীনাক্ষিয়ে পঢ়াৰ পৰিৱৰ্ত্তে গৰ্গৰ লগত মেল মাৰিহে ভাল পোৱা হ'ল আৰু সেইদৰে সময়বোৰ কটাবলৈ ধৰিলে। মীনাক্ষিয়ে প্ৰৱেশিকা পৰীক্ষাটো দিলে সঁচা কিন্তু পাচ কৰিব নোৱাৰিলে।

এইদৰে সময়বোৰ বাগৰি থাকোতে থাকোতে গৰ্গ আৰু মীনাক্ষি প্ৰেম বন্ধনত জাহ গ'ল। মীনাক্ষিয়ে গৰ্গক স্বামীৰূপে পোৱাৰ প্ৰস্তাব দিলে। গৰ্গই মীনাক্ষিৰ সেই প্ৰস্তাৱক সঁহাৰি দিবলৈ টান পালে। গৰ্গই সদায় নিজৰ আত্মসন্মানৰ কথা চিন্তা কৰিছিল। যদি মীনাক্ষিক গৰ্গই পলুৱাই লৈ যায় ই হ'ব গৰ্গৰ জীৱনৰ এক চৰম কলংক স্বৰূপ। গৰ্গক চাকৰিটোও দিছে হীশৰ দেউতাকে। তেখেতৰ যিহেতু সমাজত সুনাম আছে সেইজন লোকৰ চুপাৰিশতে বাগানৰ চাকৰিটো লাভ কৰিছে গৰ্গই। সেইবোৰ কথাৰ প্ৰতি আওকাণ কৰি ছোৱালী পলুৱাই নিয়া কাৰ্য্য গৰ্গই কেতিয়াও কৰিব নোৱাৰে। গৰ্গৰ বিবেক আ আত্মসন্মানক আঘাত দি কেতিয়াও মীনাক্ষিক পত্নী হিচাপে

ল'ৰ নোৱাৰে। মীনাক্ষিক গৰ্গই ভাল পাই সঁচা সেই বুলি যিখন পাততে খাইছে আৰু সেই খন পাততে গৰ্গই বিন্ধা কৰিব নোৱাৰে। ই গৰ্গৰ আদৰ্শ নহয়। নিজৰ স্বাৰ্থ সিদ্ধিৰ বাবে কোনো দিনেই তেওঁ তেনে অপযশ প্ৰাপ্ত কৰ্ম কৰা নাই আৰু নকৰেও। কিন্তু মীনাক্ষি বৰ একা চেকা যিটো কৰিম বুলি ভাৱে সেইটো কৰিহে এৰিব। গৰ্গৰাম বৰ বিপাঙত পৰিল মীনাক্ষিৰ বাবে।

গৰ্গঁই কয় - শুনা মীনাক্ষি তোমাৰ আৰু মোৰ জাতপাত নিমিলে। তুমি মোৰ লগত বিবাহ পাশত আৱদ্ধ হ'লে বৰ কষ্ট পাবা। তুমিতো নেজানা আমাৰ গাৱঁৰ অৱস্থাৰ কথা। তুমি যি পৰিৱেশত জন্ম লভিছা সেয়া আমাৰ সমাজত নাই। মদ গাহৰিৰ লেতেৰা পৰিবেশে তোমাক বৰ আমনি দিব। পিচত তুমি মনত কষ্ট লভিবা। তুমি নেভাবিবা যে মই তোমাক ভাল নেপাওঁ। ভাল পাওঁ এজনী মোৰ তাতি মৰমৰ ছাত্ৰী হিচাপে। শিক্ষকে জানো ছাত্ৰীক বিয়া কৰাব পায়। এইটোও ঠিক তোমাক ভাল পাওঁ মানেই যে মই বিয়া কৰাৰ লাগিব ই কৰবাত লিখা আছে নেকি? ভালপোৱা এক স্বৰ্গীয় অৱদান বুলি কৈ গৈছে পণ্ডিত সকলে। মযো ভাবো তাকেই। তোমাক মই প্ৰাণভৰি ভাল পাওঁ এজনী মৰমৰ ছাত্ৰী হিচাপে। বিয়া কৰোৱাৰ মনেৰে তোমাক মই কেতিয়াও চোৱা নাই। গতিকে তুমি এই বিয়াৰ চিন্তাৰ পৰা আঁতৰি যোৱা।

গৰ্গৰাম স্বৰ্গীয়াৰীৰ কথাখিনি শুনি মীনাক্ষয়ে কান্দি দিছিল সিদিনা প্ৰথম প্ৰেমৰ প্ৰত্যাখানৰ বাবে। মীনাক্ষিয়ে কোনো দিনেই কাৰো ওচৰত প্ৰেম নিবেদন কৰি পোৱা নাছিল। কোৱাৰ্টাৰৰ চাৰি বেৰৰ মাজত চাহগছৰ শ্যামলী সৌন্দৰ্য্যৰ মাজত থাকিয়ে মীনাক্ষিয়ে ভাল পাইছিল। কিন্তু গৰ্গ ছাৰ অহাৰ পৰা মীনাক্ষিৰ মনত এক নবীন অনুভূতিৰ সঞ্চাৰণ ঘটে প্ৰণয়ৰ। গৰ্গৰ প্ৰতি মীনাক্ষিৰ প্ৰেমানুভূতি জাগিল আৰু সেই বাবেই মীনাক্ষিয়ে গৰ্গ ছাৰৰ প্ৰতি দুৰ্বলতা প্ৰকাশ কৰি প্ৰস্তাৱ দিছিল বিয়া কৰোৱাৰ। কিন্তু গৰ্গই মীনাক্ষিৰ প্ৰেমক প্ৰত্যাখান কৰি তাইক বুজাইছিল।

গৰ্গৰ তেনে কথা শুনি মীনাক্ষিয়ে ভাবিছিল কি কঠোৰ স্বভাৱৰ এই গৰ্গৰাম বোলা ল'ৰাজন। আজিৰ যুগতো এনে লোক আছে বুলি ভাবিবই পৰা নাছিল মীনাক্ষিয়ে। ইমান চৰিত্ৰৱান আগ পাচ চিন্তা কৰা বিধৰ লোক তেওঁ। কিমান ডেকা ল'ৰাই ছোৱালীৰ পিচে পিচে ঘূৰি ফুৰে ছোৱালীৰ সান্নিধ্য লাভ কৰিবলৈ। কিন্তু গৰ্গৰাম এক বিশেষ ব্যতিক্ৰম। মীনাক্ষিয়ে এনে চৰিত্ৰৱান লোকক পতি হিচাপে পালেই সুখী হ'ব বুলি ভাবিলে আৰু তেওঁকেই স্বামী হিচাপে পাৱলৈ দৃঢ় সংক্ৰাবদ্ধ হ'ল। গৰ্গৰামে কোৱা বড়ো সমাজৰ কথা পাহৰি গ'ল। জাতপাতৰ কথাই তাইক তলাব নোৱাৰিলে। সেইখন সমাজত থাকিয়ে সংসাৰ পাতিব বুলি বদ্ধপৰিকৰ। যদি গণৰামে মীনাক্ষিক জীৱনসঙ্গিনী কৰি নলয় মীনাক্ষিয়ে আত্মহত্যা কৰিব বুলিয়ে ভাবুকি দিলে। মীনাক্ষিৰ পাণি গ্ৰহণৰ এনে কঠোৰ প্ৰস্তাৱত গৰ্গৰাম বিমোৰত পৰিল আৰু মীনাক্ষিৰ পাণি গ্ৰহণ কৰিবলৈ এটা সময়ত বাধ্য হ'ল।

হৰীশৰ দেউতাক বিমল চৌধুৰীক গৰ্গই দেউতা বুলিয়ে মাতিছিল। অভিভাৱকৰ দৰে গৰ্গই সকলো কথা ভাঙি পাতি ক'লে বিমল চৌধুৰীক।

বিমল চৌধুৰীয়ো সৰুৰে পৰাই জাতপাত বিৰোধী প্ৰকৃতিৰ আছিল। গৰ্গৰ কথাবোৰ শুনি মনত পৰিল তেওঁৰ পুৰণি গাওঁখনৰ কথা। হৰিচৰণ শৰ্মাৰ ঘৰত ভাত খোৱা কথা। ধৰ্মেশ্বৰৰ বিয়াৰ কথা। চন্দ্ৰ কুমাৰৰ বিধৱা বিবাহৰ কথা আৰু বহুতো সংস্কাৰমূলক কাহিনীৰ কথা যিবোৰৰ এটা সময়ত তেওঁ নেতৃত্ব লৈ সমাধান কৰি দিছিল।

ধৰ্মেশ্বৰ বিমল চৌধুৰীৰ একে লগৰ। একে গাঁৱৰে। একে লগে পঢ়া শুনা কৰা বন্ধু। এটা সময়ত বিমলে নিজৰ গাওঁখনক বৰ ভাল পাইছিল। গাওঁখনৰ উন্নয়নৰ বাবে বহু কামত আগভাগ লৈছিল। বাল্যকালৰে পৰা

বিমলে আনৰ উপকাৰ কৰিয়ে ভাল পাইছিল। পঢ়ি থকা কালত বিমলে স্কুলৰ পৰা কলেজ লাইফলৈকে স্কুলৰ ইউনিয়ন চেক্ৰেটাৰী আৰু কলেজৰ জেনেৰেল চেক্ৰেটাৰী হৈ নেতাগিৰিৰে ভাল কাম কৰিছিল। সৎ কথাত মাত মাতিবলৈ কোনো দিনেই বিমল পিচ হুহুকি অহা বিধৰ ল'ৰা নাছিল। সদায় ধনী শ্ৰেণীৰ শোষণৰ বিৰুদ্ধে মাত মাতি বিপ্লৱ কৰিবলৈ ডেকাচামক উদগণি দিছিল। গাওঁখনৰ মানুহ বিলাকৰ কথা ওচৰতে থকা নৈখনৰ কথা। নদীৰ পাৰতে থকা ঝাউ গছবোৰ গোটা গোটা পাতবোৰৰ কথা, ব্ৰহ্মপুত্ৰৰ পৰা ফাটি অহা সুঁতিটোৰ কথা আৰু সেই সুঁতিটোতে লগৰীয়া সকলৰ লগত আনন্দ মনে গাধোৱা সেই বাল্যকালৰ কথা। সেই সুঁতিটোৰ বুকুৰ মাজতে বিৰাজি আছিল দুৰ্গেশ্বৰী মহামায়াৰ থান ঠিক উমানন্দৰ লেখিয়াকৈ সৰু দ্বীপ এটিৰ দৰে। দুৰ্গেশ্বৰী সুঁতিটোৰ নামেৰেই এই থানখনৰ নাম হৈছিল দুৰ্গেশ্বৰী থান। গাওঁখনৰেই নহয় সেই অঞ্চলৰ মানুহৰ এই থানখনৰ প্ৰতি অগাধ বিশ্বাস আছে। বুঢ়া মেঠাসকলৰ মুখৰ পৰা থানখনৰ উৎপত্তিৰো এক জনশ্ৰুতি শুনিছিল বিমলে।

এদিনাখন কেইজনমান গৰখীয়াই দুৰ্গেশ্বৰী থানখনৰ ওচৰতে থকা চৰণীয়া পথাৰখনত গৰু এৰাল দি খেলি আছিল। দিনৰ দিনটো গৰখীয়া সকলে গৰু চাৰি সন্ধিয়া পৰত গৰু বিলাক ঘৰলৈ বুলি খেদি আনিব বিচাৰোতেই এজন গৰখীয়াৰ এজনী খিৰতি গাই নোহোৱা হ'ল। তেওঁলোকৰ চিন্তা লাগিল আৰু গাইজনী বিচাৰি পথাৰখন চলাথ কৰিলে। সন্ধিয়া লগা বাবে সিদিনা গৰখীয়া কেইজনে বাকী গৰু বিলাক খেদি গাৱঁৰ ঘৰলৈ লৈ আহিছিল। গৰু চাৰি আহোতে সিদিনা সিহঁতে আলোচনা কৰিলে যে- কৃষ্ণ ভগৱান যিহেতু গৰখীয়াৰ বন্ধু গতিকে তেওঁৰ নামত সেই পথাৰৰ মাজত থকা আহঁত গছজোপাৰ তলত তেওঁলোকে কাইলৈ দিনত খাবলৈ লৈ যোৱা ভীম কল আৰু কোমল চাউলৰ দ্বাৰা ভগৱানলৈ বুলি এখন নৈবদ্য আগবঢ়াব। যদি কৃষ্ণ সঁচাকৈয়ে গৰখীয়াৰ বন্ধু তেতিয়া হ'লে গাইজনী পাব। কথামতেই কাম। অইন দিনাৰ দৰে গৰু চাৰিবলৈ গৈ আগদিনা আলোচনা কৰা কথা মতে গৰখীয়া কেইজনে গছজোপাৰ তলখিনি কোৰখনেৰে চিকুণাই থাকোতেই শিল এচটা পালে মাটিৰ তলত। সেই শিল চটা পোৱাত আটাই কেইজনেই তেওঁলোকৰ খাবলৈ নিয়া কোমল চাউল আৰু ভীমকল কেইটা ভগৱানৰ নামত অৰ্পণ কৰিলে। আৰু কৃষ্ণ কৃষ্ণ বুলি নাম গাবলৈ ধৰিলে। ভগৱান ভক্ত গৰখীয়া কেইজনৰ প্ৰাৰ্থনাত ভগৱান কৃষ্ণ সন্তুষ্ট হ'ল আৰু গাইজনী কোনোবা ফালৰ পৰা আহি আঁহত গছ জোপাৰ গুৰিত নিজৰ স্তনযুগলেৰে দুগ্ধ বৰ্ষিণ কৰিলে। তেওঁলোকৰ মনত আনন্দই নধৰা হ'ল। তেতিয়াৰ পৰাই সেই দুৰ্গেশ্বৰী থানখনৰ জন্ম হয় বুলি মানুহৰ মুখে শুনিছিল। অৱশ্যে আজিও সেই থানখনৰ প্ৰতি জনবিশ্বাস নোহোৱা হোৱা নাই।

বিমলৰ পুৰণি ঘৰ বামুণবড়ী গাৱঁত। এই বামুণবড়ী গাওঁখনৰ এক ঐতিহাসিক পৰম্পৰা আছে। ব্ৰহ্মপুত্ৰৰ পাৰত অৱস্থিত এই ৰামুণবড়ী গাওঁখনৰ দুয়ো কাষে দুখন পাহাৰ থিয় হৈ আছে। এই পাহাৰৰ বুকুতেই কেইবাটাও পুৰণি মঠ মন্দিৰো আছে। এই গাওঁখনৰ প্ৰাকৃতিক সৌন্দৰ্য্য যিদৰে মনোমোহা ইয়াৰ মানুহৰ সমাজ ব্যৱস্থাটোও বৰ কটকটীয়া। অসমৰ ভিতৰতে মাছ পুঠি শস্য মৎস্য আৰু গাখীৰ পানীৰো উভৈনদী আছিল। মহৰ গাখীৰৰ নাম ওলালেই বামুণবড়ী গাৱঁৰ কথা বিমলৰ মুখত ওলাবই। কিন্তু বিমলৰ সৰুৰে পৰা এটাই খং আছিল গাওঁখনত বৰমুৰীয়া কেইজনমানৰ কুশাসন আৰু দুখীয়া লোকৰ ওপৰত কৰা অবিবেচনাৰ কৰ্মবোৰ দেখি। গাওঁখনৰ নেতৃত্ব লৈছিল উচ্চবৰ্ণৰ সম্প্ৰদায়ৰ মানুহখিনিয়ে। তেওঁলোকে নিম্ন জাতৰ লোকক সদায় ভৰিৰ তলত ৰাখিব বিচাৰিছিল।

প্ৰাথমিক বিদ্যালয়ত পঢ়ি থাকোতেই তেওঁৰ মনত আছে এদিন হৰিচৰণ শৰ্মাৰ ঘৰত শৰ্মাৰ মাকৰ শ্ৰাদ্ধত বিমলে দেউতাকৰ সৈতে সকাম খাবলৈ যোৱা কথা। শূদ্ৰখিনিক চোতালতে পাত পাৰি ভাত খাবলৈ দিছিল। বিমলেও দেউতাকৰ সৈতে ৰাইজৰ লগত একেলগে ভাত খাবলৈ বহিছিল আৰু খোৱা হোৱাৰ পিচত প্ৰত্যেকেই নিজৰ নিজৰ পাতবোৰ নি পেলাব লাগিছিল। বিমলৰ আত্ম সন্মানত আঘাত লাগিল আৰু ভাবিলে - ভাত খাবলৈ আহি লোকৰ ঘৰত চুৱা পাত কিয় পেলাব? এনে কথা জনা হলে বিমলে কেতিয়াও এনেকুৱা বিচাৰধাৰাৰ মানুহৰ ঘৰত ভাত খাবলৈকে নাহিলেহেঁতেন। আনকি দেউতাককো আহিবলৈ নিদিলেহেঁতেন। সকলোৱে নিজৰ নিজৰ খোৱা পাতখন লৈ যোৱা দেখি বিমলৰ দেউতাকেও নিজৰ খোৱা চুৱা পাতখন ল'ব বিচৰাত দেউতাকক কৈছিল

দেউতা চুৰাপাত নলবা। চকু দুটা ক্ৰোধত বিমলৰ ৰঙা পৰি গৈছিল আৰু বিমলৰ এনেহে লাগিছিল যেন সেই ঠাইতেই বিমলে বমি কৰি ভাতকেইটা উলিয়াই দি ঘৰলৈ উভতি আহিব। বিমলৰ কথা শুনি তেতিয়া দেউতাকে কৈছিল

: নহয়ো বিমল আমাৰ সমাজত ব্ৰাহ্মণৰ ঘৰত শুদ্ৰই ভাত খালে পাত পেলাব লাগে। তেওঁলোক আমাৰ গুৰু উচ্চ জাতিৰ। ই প্ৰচলিত নিয়ম। আমি কলিতা সম্প্ৰদায়ৰ লোক হলেও মানে আমি সজাতি।

: বাদ দিয়া দেউতা সেইবোৰ নিয়ম। আজিৰ যুগত সেইবোৰ নিয়ম নচলে। কিহৰ বাৰু সিহঁত উচ্চ জাতিৰ আৰু আমি কিহৰ সৰু।

সেই সৰু কালিৰে পৰা বিমলে জাতি প্ৰথাৰ বিৰোধিতা কৰিছিল। ধৰ্মেশ্বৰৰ বিয়া পাতি দিয়াতো বিমলেই আগভাগ লৈছিল। তেতিয়া বিমলে বি.এ. টো পাচ কৰিছেহে মাথোন। ধৰ্মেশ্বৰে গাওঁখনৰে শ্ৰীকান্ত শৰ্মাৰ ছোৱালী ৰীণাক ভাল পাইছিল। গাঁৱৰ সমাজখনৰ বাবে, ধৰ্মেশ্বৰ কলিতা সম্প্ৰদায়ৰ লোক হৈ বামুণৰ ছোৱালীক ভাল পোৱাতো হৈ পৰিল এক জঘন্য অপৰাধ। এটা সময়ত ধৰ্মেশ্বৰক গোটেই গাঁৱৰ পঞ্চায়তে নিৰ্বাসন দিয়াৰ সিদ্ধান্তকে ল'ব বিচাৰিছিল। তাৰ একমাত্ৰ অপৰাধ হ'ল গুৰুজনাৰ ছোৱালীক বিয়া কৰাৰ খোজাতো। ধৰ্মেশ্বৰৰ একপক্ষীয় প্ৰেম নাছিল। ৰীণায়ো ধৰ্মেশ্বৰক মনে প্ৰাণে ভাল পাইছিল। বামুণবড়ী গাঁৱৰ পঞ্চায়ত ব্যৱস্থা বৰ কটকটীয়া থকা বাবে কোনোৱেঁই ইয়াৰ বিপৰীতে খোজ দিব নোৱাৰিছিল। কোনোৱেই পঞ্চায়তৰ বিৰোধিতা কৰিব নোৱাৰে। কোনোবাই এই পঞ্চায়তৰ বিৰুদ্ধে মাত মতা মানে তাৰ ঘোৰ বিপদ,গাওঁখনৰ মানুহ উঠি গৈ অত্যাচাৰ কৰিব। বিমল আৰু ধৰ্মেশ্বৰ অন্তৰঙ্গ বন্ধু। বিমলে তেওঁৰ বন্ধুবৰ্গৰ লগত কথা পাতিলে যে এনে জাতপাতৰ পৰম্পৰা কুৰি শতিকাৰ যুগত বন্ধ কৰিব লাগে। আমি যুৱ সমাজে ইয়াৰ বিৰোধিতা কৰা উচিত।

ধৰ্মেশ্বৰ ৰীণাৰ প্ৰণয়ক লৈ গাওঁখনত হৈ চৈ লাগিল আৰু বামুণবড়ী গাঁৱৰ পঞ্চায়তৰ সাধাৰণ সভা আহ্বান কৰা হ'ল। পঞ্চায়ত বহিল আৰু সকলোৱে মন্তব্য ৰাখিলে যে এই বিয়া হ'ব নোৱাৰে। বিমলৰ বন্ধু সকলো পঞ্চায়তৰ এই ৰায়ত মনে মনে থাকিল। কিন্তু বিপ্লৱী বিমল ৰৈ থাকিব নোৱাৰিলে। লাহেকৈ উঠি মাত লগালে আৰু পঞ্চায়তৰ এনে ৰায়ৰ প্ৰথম বিৰোধিতা কৰি বক্তব্য ডাঙি ধৰিলে। তেতিয়া আমাৰ দেশখনত জৰুৰীকালীন অৱস্থা চলি আছিল আৰু সমগ্ৰ দেশজুৰি ৰাজনৈতিক অস্থিৰতাই বিৰাজ কৰি আছিল। তেতিয়াৰ চৰকাৰে অসবৰ্ণ বিয়া পাতিলে পুৰস্কাৰহে দিয়াৰ কথা ঘোষণা কৰিছিল। বিমলে কৈছিল এনে অৱস্থাত যদি পঞ্চায়তে ধৰ্মেশ্বৰ ৰীণাৰ বিয়াৰ বিৰোধিতা কৰি তেওঁলোকক গাঁৱৰ পৰা নিৰ্বাসিত কৰে তেতিয়া হ'লে গাওঁখনলৈ ঘোৰ বিপদ মাতি অনা হ'ব। গতিকে গাওঁখনলৈ অনাহকতে বিপদ মাতি ননাই ভাল। সেইদিনা বিমলৰ বক্তব্য শুনি গাঁৱলীয়া হোজা খেতিয়কখিনি জকজকাই উঠি বিমলক ডাঙৰ মেলকি ওলাইছে বুলি তীৰস্কাৰ কৰিছিল। কিন্তু পঞ্চায়তৰ সভাপতি গৰাকী গাওঁখনৰ সকলোৰে ভিতৰতে অতি বুদ্ধিমান, মান্যবৰ আৰু প্ৰভূৎপন্নমতি ব্যক্তি হোৱা বাবে তৎক্ষণাৎ এই ৰায় উঠাই ললে আৰু ধৰ্মেশ্বৰ ৰীণাৰ বিয়া কৰিব নোৱাৰাৰ কোনো সিদ্ধান্ত নিদিলে। সিদিনালৈ সভা ভঙ্গ দিছিল সভাপতিয়ে। পিচদিনা বিমল আৰু তেওঁৰ লগৰীয়া উদীয়মান যুৱক সকলে মিলি সিহঁতৰ বিয়া পাতি দিলে আৰু বিয়াৰ আনন্দৰ ঢোল বজালে স্বয়ং বিমলে নিজেই। বিমলৰ সেই পুৰণি কালৰ ঘটনাবোৰ এটাৰ পিচত এটা মনলৈ আহি থাকিল ঠিক চিনেমাৰ ৰিলৰ দৰে।

আন এটা ঘটনা আকৌ বিমলৰ মনলৈ আহিল। চন্দ্ৰকান্তৰ বিয়াৰ কথা। চন্দ্ৰকান্তয়ো নন্দিতাক ভাল পায়। কঁয়াকুছি গাওঁখন বামুণবড়ী গাওঁখনৰ ওচৰতে। চন্দ্ৰকান্তও বিমলৰ স্কুলীয়া সহপাঠী আছিল। বিমলে একে গাৱঁৰে নন্দিতাহঁতৰ ঘৰলৈ সময়ে সময়ে যায়। নন্দিতা ঘৰখনৰ ডাঙৰ ছোৱালী। নন্দিতাৰ বাপেক আছিল লতৰীয়া ৰিজাৰ্ভৰ মহৰ গুৱাল। নিজৰ কেইবাটাও মহ আছে। তেওঁৰ কাষতে একে লগে বামুণবড়ী গাৱঁৰ হৰবিলাশৰো মহৰ খুটি। দুয়ো অন্তৰঙ্গ বন্ধু। এদিনাখন মহৰ খুটিত হোকা হুপি হুপি নন্দিতাৰ বাপেক নন্দ কলিতাই বন্ধু হৰবিলাশক

তেওঁৰ ল'ৰা ৰবীনৰ লগত নন্দিতাৰ বিয়া পাতি সিহঁতৰ বন্ধুত্বৰ এনাজৰিডাল মজবুট কৰাৰ কথা কলে হৰবিলাশেও হ'ব বুলি কলে। ৰবীনৰ বয়স আছিল তেতিয়া চৈধ্য আৰু নন্দিতাৰ বয়স হ'ল মাত্ৰ আঠ বছৰ। কম বয়সতে নন্দিতা আৰু ৰবীনৰ বিবাহ হৈ গৈছিল। বিবাহ পাতি দিলেও নন্দিতা যিহেতু গাভৰু হোৱা নাছিল তেতিয়া মাকৰ ঘৰতে আছিল। এদিনাখন শৌচ বমি কৰি ৰবিনৰ মৃত্যু হ'ল, নন্দিতাইয়ো গিৰিয়েক মানে কি, ঘৰসংসাৰ মানে কি আৰু বিধবা মানে কি একো বুজি পোৱা নাছিল। নন্দিতাই অকালতে বিধৱাৰ সাজ পিন্ধিব লগাত পৰিল। নন্দিতা বিধৱা হোৱাৰ দুখতে আৰু ইয়াৰ বাবে যে বাপেক নন্দই জগৰীয়া আছিল তাকে ভাবি ভাবিয়ে নন্দই সিপুৰী পালেগৈ।

নন্দিতা ডাঙৰ হৈ আহিল আৰু কথা বিলাকো বুজা হ'ল। কিন্তু গাৱঁৰ তিৰোতাবিলাকে তাইক উপলুঙা কৰি কথাবোৰ কয়। তাই কথাবিলাকৰ গুৰি একো ধৰিব নোৱাৰে। মাকে কোৱাতহে তাই বুজি পালে বাল্যকালতে বিয়া পাতি দিয়াৰ কথা আৰু তাই বিধৱা হোৱাৰ কথা। তাইৰো মনটোত বিদ্ৰোহ জাগি উঠিল সমাজখনৰ প্ৰতি। তাই মনদি পঢ়া শুনাত লাগিল। ভালদৰে পঢ়ি শুনি তাই সমাজৰ এনে কুন্ধচ নীতিবোৰ দূৰ কৰিবলৈ আগবাঢ়ি যাব, তাকে ঠিৰাং কৰিলে। যিমানে তাই ডাঙৰ হৈ আহিল সিমানেই তাই লোকৰ কটু কথাৰ বলি হ'ব লগা হৈছিল। সমাজখনত মুক্তভাৱে হাঁহি ধেমালি কৰি কাৰো লগত এষাৰ কথাও পাতিব নোৱাৰে,সমাজৰ মানুহৰ চকুত তাই যে বিধৱা কুলক্ষিনী । চন্দ্ৰকান্ত নন্দিতাহঁতৰ ঘৰলৈ যাবলৈ ধৰাত কঁয়াকুছি গাওঁখনত হাহাকাৰ লাগি পৰিল যে চন্দ্ৰকান্তই বিধৱা বিবাহ কৰিব খুজিছে। চন্দ্ৰকান্তৰ মাকো পুৰণি বিচাৰধাৰাৰ মানুহ। চন্দ্ৰকান্তৰ বাপেক নাই ভায়েক মধু আৰু বুঢ়ীমাকজনীৰে সৰু সংসাৰখন। চন্দ্ৰকান্ত বন্ধু বিমলৰ কাষ চাপি সকলো বিৱৰি কলে। কঁয়াকুছি গাৱঁৰ ৰাইজৰ চিন্তাধাৰাৰ বিৰোধিতা কৰি চন্দ্ৰকান্তৰ মাকক বুজনি দি কৈছিল বিমলে
: খুৰী, নন্দিতা যদি তোমাৰেই ছোৱালী হ'লহেঁতেন আৰু তাই যদি তোমাৰ ঘৰতে এনেদৰে পৰিত্যক্ত হৈ থাকিব লগা হ'লহেঁতেন, তেতিয়া তেমাৰ কেনে লাগিলহেঁতেন বাৰু? তাইতো পতি বুলি কোনো দিনেই ৰবীনৰ কাষত এদিনো শুৱলৈ যোৱা নাছিল। বিয়া মানেই তাই একো জনা নাছিল। কেৱল ৰবিনৰ মৃত্যুৰ দিনা বগা সাজখিনিহে পিন্ধাই দিবলৈ ৰবীনৰ ঘৰখনলৈ লৈ গৈছিল মানুহজাকে৷ এইটো ঘোৰ অন্যায় হোৱা নাই জানো? গতিকে খুৰী আমি সকলোৱে চিন্তা কৰিব লাগে নিজৰ গাত চিকুটি চাইহে। তুমি কেৱল আমাৰ বিৰোধিতা নকৰিবা মই সকলো ঠিক কৰিম । কাৰণ চন্দ্ৰকান্তৰ মাক যিহেতু তুমি এই কথাৰ বিৰোধিতা কৰিলে আমাৰ অসুবিধা হ'ব। তুমি মোৰ বোধেৰে গৰ্বহে কৰিব লাগে যে তোমাৰ নিচিনা ঘৰত এজন বিপ্লৱী সংস্কাৰমুখী ল'ৰাৰ জন্ম হৈছে। এটা কথা ঠিক ঘৰ এখনৰ যদি সকলো একগোট হৈ থাকে তেতিয়া কোনোৱেঁই বলে নোৱাৰে। ঘৰৰ ভিতৰতে যদি এটা শত্ৰুও থাকে তেতিয়া হ'লে কোনোলোকে কৃতকাৰ্য লাভ কৰিব নোৱাৰে। গতিকে তুমি মনে মনে থাকিবা। কিয় ধৰ্মেশ্বৰৰ বিয়াখন জানো আমি পাতি দিয়া নাই? সিহঁত জানো সুখে সন্তোষে থকা নাই? নন্দিতাক বিয়া কৰাই চন্দ্ৰকান্ত সুখী হ'ব পাৰিব। কেৱল তোমাৰ আশীৰ্বাদহে লাগে। তোমাৰ বয়সো হৈ আহিছে যেতিয়া তুমি নিজৰ ল'ৰাৰ সুখহে কামনা কৰা উচিত।

এটা সময়ত বিমলে চন্দ্ৰকান্ত নন্দিতাৰো বিয়াখন পাতি দিছিল। বহু বিৰোধৰ মাজতে। তাৰ বাবে বিমলে বহু কথাই শুনিবলৈ বাধ্য হৈছিল সেই অঞ্চলৰ ৰাইজৰ।

সৰু কালিৰে পৰাই বিমলে কেৱল সংস্কাৰৰ প্ৰতি লক্ষ্য ৰাখিয়েই কামবোৰ কৰিছিল। কিন্তু তেওঁ নিজে কেতিয়াও এপদো আন্যায় অবিচাৰৰ লেখীয়া কামত হাত দিয়া নাছিল। এতিয়া বিমলৰ বয়স হৈছে। তথাপিও বিমলৰ বিচাৰধাৰাৰ পৰিৱৰ্ত্তন হোৱা নাই। মনৰ উদ্যম মাৰ যোৱা নাই। সংস্কাৰধৰ্মী কথাত আজিও আগৰণুৱা।

সেইবুলি কোনো কাৰণতেই কাকো অন্যায় ভাবে অহিতকৰ কথাত উচতনিও নিদিয়ে বিমলে। আনক সহায়

কৰিলেও নিজে কোনো দিনেই মাক দেউতাৰ অবাধ্য হৈ মাক দেউতাকৰ অন্তৰত দুখ দিয়া নাই। দুখ নিদিয়াকৈয়ে কামবোৰ কৰিছিল। নিজৰ বিয়াখনো মাক দেউতাকে পছন্দ কৰি দিয়া ছোৱালীৰ লগতে হৈছিল। নিজৰ ল'ৰা ছোৱালীকো বংশ মৰ্যাদা আৰু পিতৃমাতৃৰ সন্মান ৰাখি তেওঁলোকৰ অন্তৰত আঘাত নিদিয়াকৈ কামবোৰ কৰিবলৈকে শিকাইছিল। সকলো কথা মুকলি মুৰীয়াকৈ পতাৰহে আগ্ৰহ কৰিছিল।

বিমলে গৰ্গক সাহস দিলে বিয়া পাতি দিয়াৰ। বিমল চৌধুৰী গৈ বিনয় হাজৰিকাক লগ ধৰিলে আৰু তেওঁৰ জীয়ৰী মীনাক্ষি আৰু গৰ্গৰ বিয়াৰ প্ৰস্তাৱ দিলে। প্ৰথম অৱস্থাত বিনয় বাবুৱে সন্মতি দিয়া নাছিল। হৰীশৰ দেউতাক বিমল চৌধুৰীয়ে অসবৰ্ণ বিবাহৰ পোষকতা কৰি দুখন হিয়াৰ মৰমক অৱহেলা কৰাৰ কাৰো অধিকাৰ নাই বুলি কলে। আজিকালিৰ জাতপাতৰ কঠোৰ নিয়মৰ প্ৰাচীৰ ভাঙি নতুন সমন্বয়ৰ সমাজ গঢ়াত সহায় হ'ব বুলি এই কাৰ্য্যত আগবাঢ়িবলৈ কলে তেওঁ বিনয় হাজৰিকাক।

বিমল চৌধুৰীয়ে হাজৰিকাক কলে যে-অসবৰ্ণ বিবাহৰ দ্বাৰাহে আমাৰ সমাজৰ অনৈক্যতাখিনি নাইকিয়া কৰিব পৰা হ'ব। এই বৰ্ণ বৈষম্য দূৰ হ'লে আমাৰ মাজত গঢ়ি উঠা সম্প্ৰদায়ৰ বিৰোধ আৰু মনোমালিন্যবোৰ আঁতৰি যাব। এনে মনোভাৱৰ বাবেই অসমখন ভাগি ভাগি সাত ভাগ হৈ সাতখন ৰাজ্যত পৰিণত হ'ল গৈ। এতিয়াও বড়ো, কছাৰী,কাৰ্বি, লালুং, ৰাভা সকলো সম্প্ৰদায়েই নিজ নিজ অস্তিত্বৰ বাবে সংগ্ৰাম কৰিব ধৰিছে। গতিকে আমি যদি আমাৰ সমাজখনত ইটো সম্প্ৰদায়ৰ লোকে সিটো সম্প্ৰদায়ৰ ছোৱালী বিয়া কৰাই সম্পৰ্ক স্থাপন কৰো তেতিয়া হ'লে সমাজখন ভাল হ'ব। বৈবাহিক সম্পৰ্কৰ দ্বাৰাইহে বৃহৎ অসমীয়া জাতি গঠনত সহায়ক হ'ব গৈ। গতিকে এই  বিয়া পাতি দিয়া উচিত।

বিমল চৌধুৰীৰ কথাত বিনয় হাজৰিকা মান্তি হ'ল । অৱশেষত মীনাক্ষি আৰু গৰ্গ স্বগীয়াৰীৰ আনুষ্ঠানিক বিয়াখন অনষ্ঠিত হৈ গ'ল। ইয়াৰ আগভাগ ললে বিমল চৌধুৰীয়ে।

বিমল চৌধুৰীয়ে এটা সময়ত নিজৰ মৰমৰ গাওঁখন এৰি লখিমপুৰতে স্থায়ী ভাৱে থাকিবলৈ ললে নিজৰ জীৱিকাৰ বাবে আৰু এতিয়া বিমল চৌধুৰীক কোনেও নামনি অসমৰ বামুণবড়ী গাৱঁৰ মানুহ বুলি নেভাবে। বিমল চৌধুৰী লখিমপুৰৰ আগশাৰীৰ ঠিকাদাৰ । যাৰ কথা মতে নগৰখনৰ পৌৰপতিৰ পৰা বিধায়ক, মিনিষ্টাৰ সকলো চলে। ধনে-ধানে, মানে যশে বিমলৰ স্থান নগৰখনৰ আগশাৰীত। কিন্তু বিমলৰ সেই সৰুকালিৰ কথাবোৰ মনত পৰিলে তেওঁৰ দেউতাক মাকৰ দুখৰ কথা মনত পৰিলে দুচকুৰে কেৱল বাগৰি আহে তপত চকুলোৰ বন্যা।

মীনাক্ষিয়ে যৌৱনৰ পিৰপিৰণীত অসবৰ্ণ বিবাহ কৰিলেও প্ৰথম অৱস্থাত গৌবিন্দপুৰৰ বড়ো সমাজখনৰ লগত মিলি যাবলৈ টান পালে। বাগানৰ কোৱাৰ্টাৰত ডাঙৰ দীঘল হোৱা মীনাক্ষিৰ বৰ কষ্ট হৈছিল ভাষাৰ বাবে। একেবাৰে খাচ্ গাঁৱলীয়া বড়ো ভাষা চলে গোবিন্দপুৰত। কথাবতৰাৰ একো আতি গুৰি ধৰিব নোৱাৰে মীনাক্ষিয়ে।

প্ৰথম দিনা যেতিয়া লখিমপুৰৰ চিকাৰীয়া বাগানৰ পৰা মীনাক্ষি গোবিন্দপুৰলৈ আহিছিল, সেইদিনা গাওঁখনৰ মানুহে গৰ্গৰামহঁতৰ ঘৰৰ চোতাল ভৰি পৰিছিল। সকলোৱে মীনাক্ষিক চিৰিয়াখানাৰ জন্তু দৰেই যেন হেঁচা মাৰি চাইছিল আৰু কৈছিল- কন্যাজনী বেচ ধুনীয়া। মুখখন বৰ মৰম লগা ইত্যাদি ইত্যাদি বহু কথা.........।

মানুহৰ জীৱনত কিছুমান কথা নভবাকৈয়ে হৈ যায়। সেয়েহে কোৱা হয় জন্ম মৃত্যু আৰু বিবাহ ই নিজৰ ইচ্ছাধীন নহয় ই ভগৱানৰ ইচ্ছা মতেই হয়। মীনাক্ষিৰ জীৱনতো তাকেই ঘটিল। ক'ৰ লখিমপুৰীয়া ছোৱালী, চাহ বাগানৰ শ্যামলী শুৱনি পৰিৱেশত বাগানৰ কোৱাৰ্টাৰত ডাঙৰ দীঘল হোৱা ছোৱালী ঝুমুৰ নৃত্যৰ লয়লাস ছন্দ

উপভোগ কৰি বাগানীয়া সকলৰ সন্মানীয় বিনয় বাবুৰ পৰিয়ালৰ মৰমী ছোৱালী, ক'ৰ গোবিন্দপুৰৰ বোকা পানীত জীৱন কটাব লগীয়া হৈছে। ইয়ো ভগৱানৰে ইচ্ছা বুলি মীনাক্ষিয়ে ধৰি ললে। গৰ্গয়ো গোবিন্দপুৰৰ হাইস্কুলতে বিষয় শিক্ষকৰ চাকৰি এটা পোৱাত বাগানৰ চাকৰি এৰি দি গাওঁ লৈ উভতি আহিল তাতেই থাকিবলৈ ললে। মীনাক্ষিয়ে বড়ো ভাষা শিকি ললে আৰু কম দিনৰ ভিতৰতে মীনাক্ষি হৈ পৰিল ঘৰখনৰ আপোনৰ আপোনজনী।

বিয়া হোৱা দিনৰে পৰা মীনাক্ষিয়ে গাওঁখনত স্ত্রী শিক্ষাৰ প্ৰয়োজনীয়তাৰ কথা গঞা মহিলা সকলক বুজনি দি আহিছে আৰু মদ নিবাৰণৰ বাবে মহিলা সকলক শিক্ষা দিছিল। মদ যে মানুহৰ জীৱনৰ বাবে ভীষণ ক্ষতিকাৰক তাকে বুজাইছিল। ঘৰে ঘৰে মদ বনাই জীৱিকা চলোৱাত কৈ তাঁতশালত কাপোৰ বুই ভালদৰে জীৱন নিৰ্বাহ কৰিব পাৰি। মহিলা সকল শিক্ষিত হলেহে তেওঁলোকৰ সমাজখন ভাল হ'ব বুলি গাওঁখনৰ মহিলা সকলক ঘৰলৈ মাতি আনি বুজাইছিল। মদ খোৱাতো নিজৰ পৰম্পৰা বুলি কেইবাজনো মহিলাই মীনাক্ষিৰ আগত কৈছিল আৰু সেই পৰম্পৰাটো এৰা টান।

মীনাক্ষিয়ে তেওঁলোকক কৈছিল- মদ খোৱা পৰম্পৰা ৰক্ষা কৰিবলৈ গৈ যে মদ খায় খায় নিজৰ মতা সকলে অকালতে জীৱন বিলাক নষ্ট কৰি সিফলীয়া হ'ব লগাত পৰে আৰু মহিলা সকলেই বিধবা হৈ ল'ৰা ছোৱালীৰ বোজা মূৰত লৈ জীৱন দুখেৰে কটাব লাগে তাক উপলব্ধি কেতিয়া কৰিব? মীনাক্ষিয়ে গোবিন্দপুৰ গাঁৱৰ মতা মানুহখিনিকো স্বামী গৰ্গৰ হতুৱাই মাতি আনি বুজাইছিল মদ খোৱাৰ অপকাৰিতাৰ কথা। মীনাক্ষিৰ বুজনিত গাৱঁৰ মহিলা সকলে পঢ়িবলৈও শিকিলে। এনেয়ে খেলি থকা ল'ৰা ছোৱালীবোৰে স্কুললৈও যাব ধৰিলে। মীনাক্ষিয়ে মহিলা সমিতি এখন গঠন কৰি মহিলা সমিতিখনৰ জৰিয়তে সুতা আনি দি কাপোৰ বনাবলৈ শিকালে। নিৰক্ষৰ মতা মানুহ খিনিয়ো পৌঢ় শিক্ষাৰ প্ৰতি আগ্ৰহ দেখুৱালে। মীনাক্ষিয়ে গৰ্গৰামকে তেওঁলোকক শিকাবলৈ দিলে। এটা সময়ত গোবিন্দপুৰৰ এশ পঞ্চাশটা পৰিয়ালৰ বড়ো গাওঁখনলৈ মীনাক্ষিয়ে পৰিৱৰ্ত্তন আনি দিলে। বোৱাৰী মীনাক্ষিৰ এনে কাৰ্যত গৰ্গৰ মাক দেউতাকে সন্তোষ পালে। সেয়ে গৰ্গৰাম স্বৰ্গীয়াৰী আৰু মীনাক্ষিক গাওঁখনত সকলোৱে ভাল পায়।

তেওঁলোকৰে সন্তান অনিতা। মীনাক্ষিয়ে কিন্তু সদায় ভাবিছিল অনিতাক উচ্চ বৰ্ণৰ মানুহৰ লগত বিয়া পাতি বৰ্ণ বৈষম্য, ভেদা ভেদটো নোহোৱা কৰাৰ বাবে প্ৰচেষ্টা চলাব। বাকী দুজনী ছোৱালী বড়োৰ ভিতৰতে বিয়া পাতিলেও অনিতাক জেনেৰেল কাষ্টৰ লোকৰ লগত বিয়া পতাৰ সপোন দেখি থাকিল মীনাক্ষিয়ে।

অনিতা আৰু ৰমেনৰ প্ৰথম দেখা দেখি হৈছিল ললিতা বাইদেউৰ ঘৰত। ৰমেনহঁতৰ বীৰুৱাৰীৰ পাহাৰৰ কাষতে ললিতা বাইদেউৰ ঘৰ। ললিতা অনিতাৰ খুৰীয়েক হয়। খুৰীয়েকৰ ঘৰৰ পৰা আমাৰ স্কুললৈ আহি অনিতাই কম্পিউটাৰৰ প্ৰশিক্ষণ লৈছিল। তাতেই লাগিল সিহঁতৰ লেঠাখন।

ইংৰাজীত কথা এষাৰ আছে- 'লাভ ইজ ব্লাইণ্ড'। প্ৰেম হেনো অন্ধ। যিদৰে টোপনিয়ে বিচনাখন কেনে ভাল নে বেয়া চাই থাকিব নোৱাৰে, টোপনি আহিবই, ঠিক তেনেদৰে প্ৰেমেও একো জাতপাত কলা বগা বিচাৰি নেচায়। কেৱল দুখন হৃদয়ৰ অনুভূতিখিনি একাকাৰ হৈ এখন হৃদয়ত গুঞ্জৰিত হোৱাৰ উপলব্ধি হলেই জাগৃত হৈ পৰে প্ৰেম ভাৱাৱেশৰ। প্ৰেম হৈছে অন্তৰাত্মাত জাগৃত হোৱা এক অনাবিল অনুভূতি, যাৰ হৃদয়ত এবাৰ তেনে অনুভূতি কাৰোবালৈ উপজিছে, তাৰ চিন্তাই তাৰ ভাৱনাই মানুহক বলিয়া কৰি তোলে। অৱশ্যে প্ৰেমৰ পৰিভাষা আৰু প্ৰেম অনুভূতিও বেলেগ বেলেগ। প্ৰথমতে মানুহে মানুহক ভাল পাবলৈ শিকাই হৈছে প্ৰেম। মানবীয় প্ৰেম জাগতিক প্ৰেম, পশুপখীৰ প্ৰতি প্ৰেম প্ৰাকৃতিক প্ৰেম, ভৌতিক প্ৰেম আধিভৌতিক প্ৰেম, ভগবৎ প্ৰেম আদি বিভিন্ন প্ৰেমৰ ব্যাখ্যা পণ্ডিত সকলে দিয়ে যদিও প্ৰথমতে মানুহৰ মনত মানুহৰ প্ৰতিহে ভাল পোৱা বা প্ৰেম উপজে।

পুৰুষে নাৰীক ভাল পাবলৈ শিকাটো জগতৰ প্ৰথম ৰীতি। ইয়াত কোনো লাজ বা শংকাৰ কথা আহি নপৰে। কিয়নো পুৰুষ প্ৰকৃতিৰ মিলন অবিহনে সৃষ্টি কেতিয়াও হ'ব নোৱাৰে। এই পৃথিৱীত প্ৰেম অবিহনে কোনো জীৱ জগত, জড় জগত কোনোটোৱেই তিলমানো তিষ্ঠি থাকিব নোৱাৰে। কবিৰ ভাষাত কবিয়ে কৈছে 'প্ৰেমত ঘূৰিছে ভূমণ্ডল' বুলি। সঁচা কথা। প্ৰেমেৰে যিটো কৰিব পাৰি সিটো টকা পইচা অথবা বন্দুক বাৰুদ আৰু যুদ্ধৰেও কৰিব নোৱাৰি। প্ৰেমৰ দাস সকলো। গতিকে পুৰুষে নাৰীক ভাল পোৱাটো কোনো অস্বাভাবিক কথা নহয়। ই জগতৰ চিৰন্তণ নীতি।

জগতত নাৰী প্ৰেমৰ বাবে বহুতো অঘটনো নঘটা নহয়। সৃষ্টিৰ মূলতো নাৰী আৰু ধ্বংসৰ মূলতো নাৰী। পৌৰাণিক ভাৰতীয় সাহিত্যত বিধ্বংসী নাৰী সৌন্দৰ্য্যৰ কাহিনী অলেখ আছে। আদি কবি বাল্মিকীৰ মহাকাব্য ৰামায়ণৰ নায়িকা সীতাৰ বাবে স্বৰ্ণ লঙ্কা ধ্বংস হয়। ইন্দ্ৰ পত্নী শশীদেৱীক লাভ কৰিবলৈ যাওঁতে চন্দ্ৰ বংশীয় ৰজা নহুচ অজগৰ হয়। সৌন্দৰ্য্যৰ ৰাণী তিলোত্তমাৰ বাবে সুন্দ আৰু উপসুন্দ নামৰ দৈত্যৰাজ ভাই ককাই দুজনৰ মৃত্যু হয়। বাণ ৰজাৰ জীয়েক ঊষা দেৱীক অপহৰণ কৰিবলৈ গৈ বাণৰ হাতত অগ্নিগড়ত বন্দী হৈ থকা অনিৰুদ্ধক উদ্ধাৰ কৰিবলৈ যোৱাৰ ফলত হৰিহৰৰ যুদ্ধ হয়। বেদ ব্যাসৰ মহাকাব্য  মহাভাৰতৰ নায়িকা দ্ৰৌপদীক বিবস্ত্ৰা কৰিবলৈ যোৱাৰ ফলস্বৰূপেই কুৰুক্ষেত্ৰ মহাযুদ্ধৰ আৰম্ভ হয় তথা ভীমৰ দ্বাৰা দুঃশাসনৰ ৰক্তপান আদি অলেখ কাহিনী হৈ যোৱা আমি শুনিবলৈ পাওঁ। অকল আমাৰ দেশৰ পৌৰাণিক কাহিনীয়েই নহয় গ্ৰীক দেশৰ বিখ্যাত অন্ধ কবি হোমাৰেও তেওঁ লিখা বিশ্ব বিখ্যাত মহাকাব্য 'ইলিয়াড' আৰু 'ওডিচি'ত ট্ৰয় নগৰ ধ্বংসৰ মূলতে নাৰী বুলিয়ে কৈছে। হিটলাৰৰ নিচিনা পৃথিৱী বিখ্যাত পৰম শক্তিশালী বীৰ যোদ্ধাও নাৰীৰ প্ৰেমৰ বাবেই বিশ্বযুদ্ধত পৰাজয় বৰণ কৰিবলগীয়াত পৰিছিল।

আনহাতে স্ত্ৰী শক্তিৰ বাবে বহু পুৰুষে নানান মহান কাৰ্যাও কৰিবলৈ সক্ষম হৈছে। স্ত্ৰী প্ৰেমাসক্ত তুলসী দাসে ঘৈণীয়েকক নেদেখি নিশা মৰা শৱক বুকুত বান্ধি নদী পাৰ হৈ গৈছিল ঘৈণীয়েকৰ আলিঙ্গন লাভ কৰিবলৈ । শহুৰৰ ঘৰৰ কানোও গম নোপোৱাকৈ সাপক ৰচি বুলি ভাবি ঘৰৰ ওপৰ মহলালৈ উঠিছিল আৰু পত্নীৰ কোঠাত খিৰিকিৰে সুমোৱা দেখি তুলসী দাসৰ ঘৈণীয়েকে বৰ লাজ পাইছিল। এনে কাৰ্যৰ বাবে তুলসী দাসক ঘৈণীয়েকে কৈছিল— :পত্নীৰ দেহৰ সৌন্দৰ্য্যত আপ্লুট হৈ, নাৰীৰ কেঁচা মাংসৰ দেহৰ আলিঙ্গনেৰে ক্ষন্তেকীয়া মনৰ পৰিতৃপ্তিৰ কামাগ্নি প্ৰশমিত কৰাতকৈ যদি তেনে আগ্ৰহ আৰু প্ৰেম তেওঁ ভগৱানৰ ওচৰত নিবেদন কৰিলেহেঁতেন যথেষ্ট সুখী হ'লহেতেন। পত্নীৰ এনে বাক্যবাণ শুনি কামনাসাক্ত বুলি খ্যাত তুলসী দাস পৰৱৰ্ত্তী কালত হৈ পৰিছিল সন্তো তুলসী দাস। যিয়ে লিখিছিল অজস্ৰ ভগৱৎ প্ৰেমৰ অমৃতবাণী। কিন্তু এইবোৰৰ মূলতেই হ'ল নাৰীৰ প্ৰেম। এনে কাহিনীও বহু আছে।

ঠিক তেনেদৰে, ৰমেনেও অনিতাক প্ৰথম দেখাৰে পৰা উদবাউল হৈ পৰিল অনিতাক পাবলৈ। অনিতাক দেখা দিনাৰে পৰা ৰমেনৰ পঢ়া শুনাতো মন নবহা হ'ল। টিউচন আদি কৰিবলৈও মন নবহা হ'ল। অহৰ্নিশে কেৱল অনিতাৰ ছবিটিহে চকুৰ আগত ভাহি উঠে।

ললিতা খুৰীয়েক কামলৈ যোৱাৰ পিছত ৰমেন আৰু অনিতাই প্ৰায়ে গুৱাহাটীৰ বিভিন্ন পাৰ্কত নিবিড়ভাৱে সময়বোৰ পাৰ কৰিবলৈ ধৰিলে। ৰমেন কটন কলেজৰ তৃতীয় বাৰ্ষিকৰ বিজ্ঞানৰ ছাত্ৰ আৰু অনিতা প্ৰৱেশিকা দ্বিতীয় বিভাগত পাচ কৰি আমাৰ ইনষ্টিটিউটত কম্পিউটাৰৰ প্ৰশিক্ষণ লৈ থকা ছাত্ৰী। আমাৰ ইয়াত ভিনিয়েকে নাম ভৰ্ত্তি কৰোতেই কৈছিল অনিতাক চকু দিবলৈ। আমাৰ ইয়াত থকা সময়খিনি ভালে ভালেই পাৰ হৈ যায়। কিন্তু বাকী সময় চোৱাৰ কথাতো মই কব নোৱাৰো কি কৰে। গৰু চাৰিব পাৰি কিন্তু মানুহক জানো চাৰিব পাৰি, যদি নিজেই ভাল নহয়।

***

(৬)

বহাগ বিহুলৈ আৰু বেছি দিন নাই। বহাগীৰ আগমণত প্ৰকৃতিৰ বুকুৰ গছ গছনীবোৰত ন ন কুঁহি পাতে লঠঙা গছবোৰলৈ সজীৱতা কঢ়িয়াই আনিছে। শুকান প্ৰকৃতিয়ে সবুজ আভৰণ পৰিধান কৰাত জগতখন মনোমোহা হৈ পৰিছে। এনে মনোমোহা প্ৰকৃতিৰ অমিয়া সৌন্দৰ্য্যৰ মাজত উপস্থিত হ'ল ৰমেন আৰু অনিতা উমানন্দত।

বিশাল ব্ৰহ্মপুত্ৰৰ মাজত জটাধাৰী শিৱস্থান উমানন্দ। ভোলানাথ শিৱই ইয়াতে বহি আছে এই সৰু পাহাৰখনৰ বুকুৰ মাজত নিৰৱে নিৰৱে। অনিতা জনজাতীয় লোক হ'লেও হিন্দু আৰু ৰমেন খৃষ্টান ধৰ্মী। দুয়োৰে মাজত এখন বিৰাট ধৰ্মীয় ব্যৱধানৰ প্ৰাচীৰ থিয় হৈ আছে। ৰমেনৰ পূৰ্বপুৰুষ সকল হিন্দু আছিল যদিও দেউতাক নিৰুদ্দেশ হোৱাৰ পিচতে মাকে ধৰ্ম পৰিৱৰ্ত্তন কৰি ৰমেনক বহু কষ্টৰ মাজেৰে ডাঙৰ দীঘল কৰিছে। অনিতা আৰু ৰমেনৰ মাজত গঢ়ি উঠা প্ৰণয়ক অনিতাৰ মাক বাপেকে কেতিয়াও স্বীকৃতি নিদিব কেৱল ধৰ্মৰ বাবেই। তাকে ভাবিয়েই দুয়ো মহা বিপাঙত পৰিল।

: ৰমেনদা  
: হু  
: কি ভাবি আছে?  
: নাই, একো ভবা নাই।  
: এয়া শিৱ মন্দিৰ জানে নে?  
: জানো।  
: দক্ষ ৰজাৰ জীয়ৰী পাৰ্বতীয়ে শিৱক মনে প্ৰাণে ভাল পাইছিল। জটাধাৰী ব্যাঘ্ৰ বস্ত্ৰ পৰিধান কৰা ভোলানাথ শিৱক পাৰ্বতীয়ে পতিৰূপে গ্ৰহণ কৰাত ৰজা দক্ষই কেতিয়াও সুখী হ'ব পৰা নাছিল। কিয়নো বাকী কেইজনী দক্ষ ৰজাৰ জীয়েকক ডাঙৰ ডাঙৰ ৰজা মহাৰজাৰ লগতেই বিয়া দিছিল মানমৰ্য্যদা ৰক্ষাৰে। কিন্তু পাৰ্বতীয়ে নিজৰ ইচ্ছা মতেই দৰিদ্ৰ শিৱক স্বামী ৰূপে গ্ৰহণ কৰিলে। পাৰ্বতীৰ এনে কাৰ্য্যত দক্ষই ভীষণ অপমান বোধ কৰিলে। সেয়ে দক্ষ ৰজাৰ যজ্ঞলৈ শিৱ পাৰ্বতীক নিমন্ত্ৰণ নকৰিলে তেওঁ। বাকী সকলোকে সেই যজ্ঞলৈ নিমন্ত্ৰণ দিলে। মহাসমাৰোহে যজ্ঞ আৰম্ভ হ'ল। ৰজা দক্ষৰ সকলো জ্ঞাতী কুটুম্ব আহিল যজ্ঞলৈ। কিন্তু পাৰ্বতীৰ মনটোৱে নামানে। যজ্ঞস্থলত সকলো জ্ঞাতী কুটুম্বক লগ পোৱাৰ বাসনাৰে গিৰিয়েক শিৱই বিনা নিমন্ত্ৰণে যোৱা উচিত নহয় বুলি কোৱাৰ পিচতো বিনা নিমন্ত্ৰণে পাৰ্বতী পিতৃ যজ্ঞস্থলীত উপস্থিত হয় গৈ। ক্ষন্তেক সময়ৰ বাবে পাহৰি গ'ল পাৰ্বতীয়ে গিৰিয়েকক নিমন্ত্ৰণ নিদিয়াৰ কথা, দুখীয়া বুলি ভবাৰ কথা, নিজৰ ইচ্ছামতেই বিবাহপাশত আৱদ্ধ হোৱাৰ কথা। ভাই ভনী জ্ঞাতী কুটুম্বক দেখা পোৱাৰ অদম্য হেপাহক দমন কৰিব নোৱাৰি স্বামীৰ বিনানুমতি স্বত্বেও যজ্ঞস্থলীত উপস্থিত হয় গৈ। বিনা নিমন্ত্ৰণে যজ্ঞত উপস্থিত হোৱাত ৰজা দক্ষই জীয়েক পাৰ্বতীক নানান কৰ্কশ কথাৰে শিৱক ভৎৰ্সনা কৰি গালি পাৰিবলৈ ধৰিলে। পাৰ্বতীয়ে ভাবিছিল মাক দেউতাকে সকলো পাহৰি যাব। ৰাইজৰ মাজত দেউতাকৰ গালিগালাজ খায়, স্বামীৰ বাধা নুশুনি যজ্ঞলৈ আহি, স্বামীক অবজ্ঞা কৰি পাৰ্বতীৰ ধিক্কাৰ উপজিল আৰু স্বামী নিন্দা শুনি থাকিব নোৱাৰি পাৰ্বতীয়ে যজ্ঞস্থলীতে প্ৰাণ বিসৰ্জন দিয়ে। পাৰ্বতীৰ ৰখীয়া নন্দী ভৃঙ্গীয়ে তুৰন্তে কৈলাশলৈ গৈ পাৰ্বতীয়ে স্বামী নিন্দা সহিব নোৱাৰি প্ৰাণ বিসৰ্জন দিয়াৰ সকলো বাতৰি দিয়াত শিৱৰ ভীষণ খং উঠিল। শিৱই পাৰ্বতীক ইমানেই ভাল পাইছিল যে

পত্নীৰ বিয়োগৰ বাতৰি পোৱাৰ লগে লগে শিৱই ৰুদ্ৰমূৰ্ত্তি ধাৰণ কৰি যজ্ঞস্থলীত উপস্থিত হ'লহি। সকলো দেৱদেৱতা ভয়ত কম্পমান। শিৱই কি কৰে এতিয়া। মৃত পত্নীক কান্ধত তুলি শিৱই তাণ্ডৱ নৃত্য কৰিব ধৰিলে আৰু পৃথিৱী থৰ থৰকৈ কম্পিত হ'ল। পাৰ্বতীৰ মৃত দেহ কান্ধৰ পৰা নেৰা হ'ল শিৱই।

শেষত যেনিবা ভগৱান বিষ্ণুৱে সুদৰ্শন চক্ৰৰ দ্বাৰা এটা এটাকৈ পাৰ্বতীৰ অঙ্গবোৰ কাটি কাটি তাণ্ডৱ নৃতৰত শিৱৰ কান্ধৰ পৰা মৰা শটো নোহোৱা কৰিলে আৰু ই পৃথিৱীৰ বিভিন্ন প্ৰান্তত পৰে। এই উমানন্দত হেনো পাৰ্বতীৰ দেহৰ ক্ষুদ্ৰ অঙ্গ এটি পৰিছিল আৰু কামাখ্যাত পাৰ্বতীৰ যোনি প্ৰদেশ পৰিছিল বাবেই কামাখ্যাক জাগ্ৰত শক্তি পীঠ বুলি কোৱা হয়। এই উমানন্দৰ পৰাই শিৱই কামাখ্যাৰূপী মৰমী পত্নী পাৰ্বতীক সদায় নয়ন ভৰি চাই থাকে। হিন্দু শাস্ত্ৰই ইয়াকে কয়। এই শিৱ মন্দিৰত একান্ত মনে প্ৰাৰ্থনা কৰিলে হেনো সকলো অভীষ্টি ফল সিদ্ধি লাভ হয়। অৱশ্যে আপুনি এইবোৰ মানে নে নেমানে কব নোৱাৰো। কিন্তু হিন্দু ধৰ্ম বিশ্বাসী লোক সকলে আজিও এইবোৰ কথা বিশ্বাস কৰে। এই শিৱস্থানতে আমিও জীৱনে মৰণে নানা সংকট আহিলেও এক হৈ থাকিম বুলি সংকল্প লোৱা উচিত। নহয় নে?

ৰমেনে অনিতাৰ কথাবোৰ নিৰৱে শুনি গৈছিল মন্ত্ৰমুগ্ধ সাপৰ দৰে।
অনিতাৰ প্ৰত্যুত্তৰত কেৱল ৰমেনে কৈছিল-

যৌৱনৰ প্ৰভাতি প্ৰত্যুষতে
দেখিলো তোমাৰ মোহিনী ৰূপ
সেই ৰূপ মাধুৰীয়ে
কৰিলে বলিয়া মোক।
জীৱনে মৰণে তুমিয়ে তুমি
তুমি মোৰ প্ৰাণৰো প্ৰাণৰ
তুমি অবিহনে জীৱনৰ
সাৰ্থকতা নহ'ব মোৰ।
নোৱাৰো বুজাব তোমাক
মোৰ ভাল পোৱাৰ গভীৰতা
হৃদয় কেৱল মোৰ
গোমঠা বহাগী আকাশ সদৃশ।
যদিও আছে আমাৰ মাজত
অভেদ্য ধৰ্মৰ প্ৰাচীৰ
তোমাৰ বাবে ত্যাগীম সকলো
চিন ৰাখিম অমৰ প্ৰেমৰ।
অহৰ্নিশে দেখো মাথোন
তোমাৰ বিনন্দীয়া ৰূপ
তোমাৰ এপিয়লা যৌৱন সুধা
সিঁচি দিবানে মোৰ বুকুত?
বিশাল ব্ৰহ্মপুত্ৰ
সাক্ষী উমানন্দ
পশ্চিমত লেহিয়াইছে
সূৰ্য্য দেৱতা
ই সৱে দেখিব আমাৰ
অমৰ প্ৰেম প্ৰৱণতা।।

ৰমেনৰ মুখৰ পৰা নিগৰি ওলোৱা কবিতাৰ কলি কেইটাই অনিতাৰ প্ৰাণৰ মাজেৰে শিৰ শিৰাই প্ৰৱাহিত হৈ গ'ল কব নোৱাৰাকৈয়ে আৰু ৰমেনৰ বুকুৰ মাজত মূৰটো গুজি দি হেৰাই গ'ল পলকৰ বাবে। লাজুকি লতাই কাৰোবাৰ স্পৰ্শ অনুভৱ কৰাৰ দৰে ৰমেনৰ দুবাহুৰ উষ্ম আশ্ৰয়ত অনিতা যেন লেতু সেতু হৈ পৰিছিল। সকলো পাহৰি।

ইতিমধ্যে সন্ধিয়াৰ শেষৰ নাওঁখন উমানন্দৰ পৰা গুৱাহাটীৰ কাছাৰী ঘাটলৈ অহাৰ সংকেত দিলে নাৱৰীয়াজনে। উমানন্দ পাহাৰৰ পশ্চিম দিশৰ শিল এচটাৰ ওপৰত নিবিড় ভাৱে ৰমেনৰ বাহু বন্ধনত আৱদ্ধ হৈ থকা অনিতাই ৰমেনক সোঁৱৰাই দিলে নাৱৰীয়াই ডাক দিয়া বুলি। নাৱৰীয়াজনেও জানে যে সেইহাল প্ৰেমীক প্ৰেমিকা আহোতেও তেওঁৰ নাওঁতেই উমানন্দলৈ আহিছিল। নিৰ্জনতাত মুক্ত আলিঙ্গন আৰু হিয়া উজাৰি কথা বতৰা পতাৰ আশাৰে এই উমানন্দলৈ অনেক প্ৰেমিক প্ৰেমিকা আহে আৰু যায়। এই নাৱৰীয়াজনে বিগত ত্ৰিশ বছৰ ধৰি নাওঁ চলাই থাকি দেখি আহিছে। কিন্তু সেই দিনা নাৱঁৰীয়াজনৰ শেষৰ যাত্ৰী আছিল কেৱল অনিতা আৰু ৰমেনহে। নাৱৰীয়াজনে আকৌ সংকেত দিলে ডাঙৰকৈ চিঞৰি 'কোন যাত্ৰী আছে আহক বুলি'।

দুয়ো ধীৰে ধীৰে নাৱঁৰ কাষলৈ আহি নাওঁখনত উঠিল। কাৰো মুখত মাতবোল নাই। নাওঁখনত অন্য কোনো যাত্ৰী নোহোৱা বাবে অনিতা ৰমেনৰ নাৱঁৰীয়াজনৰ ওচৰত অলপ লাজ লাজো লাগিছিল। নাৱঁৰীয়াজনে একো এটাকে নকলে সিহঁতক। নাৱঁৰীয়াজনে নাওঁখন কাছাৰী ঘাটলৈ বুলি এৰি দিলে ব্ৰহ্মপুত্ৰৰ বুকুত আৰু ব্ৰহ্মপুত্ৰৰ বুকুৰ পানীত বঠাখন থৈ যেনিবা নাৱঁৰীয়াজনে ব্ৰহ্মপুত্ৰৰ বুকুখন ফালিহে পেলাইছিল চিৰাচিৰিকৈ। এনেতে বিশাল ব্ৰহ্মপুত্ৰৰ ওপৰেদি এজাক চৰাই উৰি আহিছিল উমানন্দৰ গছ গছনীৰ বুকুৰ মাজত আশ্ৰয় লববলৈ। পশ্চিম সূৰুৰযটো ডুব গৈছিল আৰু সূৰুযৰ হেঙুলী আভাবোৰ পৃথিৱীৰ বুকুত সিঁচৰিত হৈ পৰিছিল। পশ্চিমত সূৰ্য্যদেৱতা বুৰ যোৱাৰ লগে লগে পূৱ দিশৰ পৰা এন্ধাৰে কলা চুলিটাৰী মেলি সকলোকে যেন গ্ৰাস কৰিবলৈ ধাপলি মেলি আহিছিল আৰু নাৱৰীয়াজনে বঠা বাই বাই ব্ৰহ্মপুত্ৰৰ বুকুৰ মাজত নাওঁখনৰ ওপৰত উঠি গীত এটি জুৰিলে-

অ'ৰে জীৱন ৰে............
কিনো দেখিলো আমি
দুখন হিয়াৰ অপূৰ্ব মিলনে
জীৱন কৰে শুৱনী
অ'ৰে জীৱন ৰে...............।।
পশ্চিমত দেখিছো
সূৰুয দেৱতাৰ
ডুবু ডুবু ৰূপ
ডুব যোৱাৰ আগতে
দেখুৱাইছে হেঙুলীয়া কি অপৰূপ।।
চাকৌ চাকৌৱীৰ ক্ৰীড়া মিলনত
ব্যাধে মাৰিলে শৰ
অতৃপ্ত চাকোৱাজনীৰ
প্ৰেমৰ ক্ষুধা
নিজৰ বুকুতে গ'ল মাৰ,
কি যে জ্বালা এই প্ৰেম ক্ষুধা
নুবুজিলে অবোধ ব্যাধে
অ'ৰে জীৱন ৰে......।।

চকৌৰীজনীৰ বিৰহ ক্ৰন্দনত
বাল্মিকীৰ হিয়া গ'ল পমি
সেই বেদনাতে বাল্মিকীয়ে
লিখিলে ৰামায়ণ খনি
অ'ৰে জীৱন ৰে........
কিনো দেখিলো আমি।।

***

DIGITAL PUBLICATION-
2nd publication of E-book on - June 2021
By Uddipta Nayan Medhi

www.rongilibarta.com

do follow & like our Page at Instagram & Facebook as Rongilibarta.
For quality Printing
Contact –
9854215286/8638732821

(৭)

দেউতা, মই হলে অনিতাৰ ভাল লক্ষণ দেখা নাই। অনিতাৰ চাল চলনৰ কিছু পৰিৱৰ্ত্তন দেখিছো। আপোনালোকে ধৰিব পাৰিছে নে নাই ক'ব নোৱাৰো । কিন্তু মোৰ চকুত ধৰা পৰিছে অনিতা অন্যপথে চলা। ললিতা খুৰীয়েও মোক কৈছে কোনোবা ৰমেনৰ লগত অনিতাৰ ফুৰা চকাৰ কথা। গতিকে মই আপোনালোকক কব লাগে বুলি ভাবিয়েই কথাখিনি কলো।

এই বুলি অনিতাৰ ভিনিয়েক দধিয়ে শহুৰ শাহুৰেকৰ কাণত পেলালে অনিতাৰ কথা।

গৰ্গৰাম আৰু মীনাক্ষিয়ে আলোচনা কৰি অনিতাক মোমায়েকৰ ঘৰলৈ পঠোৱাৰ সিদ্ধান্ত কৰিলে আৰু তাতেই কলেজত পঢ়োৱাৰ কথা ভাবি লখিমপুৰলৈ পঠাই দিলে। অনিতাই নিজৰ আপোন মানুহজনক এৰি তাত কেনেকৈ থাকিব তাকে ভাবি পাৰ নপোৱা হ'ল। যাক এপলক নেদেখাকৈ থাকিব নোৱাৰে সেইজনী অনিতা সুদূৰ লখিমপুৰতে দিন কটাব লাগিব। ৰমেনক লগ পাবলৈ তাই উদগ্ৰীৱ হৈ পৰিল যদিও ৰমেনৰ চকুৰ আঁতৰ কৰি ৰাখিবলৈ অনিতাক মাক বাপেকে মোমায়েকৰ ঘৰলৈ পঠাই দিলে।

লখিমপুৰৰ চিকাৰীয়া বাগানত থকা মোমায়েকৰ ঘৰলৈ অনিতাক পঠাই দি গৰ্গৰামে লখিমপুৰৰ কলেজ এখনতে পঢ়াৰ ব্যৱস্থা কৰি দিলে অনিতাক। ৰমেন আৰু অনিতাৰ যাতে সঘনে দেখা সাক্ষাৎ নহয় তাৰ বাবেই গৰ্গ স্বগীয়াৰীয়ে এনে ব্যৱস্থা ললে যদিও খুৰীয়েক ললিতাৰ মুখৰ পৰাই ৰমেনে সকলো কথা গম পালে অনিতাৰ।

অনিতাৰ নিৰ্বাসন আৰু প্ৰেমৰ কথা কওঁতে মনত পৰি গ'ল হবিবুৰে কোৱা গল্প এটালে। হবিবুৰ ৰাজ মিস্ত্ৰিৰী আমাৰ ঘৰৰ কাম কৰা এজন শিক্ষিত যুৱক। হায়াৰচেকেণ্ডাৰী পৰীক্ষা পাচ কৰি হবিবুৰে চাকৰি নেপাই দুখীয়া মাক বাপেকক পুঁহিবলৈকে বৰপেটাৰ জনিয়াৰ পৰা আহি গুৱাহাটীত ৰাজ মিস্ত্ৰিৰীৰ কাম কৰি আছে। মুছলমান হলেও বৰ বিশ্বাসী, ভাল ল'ৰা। তেতিয়া সি আমাৰ ঘৰৰ বিল্ডিংৰ কাম কৰি আছিল আৰু অনিতাৰ কাহিনী শুনিয়ে হবলা হাঁহিৰ চলে মোক গল্পটো এনে দৰে কৈছিল-

এসময়ত এজন সদাগৰ আছিল। সদাগৰৰ বয়বস্তু কঢ়িয়াবলৈ এটা গাধৰ বৰ প্ৰয়োজন হ'ল আৰু সেই অভাৱ পূৰণৰ বাবে সদাগৰে গাধ কিনাৰ মন কৰিলে। ভাল গাধ এটা বিচাৰি বিচাৰি এজন ধোবাৰ কাষ পালেগৈ। ধোবাই গাধটো বিক্ৰি কৰিব নেকি সদাগৰৰ মহৰীয়ে সুধিলে। ধোবহিয়ো ভাল দাম পালে গাটো বিক্ৰি কৰিব বুলি জনালে। মহৰীয়ে ধোবাক কলে যে আমাৰ সদাগৰ দেউতাৰ পছন্দ হলে দাম কোনো কথা নাই যিমান লাগে সিমান টকা দিব। কিন্তু সদাগৰৰ পছন্দ হোৱাহে আচল কথা।

সদাগৰৰ মহৰীয়ে গাধ বিচাৰি বিচাৰি এটা থকাৰ খবৰ দিলে সদাগৰক। পিছদিনা তপতে তপতে সদাগৰ ধোবাৰ ঘৰ পালে গৈ। গাধটো দেখাত বেচ ধুনীয়া আছিল। সদাগৰে দাম দৰ নকৰাকৈয়ে গাধটো কিনি লোৱাৰ আদেশ দিলে মহৰীক। ধোবাজনৰ ঘৰৰ পৰা কিছু দূৰত এখন নদী আছিল।

সদাগৰে কলে যে ধোবাই নদীখন পাৰ কৰি দিব লাগিব। কাৰণ নদীখন পাৰ হওঁতে গাধটোৱে হয়তো কিবা দিগদাৰী কৰিবও পাৰে।

ধোবাজনে কলে- সি সিহঁতৰ কাষৰ নদীখন পাৰ কৰাই দিব। কিন্তু তাৰ পিচত থকা নদীখনলৈ সি যাব নোৱাৰিব। কিয়নো সেইখন নদীলৈ পোৱাৰ ঘৰৰ পৰা বহু দূৰ পথ আৰু নিজৰ ঘৰতো বহু কাম আছে।

ধোবাই যিমান পৰিমানৰ দাম কলে দিধাহীন ভাৱে সদাগৰে গাধটোৰ দাম দিলে কাৰণ সদাগৰৰ পছন্দত টকাই বাধা প্ৰদান কৰিব নোৱাৰে।

কথামতে সদাগৰ আগে আগে আৰু সদাগৰৰ মহৰী গাধটোৰ পিছে পিছে ধোবাজনৰ লগত গৈ থাকিল। এটা সময়ত গাধটো লৈ সিহঁত আটাই কেইজন নদীৰ পাৰ পালেগৈ আৰু নদীখন দেখিয়ে গাধটো শুই পৰিল নদীৰ পাৰতে। গাধটো নুঠেহে নুঠে। সদাগৰে ধোবাজনক ধমকি দি কলে- কিহে তোমাৰ গাধটো দেখাত শুৱনী হলে কি হ'ব এইখিনি বাট আহিয়ে দেখোন সি খোজ কাঢ়িবই নোৱাৰা হ'ল। কি গাধ দিলা মোক।

ধোবাজনে তেতিয়া কলে- সদাগৰ মহাশয় এই গাধটো মই কিনি আনোতেও এনেখন কৰিছিল। তাৰ বোলে মাকো এনেকুৱাহ আছিল নদী দেখিলেই শুই পৰা স্বভাৱৰ। মই কিনোতেও এই নদীখন পাৰ কৰাৰ সময়ত বৰ কষ্ট দিছিল। কি কৰিব ইয়াৰ বংশই এনেকুৱা। ভয় নকৰিব ইয়াক মই নদীখন পাৰ কৰি দিম। সদাগৰ নিমাত হ'ল ধোবাৰ কথাষাৰ শুনি।

হৰিবুৰৰ গল্পটো শুনি বেচ আমেজ পালো আৰু গল্পটোৰ জৰিয়তে হৰিবুৰে বেচ নীতি কথা এটাকে শিকালে।

মীনাক্ষিয়ে অনিতাক উচ্চবৰ্ণ লোকৰ পৰিয়ালত বিয়া দিয়াৰ কথা ভাবি থাকোতেই অনিতাইয়ো মাকৰ বাটকে ললে।

ইপিনে ৰমেন অনিতাৰ চিন্তাত বলিয়াৰ দৰে ঘূৰি ফুৰিবলৈ ধৰিলে। কিদৰে বাৰু অনিতাক লগ পোৱা যায় তাৰে চিন্তাত ব্যাকুল হৈ পৰিল। আনহাতে লখিমপুৰৰ পৰা অনিতাই চিঠিৰে সকলো কথা ৰমেনক জনালে ।

ৰমেনৰ বন্ধু ৰঞ্জন আৰু ৰাকেশ। ৰমেনে দুই বন্ধুৰ সৈতে আলোচনা কৰিলে কিদৰে অনিতাক লগ কৰা যায়। ৰমেনৰ বন্ধু ৰঞ্জন সকলো কামতে ওস্তাদ। তাৰ পাট কাপোৰৰ ফেক্তৰী আছে। প্ৰখৰ বুদ্ধিৰ ল'ৰা। তিনিও বন্ধুৰ চিন্তা ভাৱনাৰে পথ বিচাৰি পালে আৰু ৰঞ্জনেই অনিতাৰ খবৰ উলিয়াব পাৰিব বুলি সি ক'লে। ৰঞ্জনেই হনুমানে সীতাৰ খবৰ লংকাৰ পৰা অনাৰ দৰে পাট কাপোৰ বিক্ৰী কৰাৰ চলেৰে লখীমপুৰৰ চিকাৰীয়া বাগান পালে গৈ অনিতাৰ খবৰ ল'বলৈ। লগত ৰমেন আৰু ৰাকেশ। ৰমেন আৰু ৰাকেশ লখীমপুৰৰ এখন হোটেলতে বাহাৰ পাতি থাকিল ৰঞ্জনৰ অনিতা উদ্ধাৰৰ অভিযানৰ বাতৰিলৈ।

ৰঞ্জনৰ কান্ধত এখন সুন্দৰ বেগ। বেগখন আছিল ৰমেনৰ। ৰমেন, ৰাকেশ আৰু ৰঞ্জনে চিন্তা কৰি ৰমেনে ব্যৱহাৰ কৰা বেগখনকে ৰঞ্জনে কান্ধত ওলোমাই ভিতৰত কাপোৰ কেইসাজমান ভৰাই লৈ গৈছিল যাতে বেগখন ৰমেনৰ বুলি অনিতাই চিনি পাই।

ৰঞ্জনে বিনয় বাবুৰ কোৱাৰ্টাৰৰ কলিং বেলটো বজাই দিলে। তেতিয়া ঠিক এটা বাজিবলৈ আৰু পোন্ধৰ মিনিট সময় বাকী আছিল। এই খিনি সময়ত বেছিভাগ পৰিয়ালতে মতা মানুহ ঘৰত নেথাকে। ঘৰত মতা মানুহ নহ'লে তিৰোতা মানুহক সহজতে পতিয়ন নিয়াব পাৰিব ৰঞ্জনে। তাকে ভাবি চিন্তিয়েই ৰঞ্জনে এই সময় চোৰা বাচি লৈছিল । কলিং বেলৰ মাত শুনি ঘৰৰ ভিতৰৰ পৰা অনিতা আহি দুৱাৰখন খুলি দেখে যে এজন ডেকা ল'ৰা।

: কি লাগে আপোনাক।

: বাইদেউ পাটৰ কাপোৰ ৰাখিব নেকি? শুৱালকুছিৰ আচল পাট কাপোৰ।

ৰঞ্জনে ৰমেনৰ বেগখন কান্ধত লৈয়ে আছিল, জানোছা অনিতাই সেই চিনাকি বেগখন চিনি পায়। অনিতাৰ চকুত পৰাকৈ ৰঞ্জনে বেগখন মাটিত থৈ পাটৰ কাপোৰ কেইযোৰামান উলিয়াব খুজিলে। ৰঞ্জনে অনিতাক চিনি নেপাই কথাও কেতিয়াও পতা নাই কিন্তু অনিতাৰ ফটো দেখিছিল ৰমেনৰ ঘৰত। লগত ৰমেনৰ আৰু অনিতাৰ ফটো এখন খুজি নিছিল দৰকাৰ হলে সেইখনকে পৰিচয় পত্ৰৰ লেখিয়াকৈ সুবিধা পালে অনিতাক দেখুৱাৰ বুলি। কলিং বেলটো টিপাৰ লগে লগে ঘৰৰ ভিতৰৰ পৰা ওলাই অহা ছোৱালীজনী দেখি ৰঞ্জন ঠিক ঠাইতে যে উপস্থিত হ'ব পাৰিছে অনিতাক দেখিয়ে বুজিব পাৰিলে। ইমানখিনি আহি পাইছে যেতিয়া ৰঞ্জনৰ মিচন সফল হ'ব বুলি নিজৰ ওপৰত বিশ্বাস জন্মিল।

: ৰ'ব মই মামীক মাতি দিওঁ।

: অ' বাইদেউৰ হ'বলা এইটো মোমায়েকৰ ঘৰ।

: হয়। বুলি অনিতাই বেগৰ পিনে চকু নকৰি ঘৰৰ ভিতৰলৈ সুমাই গ'ল।

ৰঞ্জনে ৰাম হৰি সুমৰিলে। 'প্ৰভু বচাবা'।

ৰমেন আৰু ৰাকেশে লখিমপুৰৰ হোটেল ইন্দ্ৰপুৰীত বাহৰ পাতি আছে অনিতাক হৰণ কৰি লৈ যাবলৈ আৰু আনহাতে নিজৰ অভিযানত ব্যস্ত হৈ পৰিল অনিতাৰ সৈতে কাপোৰ বিকাৰ চলুলৈ।

ঘৰৰ ভিতৰৰ পৰা অনিতা মামীয়েক অৱন্তিকাৰ লগত পুনৰ বাহিৰলৈ ওলাই আহিল। অৱন্তিকাই বহিবলৈ দিলে বাহিৰৰ বাৰণ্ডাখনতে।

অসমৰ মহিলা সকলৰ পাট কাপোৰৰ প্ৰতি বৰ লোভ। তাতে শুৱালকুছিৰ পাটমুগাৰ কাপোৰ বিশ্ব বিখ্যাত। শুৱালকুছিৰ কাপোৰৰ কথা ক'লে সহজতে মহিলাসকল ৰৈ থাকিব নোৱাৰে এযোৰা নিকিনাকৈ। গতিকে পাট কাপোৰ চোৱাৰ লোভটো সামৰিব নোৱাৰি অৱন্তিকাই কলে চাওঁ কি কি কাপোৰ আনিছা।

বেগখনৰ পৰা কেইযোৰামান ভাল ভাল কাপোৰ উলিয়াই দিলে তেওঁলোকৰ আগত। দুয়োজনীয়ে কাপোৰ চাব ধৰোতেই অনিতাৰ চকুত পৰিল বেগখন। অনিতাৰ বেগখন চিনাকি চিনাকি লাগিল। মনতে ভাবিলে ঠিক তেনে বেগ এখন আছে। কাপোৰ চোৱাত কৈ বেগখন অনিতাই ভালকৈয়ে লক্ষ্য কৰি ললে এবাৰ।

আবন্তিকাই কেইবাযোৰা কাপোৰ চালে। পছন্দও হৈছে। কিন্তু দাম কৰা নাই। অনিতাৰ মোমায়েকো ঘৰত নাই। শাহু আৰু শহুৰ বিনয় হাজৰিকাও নাই টাউনলৈ গৈছে। কি কৰে অৱন্তিকাই। হাতত টকা নথকা নহয় আছে। কিন্তু শাহু নতুবা ঘৰৰ এজন জেষ্ঠ ব্যক্তি থাকিলে এনে কাম কৰা ভাল হয় যাতে পিচত একো এটা লেঠাত নপৰে তাকে ভাবিলে।
: হেৰা তোমাৰ কাপোৰৰ কি দাম হে?

: বাইদেউ কোন যোৰা পছন্দ হৈছে আপোনাৰ?

: তোমাৰ গোটেই কেইযোৰাই পছন্দ মোৰ।

: বৰ  ভাল কথা গোটেই কেইযোৰা ৰাখি থওঁক। কিবা এটা কৰি দিম বাৰু। ওৱা সৰু বাইদেউৰ কোনো কাপোৰ পছন্দ হোৱা নাই নেকি?

: কিয় পছন্দ নহ'ব? পিচে কাপোৰ লৈ অহা আপোনাৰ বেগখনো কিন্তু বেচ ভাল লাগিছে।

: ভালেই হ’ল বেগৰ সৈতে কাপোৰ কেইযোৰা ৰাখি থওঁক। মোৰো বোজা এটা কমি যাব, বেগখনৰ বাৰু পইচা দিব নালাগে। আজিয়ে গুৱাহাটীলৈ গুচি যামগৈ।

: গুৱাহাটীত ঘৰ নেকি?

: নহয় শুৱালকুচিত।

: নিজৰ ঘৰতে কাপোৰবোৰ বনোৱা নে?

: হয় বাইদেউ?

: বাইদেউ অলপ পানী খাব পাৰিম নেকি?

: কিয় নোৱাৰিবা। বুলি অৱন্তিকাই কলে। ইতিমধ্যে অনিতা পানী আনিবলৈ ঘৰৰ ভিতৰ সোমাল।

: ৰবা আমাৰ গৃহস্থ কোনো এটাই নাই। আহি পালে ভাল আছিল। অনিতাই পানী গিলাচ আনি ৰঞ্জনৰ হাতত দিলে।

ধক্‌ধক্‌কৈ পানী গিলাচ খায় কাষতে থকা টেবুলখনত গিলাচটো থৈ দিলে ৰঞ্জনে।

: বাঃ পানী গিলাচ খায় বৰ তৃপ্তি পালো। কেতিয়াবাৰে পৰা খুব পানী এগিলাচ খোৱাৰ ইচ্ছা হৈ আছিল।

: আগৰে পৰা কোৱা নাই কিয়? অনিতাই কয়।

: জানোছা আপোনালোকে পানী খুজিলে বেয়া পায়।

: সেইটো আৰু কথানে? কিয় চাহ একাপ খাবা নেকি? অৱন্তিকাই ৰঞ্জনক সুধিলে।

: যদি আপুনি আকৌ ভাৱে বহিব পালেই শুৱও বিচৰা বুলি। অৱন্তিকাই তালৈ এবাৰ চাই মিচিকিয়া হাহি এটা মাৰি কলে

: তুমি বেচ কথা ক'ব জানাহে। ৰবা তেনে হ'লে মযেই একাপ চাহ কৰি আনি দিওঁ।

এই বুলি অৱন্তিকা পাক ঘৰলৈ বুলি সোমাই গ'ল।

: সৰু বাইদেউৰ ঘৰ ক'ত? আপোনাক কিন্তু আমাৰ পিনৰ যেন লাগে।

: কেনেকৈ গম পালে?

: ভাষাত। কামৰূপীয়া ভাষাৰ ঠাচ আছে।

: হয়। মোৰ ঘৰ গোবিন্দপুৰত।

: তেতিয়া হ'লে মোৰ অনুমান সত্য। আপোনাক কিন্তু এই কাপোৰযোৰাই বেচ শুৱাব, বুলি বুটা বছা হালধীয়া কাপোৰ এযোৰ দেখুৱাৰ চলেৰে ৰমেন আৰু অনিতাৰ ফটোখন কাপোৰৰ মাজত অনিতাক দেখুৱালে। ফটো দুখন দেখুৱাই তপতে তপতে ৰঞ্জনে পকেটত পুনৰ ভৰাই ললে যাতে চাহ কাপ লৈ আহোতে অৱন্তিকাই দেখা নেপায়।

অনিতাই বুজি পালে এয়া নিশ্চয় ৰমেনৰে বন্ধু ছদ্মবেশ ধৰি অনিতাৰ খবৰ ল'বলৈ আহিছে। বেগখনো যে ৰমেনৰ অনিতাই ধৰিব পাৰিলে। ফটোখন দেখি অনিতাৰ বুকুখনে ধপধপাবলৈ ধৰিলে, আকৌ এবাৰ ফটোখন চোৱাৰ হেঁপাহ উপজিল অনিতাৰ। কিন্তু খোজে কেনেকৈ তাক, যদি মামীয়েকে ধৰি পেলাই সেই ছদ্মবেশী যুৱকজনক। তেতিয়া হ'লে তাৰ সকলো অভিযাননেই খটম হৈ যাব বুলি ভাবি অনিতাই একো নকলে আৰু কেৱল তাইৰ সন্দেহ বাস্তৱ হৈ উঠাৰ বাবে ভগৱানক প্ৰাৰ্থনা কৰিলে পেটে পেটে।

: এয়া চাহ কাপ খোৱা।

প্লেটখনত মালপোৱা চাৰিটা আৰু দুবিধ দামী বিস্কুট দিছিল ৰঞ্জনক খাবলৈ।

: বাঃ বাইদেউৰো দেখিছো মৰম আছে মানুহৰ প্ৰতি। অচিনাকি মানুহ এজনক ইমান প্লেট ভৰাই চাহ দিয়া কতো দেখা নাই।
: দুপৰীয়াৰ অতিথি হেনো সাক্ষাৎ দামোদৰ। গতিকে. একো এটা দিয়া নাই, অলপ দিছো খোৱা। অৱন্তিকাই ৰঞ্জনক কয়।
: ধন্যবাদ। হ'ব।

এই বুলি ৰঞ্জনে আপোন মনে চাহ কাপ আৰু প্লেটত দিয়া মালপোৱা কেইটাৰে খাব ধৰিলে।

অনিতাই ল’ৰাজনলৈ খুব লক্ষ্য কৰি আছিল। অনিতাৰ নিজৰ আৰু ৰমেনৰ ফটো দুখন দেখি ল'ৰাজনক বৰ আপোন আপোন লাগিল অনিতাৰ। কিন্তু মামীয়েকৰ আগত কিদৰে মুক্তভাৱে ৰমেনৰ কথা সোধে। অনিতাৰ এনেহে লাগিল যেন এতিয়াই এই ল'ৰাজনৰ লগত উৰামাৰি গুচি যাব ৰমেনৰ কাষলৈ। বুকুখন শিহঁৰি উঠিছিল, মুখখন অনিতাৰ ৰঙাপৰি গৈছিল আৰু মনৰ মাজত বিভিন্ন ভাৱৰ জোৱাৰ উঠিছিল। ওঠ দুটা শুকাই গৈছিল, মাত্ৰ বাকহীন পুতলা এটিৰ দৰে থিয় দি থাকিল সিহঁত দুয়োজনৰে মাজত।

অবন্তিকাই দুযোৰ কাপোৰ পছন্দ কৰিলে এজোৰা অনিতাৰ বাবে আন এযোৰা অৱন্তিকাৰ নিজৰ বাবে। অবন্তিকাই ঘৰৰ ভিতৰলৈ টকা আনিবলৈ যাওঁতেই ৰঞ্জনে আগতে লিখি লৈ যোৱা ৰমেনৰ চিঠিৰ টুকুৰাটো টিপতে অনিতাৰ হাতত গুজি দিলে । অনিতাই চিঠিৰ টুকুৰাটো বুকুৰ মাজত তপতে তপতে লুকাই ললে মামীয়েকে নেদেখাকৈ। অনিতাৰ সন্দেহ বাস্তৱ হ'ল আৰু ৰমেনৰ বন্ধুবুলি অনিতাই ভাবি ললে সেই কাপোৰ বিক্ৰী কৰিবলৈ অহা ল'ৰাজনক।

তাৱন্তিকাৰ হাতৰ পৰা কাপোৰ দুযোৰাৰ টকাখিনি লৈ বিদায় ললে ৰঞ্জনে আৰু মনত আনন্দ উপলব্ধি নিজৰ কাৰ্য্যৰ সফলতাৰ বাবে।

ৰঞ্জন যোৱাৰ পিচত অনিতাই বাথৰুমলৈ গৈ তাতে গোপনে গোপনে ৰমেনৰ চিঠিখন পঢ়ি চালে।

ৰমেনৰ চিঠি পঢ়ি দিনটো কেনেকৈ যায় তাৰে চিন্তাত থাকিল অনিতা।

ৰমেন, ৰঞ্জন আৰু ৰাকেশৰ কৌশল মতে পিচদিনা কলেজলৈ যাওঁতেই অনিতাক তিনিওজনে অপহৰণ কৰি সুদূৰ লখিমপুৰৰ পৰা গুৱাহাটীলৈ লৈ আহিল।।

***

DIGITAL PUBLICATION-
2nd publication of E-book on - June 2021
By Uddipta Nayan Medhi

www.rongilibarta.com

do follow & like our Page at Instagram & Facebook as Rongilibarta.
For quality Printing
Contact –
9854215286/8638732821

(৮)

ৰমেনে দুই বন্ধুৰ সহায়ত অনিতাক পলুৱাই লৈ আহিল গুৱাহাটীলৈকে। মনৰ আবেগত পাগল প্ৰেমিক ৰমেনে অনিতাক পলুৱাই আনিলে যদিও ৰাখে ক'ত? কোনো কথা আগতে নভবাকৈয়ে অনিতাক পলুৱাই আনি ৰমেনৰ এখন পয়মালহে হ'ল। সেই কাৰণতে পণ্ডিত সকলে কৈ গৈছে “ভাবিয়ো চিন্তিয়ো কৰিয়ো কাম” যিকোনো কাম কৰাৰ আগতে দুখোজ আগুৱাই যোৱাৰ কথা ভাবিব লাগে আৰু দুখোজ পিচলৈ গৈ ভাবি চাব লাগে। তেতিয়া কোনো কামতে ব্যাঘাত নঘটে। নভবা নিচিন্তাকৈ কাম কৰিলে ফল অশুভ হয়।

ৰমেনৰ চাকৰি বুলিবলৈ এটা নাই। জমা টকাও অলপো নাই। যিকেইটা টিউচন কৰি পাইছিল সিয়ো অনিতাক বিচাৰি অনিতাক লগ পোৱাৰ বাসনাতে ইফালে সিফালে ঘূৰি ফুৰোতেই খটম। নিজৰ ঘৰলৈকো তাইক নিব নোৱাৰে মাকে জানো কি ভাৱে। অনিতাক পলুৱাই অনা কথা মাকে নেজানে। অৱশ্যে ৰমেনৰ মাকে ৰমেনক এই কথাত একো নকব বুলি তাৰ দৃঢ় বিশ্বাস আছে এই কাৰণতেই যে ৰমেন মাহেতীৰ একমাত্ৰ আৰু অতি মৰমৰ ল'ৰা। তাৰ ইচ্ছাৰ বিৰুদ্ধে কেতিয়াও নেযায়। তথাপিতো মাকক নোসোধাকৈ ছোৱালী পলুৱাই অনাটো সিমান সহজ ভাৱে নলবওতো পাৰে। নানান চিন্তাই ৰমেনক আগুৰি ধৰিলে। কি কৰিব উৱাদিহ নেপায় ৰাকেশৰ ঘৰতেই কেইদিনমান ৰখাৰ কথা কৈ ৰাকেশক খাতনি ধৰিছিল লখিমপুৰৰ পৰা আহি থাকোতে। এই কথাত ৰঞ্জনেও ৰাকেশক অনুৰোধ কৰিলে। ৰঞ্জনৰ মাক আকৌ বৰ একা চেকা। এনে কাম কৰা বুলি শুনিলে ৰঞ্জনক সুদাই নেৰিব। গতিকে ৰঞ্জনে কোনোপধ্যেই অনিতাক তাৰ ঘৰত আশ্ৰয় দি ৰাখিব নোৱাৰে।

ৰাকেশৰ ঘৰ বশিষ্ঠত। মাক বাপেকৰ একমাত্ৰ ল'ৰা ৰাকেশ আৰু ভনীয়েক ৰীতা। ৰীতাই হায়াৰচেকেণ্ডাৰী পঢ়ি আছে। ৰাকেশ ৰমেনৰ লগত একেলগে কটনত পঢ়ে। সেই সূত্ৰেই তাৰ ৰমেন বন্ধু আৰু ৰঞ্জনো একে ক্লাছৰে সহপাঠী। ৰমেন যে খৃষ্টিয়ান ধৰ্মী ৰাকেশৰ মাকে নেজানে। মাজে মাজে ৰমেন সিহঁতৰ ঘৰলৈ আহে আৰু গুচি যায়। বেছি ঘনকৈয়ো অহা যোৱা কৰা নাই। গতিকে সিমান আতিগুৰি বিচাৰি কাহানিও মাকে কথাও পতা নাই ৰমেনৰ লগত। কিন্তু হঠাতে ছোৱালী এজনীক লগতলৈ বন্ধু দুজনৰ লগত সন্ধিয়া ঘৰ সোমাওতেই মাকৰ গাটো চিৰিং কৰি উঠিছিল কি কৰিলে ৰাকেশে এইখন। ছোৱালী লৈ আনিলে।

সিহঁত কেইজনক পট্ৰিকত বহিব দি ৰাকেশ ঘৰৰ ভিতৰলৈ সোমাই গ'ল। ভিতৰত মাকক সকলো কথা বিৱৰি কলে আৰু মাকক কাবৌ কাকুতি কৰি কোনোমতে সৈমান কৰিলে অনিতাক আশ্ৰয় দিয়াৰ। ৰাকেশৰ দেউতাক তেতিয়া ঘৰত নাছিল বজাৰলৈ ওলাই গৈছিল। ভনীয়েক ৰীতাইয়ো পঢ়া টেবুলত পঢ়ি আছিল তেতিয়া। ককাইয়েক ৰাকেশে কথাবোৰ মাকক কৈ থাকোতেই ৰীতাই সকলো কাহিনী শুনিবলৈ পালে আৰু লাহেকৈ মাকৰ ওচৰৰ পৰা পট্ৰিকলৈ গৈ ৰমেনক কলে - অনিৰুদ্ধদা, অ' নহয়, মানে ৰমেনদা কংগ্ৰেচুলেচান। পিচে ঊষাজনী কিন্তু বেচ ধুনীয়া দেই।

ৰীতাৰ কথাত অনিতাৰ ভয় লাগিল। এইজনীয়ে দেখোন কেনেকৈ কাট মাৰি কথা কৈছে। ৰীণাৰ কথাত ৰমেনে একো উত্তৰ দিব পৰা নাছিল কেৱল তলমূৰকৈ বহি আছিল নিৰৱে।

: আহা ভিতৰলৈ আহা। লাজ কৰিব নেলাগে আহা, বুলি অনিতাক ৰীতাৰ পঢ়া কোঠালৈ লৈ গ'ল।

প্ৰথমতে ৰাকেশেই ছোৱালী অনা বুলি মূৰৰ ওপৰতে সৰগ ভাঙি পৰাৰ লেখিয়া হৈছিলগৈ। পিচে ৰাকেশৰ মুখৰ পৰা সকলো কথা জানিব পাৰিলত তেতিয়াহে ৰাকেশৰ মাকৰ বুকুৰ ধপধপনিটো মাৰ গৈছিল। নিশা ৰাকেশৰ দেউতাকেও আহি অনিতাৰ কথাবোৰ গম পালে। ৰমেন আৰু ৰঞ্জন দূয়ো ঘৰা ঘৰ গলগৈ সিদিনাৰ বাবে।

প্ৰথম দুদিন ৰাকেশৰ ঘৰতে ৰাখিলে অনিতাক। ৰমেন নিজৰ ঘৰতে থাকিল। দুদিন ৰখাৰ পিচত ৰাকেশৰ মাকে অনিতাক ৰাখিবলৈ অমান্তি হ'ল আৰু ৰাকেশক কলে-

: চোৱা ৰাকেশ তুমি বন্ধুত্বৰ খাতিৰত ছোৱালী পলুৱাই অনাত সহায় কৰিছা তাত মোৰ কব লগা একো নাই যদিও তোমাৰ মা হিচাপে মোৰো কিছুমান তোমাক কব লগা কথা আছে। তুমি আজি ৰমেনৰ নলে গলে লগা বন্ধু হৈ আছা। কিন্তু আজিকালিৰ মানুহক চিনা বৰ কঠিন। কিয় সিদিনা যে বৰ্মন খুৰাৰাই কথা এষাৰ কৈছিল মনত নাই নে?

: কি কথা মা?

: আজি যিজন তোমাৰ বন্ধু কাইলৈকে সিয়েই হয়তো তোমাৰ শত্ৰু হৈ পৰিব পাৰে আৰু আজি যিজন তোমাৰ শত্ৰু কাইলৈ সিয়ো হৈ পৰিব পাৰে তোমাৰ পৰম বন্ধু। বৰ্মনৰ কথাষাৰ মোৰ বৰ গাত লাগিছিল। যি ৰমেনৰ বাবে তুমি তোমাৰ মা-দেউতাৰৰ সন্মানৰ কথা, ঘৰত এজনী গাভৰু ছোৱালী আছে তাৰ কথা পাহৰি পলুৱাই অনা অচিনাকি ছোৱালী এজনীক আমাৰ সন্মতি অসন্মতিৰ কথা নভাবাকৈয়ে ঘৰ সুমাই দিছা ই জানো উচিত হৈছে। ৰমেনৰ আগতটো তোমাক আমি একো ক'ব নোৱাৰো। আমাৰো সন্মানৰ কথা এটা আছে। এনেকুৱা কামত আগভাগ লোৱাতো আমি সমিচীন বুলি নেভাবো। তুমি ওৰে বছৰ ধৰি মানুহ এজনক সহায় কৰি থকা, কিন্তু কিবাকৈ যদি এদিন সেই মানুহজনক সহায় কৰিব নোৱাৰা তেতিয়া হলে ইমান দিনে সহায় কৰি অহা উপকাৰবোৰ একেদিনাই পাহৰি যায়। আজিৰ যুগটো হৈছে নিজক বচাই ৰখাৰ যুগ। কেনেবাকৈ যদি ছোৱালীৰ গৃহস্থই আমাৰ ইয়াত ছোৱালীজনী লুকাই থকা বুলি গম পাই আৰু পুলিচত কেচ দিয়ে তেতিয়া ঘৰখনৰ কি দুৰ্নাম হ'ব ভাবি চাইছা নে? ৰীতাৰ কথা ভাবি চাইছা নে? সঙ্গ চাইহে ফুৰিব লাগে। আজি দুদিন ধৰি তোমাৰ বন্ধুত্বৰ খাতিৰতে ৰাখিলো আৰু আমাৰ ইয়াত ৰাখিব নোৱাৰা ৰমেন আহিলে আন ঠাইত ৰখা ব্যৱস্থা কৰিবলৈ কবা।

ৰাকেশৰ মাকে ৰাকেশক কথাবোৰ কৈ থাকোতে ওচৰৰ কোঠাত থকা অনিতাৰ কাণত পৰিছিল কথাবোৰ। ওচৰৰ সন্ধিয়াপৰত ৰমেন আৰু ৰঞ্জন ৰাকেশৰ ঘৰলৈ আহোতে কথাখিনি ৰাকেশে ৰমেনক বুজাই ক'লে অনিতাক ৰখাৰ অসুবিধা হ'ব বুলি।

ৰাকেশৰ মাকৰ কথাখিনি শুনাৰ পিছত অনিতাৰ চকুহালেৰে বাগৰি আহিছিল দুটোপাল তপত অশ্ৰু। তাই পলাই আহি ভুল কৰিলে নেকি? ৰমেনে অনিতাক পলুৱাই অনাৰ আগতেই ভাবি চাব লাগিছিল কেনেকৈ অনিতাক পুহিব, ক'ত ৰাখিব ইত্যাদি ইত্যাদি। তাইয়ো কেতিয়াও ভৱা নাছিল এই দৰে পলুৱাই আহিলে যে কি ভীষণ বিপদত পৰিব। এনেদৰে পৰৰ ঘৰে ঘৰে কিমান দিন বাৰু পলাই চুৰকৈ থাকিব? ৰাকেশৰ কথাখিনি শুনাৰ পিছত ৰমেনো উপায়ন্ত হৈ পৰিল আৰু তেতিয়াই তিনি বন্ধুৱে আহি আমাৰ ইয়াত অনিতাক থৈ গ'ল।

: ইমান কথা তুমি কেনেকৈ জানিলা?

: কিছু ললিতা বাইদেউৰ মুখৰ পৰা আৰু কিছু ৰমেনৰ পৰা। অনিতাৰ প্ৰেম কাহিনী ঠোৰতে শুনিলো। তেতিয়া ৰাতি পুৱাবলৈ যে আৰু বেছি সময় নাছিল কুকুৰাই ডাক দিওঁতেই গম পালো। তাৰ পিচতে দূৰৰ পৰা ভাহি আহি কাণত পৰিছিল "আল্লাহু আকবৰ" বুলি আজান দিয়াৰ শব্দ। আজি কিছুদিনৰে পৰা আমাৰ ওচৰতে থকা কালী মন্দিৰটোতো ব্ৰহ্মপুৱাতে মাইকত হৰি কীৰ্ত্তনৰ কেচেট বজোৱা হৈছে। সেই মন্দিৰৰ পৰাও ভাহি আহিছিল "হৰে কৃষ্ণ হৰে কৃষ্ণ কৃষ্ণ কৃষ্ণ হৰে হৰে"।।

***

(৯)

পিচদিনা আমি বিছনা এৰাৰ আগতেই অনিতাই বিছনাৰ পৰা উঠি আমাৰ ঘৰৰ চোতালখন সাৰি-পুচি নিকা কৰিলে। ল’ ৰা ছোৱালী দুটাকো বিছনাৰ পৰা উঠিবলৈ মাতিছে আৰু মুখ হাত ধুৱলৈ ব্ৰাছ আদি আনি হাতত তুলি দিছে। সিহঁতক মুখ হাত ধুৱলৈ দি পাকঘৰত সুমাই চাহৰ যোগাৰৰ বাবে খুট্‌খাট কৰোতেই সাৰ পাই গ'লো বিছনাৰ পৰা ৱাল ঘড়ীটোলৈ লক্ষ্য কৰি দেখো যে তেতিয়া সাৰে সাত বাজি গৈছে। যোৱা নিশা ভাল টোপনি নোহোৱা বাবে বিচ্ছনাৰ পৰা উঠোতে কিছু পলম হ’ল। আন কোনো দিনেই ইমান দেৰীকৈ মই শুই নাথাকো। সোনকালে বিছনা এৰা মোৰ স্বভাৱ। ল’ৰা ছোৱালীকো কওঁ সোনকালে শুৱা আৰু সোনকালে উঠিবা, মনীষী সকলে কৈ গৈছে ইয়াৰ সুফলৰ কথা।

: খুৰা চাহ আনিছো খাওঁক।

: তুমি চাহ আনিলাই নেকি? হেৰা অনিতাই চাহ বনাই আনিলেই। উঠা উঠা বহু দেৰী হৈ গ'ল আজি।
: হয়। বুলি ওচৰতে থকা টি টেবুলখনত চাহ দুকাপ থৈ গ'লগৈ অনিতা। কাষত বিস্কুটৰ প্লেটখনো ৰাখিছে।

আগতে অনিতাই মোক ছাৰ বুলি মাতিছিল মোৰ ইনষ্টিটিউটৰ ছাত্ৰী হিচাপে। আজি হঠাতে খুৰা সম্বোধন ধৰি মাতিলে। খুৰা বুলি মাতি অনিতাই মোক আৰু বেছি আপোন কৰি ল'ব বিচাৰিছে নিশ্চয়।

অনিতাই জানে আমি কেনে ধৰণৰ মানুহ। কিন্তু কোনো দিনেই পাকঘৰত নুসুমোৱা ছোৱালী অনিতাই পাৰেমানে আমাক সন্তুষ্ট কৰিবলৈকে এনে কাম কৰিছে যেন মোৰ অনুমান হ'ল। মই একো কোৱা নাই। নীলিমা আৰু মই বিছনাৰ পৰা উঠি মুখখন ধুই চাহ কাপ খালো। অনিতাই ল'ৰা ছোৱালী দুইটাকো চাহ পানী যোগাৰ কৰি পঢ়াত বহিবলৈ কৈছে। আমি বিছনা এৰাৰ লগে লগে বিছনাখন সামৰি সুটৰি ভালকৈ পাৰি থলে। অনিতা যেন আমাৰ ঘৰৰ এজনী নিজা সদস্যহে তেনেকৈয়ে কামবোৰ দেখোন কৰিবলৈ ধৰিলে। আমি আটাইয়ে নিমাত। ভালো লাগিছিল এনেকৈ কামবন কৰি আপোন চেষ্টা কৰা বাবে। লাহেকৈ অনিতাক কলো তুমি কিয় কামবোৰ কৰিব ধৰিছা। নীতাই কৰিব নহয়। তোমাক আমি আশ্ৰয় দি কামত লগাম কিয়?

: কিয় মই কৰিলে বেয়া নেকি খুৰা

: নাই মই সেইটো ক'ব খোজা নাই। কাম কৰা ছোৱালী আছে যেতিয়া তাই কৰিব। তুমি আলহী মানুহ আমাক কাম কৰি দিলে ভাল নেদেখি মোৰ সিটো নীতিও নহয়।

: মোক নিজৰ ছোৱালী বুলি ভাৱক চোন। আপুনিয়েই মোৰ আশ্ৰয়দাতা।
আপোনালোককেই মোৰ দেউতা বুলি ভাবি লৈছো।

এই বুলি কৈ ল'ৰা ছোৱালীৰ ওচৰত গৈ পঢ়া দেখুৱাই দিবলৈ ধৰিলে।
সৰ্বনাশ। অনিতাৰ কথাত বান্ধ খায় আমি।
দিনটো ভালে ভালেই অনিতাই নিজৰ ঘৰৰ নিচিনাকৈ খুৰীয়েকক কাম বনত হাত জোকাৰিলে আৰু ছোৱালী দুটাৰ সৈতে খেলি পাৰ কৰি দিলে।

সন্ধিয়াপৰত আকৌ তিনিজন ডেকা অটো এখনত আহি আমাৰ পদূলি মুখতে নামিল। মই সিদিনা ঘৰতে আছিলো। নীলিমাই বহা কোঠাটোত সিহঁত কেইজনক বহিবলৈ দি মোক মাতিলে আৰু ল'ৰা কেইজনৰ লগত পৰিচয় কৰি দিলে। মোক দেখি বহাৰ পৰা ঘপহ কৰে চকীৰ পৰা উঠি নমস্কাৰ জনালে।

: নমস্কাৰ। বহা বহা।
: খুৰা যোৱাকালি আপোনাক লগ নেপালো, আপোনাক নোসোধা নোপোচাকৈয়ে ছোৱালীজনীক ইয়াত থৈ গ'লো। বেয়া নেপাব। ক্ষমা কৰিব-বুলি ৰঞ্জনে কথাখিনি খৰখৰকৈ কৈ গৈছিল এক অপৰাধীৰ সুৰত।

ৰমেন তেতিয়াও তলমূৰকৈ মনে মনে বহিয়ে আছিল। অলপ পিছতেই নীলিমাই আটাইৰে বাবে চাহ লৈ আহিল আৰু কাষতে বহিল কথাত ভাগ ল'বলৈ।

চাহ খাই খাই ৰঞ্জন আৰু ৰাকেশে সানুনয়ে নিবেদন জনালে এটা ভাৰাঘৰ ৰমেন আৰু অনিতাক থাকিবলৈ দিব লাগে বুলি। অনিতা কিন্তু তেতিয়াও ওলাই অহা নাছিল। গধূলিৰ প্ৰাৰ্থনা ভাগ সকলোৱে একে লগে গোৱাৰ পিছত উজ্জ্বল আৰু ৰাণীক পঢ়ুৱাই আছিল অনিতাই।

অনিতাক নেদেখি হয়তো ৰমেনৰ মটোৱে উচপিচাই আছিল, নিশাটো কেনেদৰে তাই পাৰ কৰিলে দিনটা কেনেদৰে গ'ল ইত্যাদি ইত্যাদি বুলি। যিমানেই আপোন নহওঁক কিয় নিজৰ প্ৰেয়সীক আনৰ আশ্ৰয়ত থৈ কোনো ব্যক্তিয়ে শান্তিত থাকিব নোৱাৰে। চকুৰ আঁৰ হ'লেই দুঃচিন্তাই প্ৰেমিকক হেঁচামাৰি ধৰাটো কোনো অস্বাভাৱিক কথা নহয়। সেই সময়ত এটা শ্বায়েৰীলৈ মনত পৰিছিল মোৰ। তাৰ অসমীয়া ভাৱাৰ্থ এনে ধৰণৰ আছিল-

অগনিত জনতাৰ বিশাল সভাখন
লাগিছিল মোৰ উকা উকা
যেতিয়ালৈ দেখা নাছিলো তোমাক
চৌদিশে দুচকু ফুৰাই
কৰিছিলো চলাথ
ক'ত জানো দেখা পাওঁ তোমাক।।
চকুত ধৰা দিলা যেতিয়া
তেতিয়াহে সাৰ্থক হ'ল
সেই বিশাল জনসভা।।

তাকে ভাবিয়ে নীলিমাক কলো-
: হেৰা অনিতাক নেমাতা কিয়? ৰমেনহঁত আহিছে বুলি কোৱা।

এই বুলি কৈ মই অলপ বাহিৰলৈ উঠি যোৱাৰ চল কৰি সিহঁতৰ দেখা সাক্ষাতৰ সুবিধাখিনি কৰি দিলো। মই বহি থাকিলে হয়তো অনিতাৰ লগতে সিহঁত কেইজহে জগত পতিনেও কথা পতাত লাজ কৰিবও পাৰে। কিছু সময়ৰ পিছত যেতিয়া মই কোঠাটোত আকৌ আহি উপস্থিত তেতিয়া সাউত কৰে অনিতা ৰাণীহঁতে পঢ়া কোঠালৈ গুচি গৈছিল। তেতিয়া আঁৰ চকুৰে এবাৰ ৰমেনৰ মুখলৈ চাই পঠিয়াইছিলো। ৰমেনৰ মুখমণ্ডলত দেখা পাইছিলো এক আশাব্যঞ্জক সুখানুভূতিৰ পৰিমল জ্যোতি। অনিতাই যে অতি আনন্দ আৰু সুৰক্ষিত অৱস্থাত নিশাটো কটাব পাৰিছে সেয়া ৰমেনহঁতে দেখিয়েই নিশ্চয় বুজিব পাৰিছে।
: খুৰা আপুনি কি কয়, আপোনাৰ ৰুম এটা দিয়ক ইহঁতক। পুনৰ ৰঞ্জনে কথাৰ পাতনি মেলিলে।
: ৰবা। তোমালোকে নিশ্চয় জানা যে মোৰ ঘৰলৈ বহু ধৰণৰ লোক আহি থাকে। এওঁলোক ইয়াত থাকিলে দেখোন সকলোৱে গম পাব এহাল বিয়া নোহোৱা ডেকা গাভৰুক আশ্ৰয় দিয়া বুলি। বিয়া নোহোৱাকৈয়ে ডেকা গাভৰু এহালক ৰখাটোও এক অপৰাধ নহয় জানো? তোমালোকেই কথাষাৰ এবাৰ গভীৰ ভাৱে ভাবি চোৱাচোন। এওঁলোকৰ বিয়া পাতি

দিয়া তেতিয়া কাৰো কতো অসুবিধা নহ'ব। ল'ৰা ছোৱালীৰ যিহেতু বিয়া পতাৰ উপযুক্ত বয়সো কোনোৱেও হৈছে বাধা প্ৰদান কৰিব নোৱাৰে। কথা হ'ল দুয়োজন দুটা ভিন্ন ধৰ্মৰ লোক। যদি এওঁলোকে সন্মতি দিয়ে মইয়েই সকলো কৰি দিম, কিন্তু ৰমেনে হিন্দুত্ব গ্ৰহণ কৰিব লাগিব। তেনে নকৰিলে সামাজিক বিয়া নহ'ব আৰু সামাজিক বিয়া নহ'লে মোৰ ঘৰত আশ্ৰয় দিয়াও কঠিন হ'ব। জানি শুনি অসামাজিক কাম মই কৰিব নোৱাৰো। অ' এইটো ঠিক যে বিয়া পাতিলে বেছি খৰছ হ'ব, অন্যথাই কোৰ্ট মেৰেজে হলেও কৰি লোৱাতো ভাল, বুইছা।

: ৰাকেশে কলে- খুৰাই ঠিকেই কৈছে। ৰমেন তই কি কৰ। হ'বা খুৰাৰ কথামতেই হ'ব। দৰকাৰ হ'লে মই ধৰ্মও পৰিৱৰ্ত্তন কৰিম। তলমূৰৰ পৰা ৰমেনে মূৰটো তুলি কথাখিনি ক'লে।

: হেৰা তোমালোকে যদি সঁচাই ইজনে সিজনক ভাল পোৱা দুয়োজনে কিছু কিছু ত্যাগ কৰিব লাগিব। অনিতাই নিজৰ মাক দেউতাকৰ সন্মানীয় ঘৰখন এৰি মোমায়েকৰ ঘৰৰ পৰা তোমাৰ সৈতে জীৱন কটোৱাৰ উদ্দেশ্য লৈয়ে যিহেতু পলাই আহিলে আৰু তুমিও অনিতাক পাৱলৈ ব্যগ্ৰতাৰে অধীৰ হৈ আছা প্ৰথমতে কোৰ্ট মেৰেজকে কৰি লোৱা ভাল। যদি তোমালোকৰ মনত বিন্দুমানো ইজনে সিজনৰ ওপৰত সন্দেহ ভাৱ ৰাখি থৈছা তেতিয়া হলে তোমালোকৰ এই প্ৰেম বিবাহৰ পিছত গৈ অশান্তিৰ কাৰণ হৈ পৰিব। বহুতো তেনে প্ৰেম বিবাহ দেখিছো। প্ৰথম অৱস্থাত খুউব মৌ মৌৱা পিচত গৈ সেই মৌ ৰস শুকাই যায় আৰু ওৰেটো জীৱন ছোৱালীয়ে কান্দি কাটিয়ে কটাব লগীয়া হয়। কাৰণ আমাৰ সমাজখন এতিয়াও নাৰী প্ৰধান হোৱা নাই যিহেতু পুৰুষ সকল বিপদৰ পৰা বাচি যায়, কেৱল নাৰী সকলেহে সংসাৰৰ দুৰ্ভোগ ভূগিব লগাত পৰে। কাইলৈ এটা সন্তান হওঁক, ধৰি লোৱা ৰমেনে অনিতাৰ কোলাত কেচুৱাটো থৈ ক'ৰবালৈ গুচি গ'ল। অনিতাই কেচুৱাটো ক'ত পেলাই দি মুক্ত হ'ব। নাৰীয়ে সেইটো কেতিয়াও কৰিব নোৱাৰে। তোমালোকে মোৰ আশ্ৰয় লৈছা বাবেই মই সকলো কথাৰ আগ পিচৰ ফল কেনে হ'ব পাৰে তাৰেহে কথা কৈছো আচলতে তোমালোকৰ লগত মই এনে কথা পতা উচিত নহয় কাৰণ তোমালোক মোতকৈ বহু সৰু। পিচে খুৰা বুলি মতা বাবেই আৰু অভিভাৱকত্ব পোৱা হেতুকে এই কথাখিনি কৈছো বেয়া নেপাবা আকৌ।

তেতিয়া মনত পৰিল বাণী ভট্টাচাৰ্যৰ কথা। বাণী ভট্টাচাৰ্য বাংলাভাষী বঙালী ব্ৰাহ্মণ পৰিয়ালৰ ল'ৰা। পেছাত সাংবাদিক আছিল। তেওঁ ভাল পালে কটন কলেজত পঢ়ি থকা ৰাজিয়াক। বামুণ পৰিয়ালৰ ল'ৰা আৰু মুছলমান সম্প্ৰদায়ৰ ছোৱালীৰ লগত ভালো বাসা। দুয়োয়ে দুয়োক গভীৰ ভাৱে ভাল পায়। কথাষাৰ মোৰ কাণত পৰিল। এটা সময়ত মোৰ কলেজীয়া বন্ধু আছিল বাণী ভট্টাচাৰ্য। মোৰ সহায় বিচাৰিলে বাণীয়ে তেতিয়া বিশ্ব হিন্দু পৰিষদৰ সহযোগত আৰ্য সমাজৰ ব্যৱস্থা পনাৰে আৰ্য্য মন্দিৰত হিন্দু প্ৰথাৰে শাখা সেন্দুৰ পিন্ধাই ৰাজিয়াক 'ৰশ্মি' নাম লৈ পৰিবৰ্ত্তীত কৰি বিয়া পাতি দিছিলো। এতিয়াও সিহঁত সুখে সন্তোষে ল'ৰা ছোৱালী দুটিৰে সংসাৰ পাতি আছে। তাৰ বাবে লাগিব মানসিক পৰম বল আৰু প্ৰস্তুত থাকিব লাগিব লোক গঞ্জনা সহ্য কৰিবলৈ। কাৰণ আমাৰ সমাজখন এতিয়াও পৰিৱৰ্ত্তন হোৱা নাই নহয় যে তোমালোকক সহজ ভাৱে ৰাইজে গ্ৰহণ কৰিব। যদি এনে মানসিকতা আছে তেতিয়াহে আগবাঢ়িবা নহ'লে এতিয়াও সময় আছে মই অনিতাক গোবিন্দপুৰলৈ লৈ গৈ ঘৰত থৈ আহিম গৈ। অনিতাক অন্যৰ লগত বিয়া পাতি দিয়াম আৰু তুমিও আন খৃষ্টিয়ান ছোৱালীৰ সতে সংসাৰ পাতিব পাৰিবা। এতিয়া তোমালোক যোৱাগৈ কাইলৈ পুনৰ আহিবা তোমালোকৰ সিদ্ধান্ত লৈ। এতিয়া নিশাও ভালেমান হ'ল।

ইতিমধ্যে ৱাল ঘড়ীটোৱে আমাক সকিয়াই দিছিল নিশা দহ বজাৰ। অনিতাক মাত লগাই সিহঁত তিনিজন গুচি গৈছিল ঘৰা ঘৰি।

***

# (১০)

অনিতাক লৈ মোৰহে চিন্তা বেছি হ'ল কি দৰে ছোৱালীজনীৰ বিয়াখন পাতি দিওঁ। নীলিমাই দিগন্তক মাতি পঠালে ফোনতে। দিগন্ত উকীল। আমাৰ ভাল চিনাকি। এই দিগন্তজনৰো কম দুখ গৈছিল নে এটা সময়ত? কথাতে কয় নহয় দুখ কৰিলেহে মুখ ভৰে বুলি। সঁচা কথা। দিগন্তও এদিন মোৰ কাষ পাইছিল আৰু স্বাৱলম্বি হ'বলৈ শিকাই টিউচন দুটামান যোগাৰ কৰি দি মন দি পঢ়িবলৈ কৈছিলো আৰু আমাৰ কথা শুনি বি.এ.টো কষ্ট কৰি সুখ্যাতিৰেই পাচ কৰে। পিচত আইন পঢ়িবলৈকে আমি বৰ জোৰ দিলো । আইনো পাচ কৰি এতিয়া নাম জ্বলা উকীল। উকীল হোৱাৰ পিচত মই কৈছিলো -দিগন্ত তুমি হাকিম হ'ব লাগিব তেতিয়াহে মই সুখী হ'ম।

মোৰ স্বাৰ্থ একো নাছিল আছিল মাথোন দিগন্ত মোৰ গাৱঁৰে ল'ৰা। দিগন্তই বহু কষ্ট কৰিয়ে নিজৰ ভৰিৰ ওপৰত থিয় হৈ ইমান খিনি পাইছে। এক আদৰ্শ দেখুৱাইছে। গতিকে পিছদিনা দিগন্ত আহি আমাৰ ঘৰত উপস্থিত।

দিনে নিশাই নীলিমাই অনিতাক বহু বুজনি দিলে তুমি কেতিয়াও নিজৰ ধৰ্ম নেৰিবা। কথাতে কয় দেখোন "স্ব-ধৰ্মে নিধনং শ্ৰেয় পৰ ধৰ্ম ভয়াৱহ।" তুমি ৰমেনক হিন্দুলৈ পৰিৱৰ্ত্তন কৰা। ৰমেনৰ মাকৰ বাহিৰে কোনো এটা নাই, মাকৰ মৃত্যুৰ পিছত তুমি কাক নিজৰ বুলি কবা। কিন্তু তোমাৰ মা-দেউতাৰা আছে, বংশ গোষ্ঠী আছে । মা দেউতাৰাৰ গাওঁখনত সন্মান আছে। ভাল শিক্ষক মানুহ। বাইদেউৰা ভিনিয়েৰা সকলো তোমাৰ আছে । গতিকে নিজৰ ধৰ্ম এৰি খৃষ্টিয়ান হ'লে পিচত বিপদত পৰিবা। আজি প্ৰেম প্ৰৱাহৰ তেজৰ উত্তাপত হিয়া উতলি আছে সঁচা যেতিয়া ৰমেনৰ সৈতে একে লগে শুৱ পাৰা তাৰ কেইদিনমান পিছতে বৃহৎ সমাজখন এৰাৰ দুখ উপলব্ধি কৰিব পাৰিবা। গতিকে মোৰ বোধেৰে নিজৰ ধৰ্ম ত্যাগ কৰা উচিত নহয়।

দিগন্তৰ লগত নীলিমাক পৰামৰ্শ ল'বলৈ দি মই হিন্দু সংগঠন কেইটামনৰ ওচৰ পালোগৈ। কেইবাটাও সংগঠনে নিজকে হিন্দু সকলৰ অভিভাৱক বুলি গৌৰৱ বোধ কৰি থকা সংগঠনৰ ওচৰ পাইহে বুজিব পাৰিলো আচলতে সকলো মিছা। ডেকা ডেকেৰী হালৰ সমস্যাখিনি বিৱৰি কলো যদিও কোনো এটা সংগঠনৰে পৰা সদুত্তৰ নাপালো। এটা সমাজৰ মুৰব্বীক লগ পালো যদিও তেওঁলোকৰ হেনো তেতিয়া পুজাৰীজন নাছিল আৰু এই কাম কৰিবলৈ কিছুদিন সময় লাগিব তেওঁলোকৰ। সংগঠন দুটাৰ ওপৰত খং উঠিল। এনে সংকটপূৰ্ণ সময়চোৱাত ৰৈ থাকিবলৈ জানো সময় আছে?

ইফালে সিফালে ঘূৰোতে সাত দিন পাৰ হৈ গ'ল। অনিতা মোৰ ঘৰতে। ভয়ো লাগিছে, যদি অনিতাৰ ঘৰৰ পৰা মানুহ বিচাৰি আহি মোৰ ঘৰত ওলাই তেতিয়া কি হ'ব। মোকেই দোষ দিব মানুহে। তাকে ভাবি উপায়ন্ত হৈ বালাজী মন্দিৰতে বিয়া পাতি দিলো। ময়েই পূজাৰী, আমিয়ে ল'ৰা ছোৱালীৰ মাক দেউতাক। দুয়োজনকে হিন্দু ধৰ্মৰ কিছু মন্ত্ৰ পাঠ কৰাই ইজনে সিজনৰ দিঙিত মাল্যাৰ্পণ কৰি তেত্ৰিশ কোটি দেৱতাৰ শপত পাঠ কৰাই মন্দিৰতে বিয়া পাতি দিলো আৰু আমাৰ এটি কোঠাত থাকিবলৈ দিয়া হ'ল। এইদৰেই অনিতা ৰমেনৰ আৰম্ভ হৈছিল সংসাৰৰ। জীৱনৰ প্ৰথম ফুলশয্যাৰ নিশাটো ৰমেন আৰু অনিতাই কটাব লাগিছিল পালেং নোহোৱাকৈয়ে এখন ঢাৰি আৰু আমি পাৰি দিয়া তুলিখনৰ ওপৰত।

এইদৰেই আৰম্ভ হৈছিল দুই প্ৰেমিকাৰ সংসাৰ জীৱনৰ কাহিনী। কেইদিনমান পিছত গোবিন্দপুৰলৈ খৱৰ পঠিয়াওৱা হ'ল অনিতা আমাৰ ঘৰতে থকা বুলি আৰু অনিতাৰ ভিনিহিয়েক দধি আহি সকলো বাৰ্ত্তা লৈ গ'ল নীলিমাৰ মুখৰ পৰা।

সময়বোৰ পাৰ হৈ গৈ থাকিল। ৰমেন আৰু অনিতা আমাৰ ঘৰৰ সদস্যৰ নিচিনা হৈ পৰিল অলপ দিনৰ ভিতৰতে। ঘৰৰ সকলো চুক কোণ জনা হ'ল সিহঁতে।

: হেৰি শুনিছে নে অনিতাই গাধোৱা নাই।

ৰাতিপুৱা বাতৰি খন পঢ়ি থাকোতেই নীলিমাই কথাষাৰ মোক জনালে।

: কিয় বাথৰুমত কোনোবা আছে নেকি?

: নহয়হে মানে অনিতাৰ গাত লেঠা লাগিল।

চকুৰ পৰা ছাছমাযোৰ উলিয়াই মই কলো হয় নেকি?

: তুমি ভিনিহিয়েকৰ আগত কি কৈ পঠালা।

: মন্দিৰত বিয়া পাতি দিয়া বুলি কৈছো।

: তেওঁ কি কৈছে।

: একো মন্তব্য নিদিলে।

: আৰু আহিব নে?

: ৰবিবাৰে আহিব হেনো।

: ঠিকেই আছে আৰু মাত্ৰ ৰবিবাৰলৈ দুদিনহে আছে।

ৰমেনে ৰাতিপুৱা উঠিয়ে উজ্জ্বল আৰু ৰাণীক পঢ়ুৱাই অনিতাই খুৰীয়েকক অন্যান্য কাম কৰি দি সহায় কৰে। ৰমেনৰ মাকেও অনিতাক বিয়া কৰোৱাত সন্মতি প্ৰদান কৰিছে একমাত্ৰ আমাৰ বাবেই। সিহঁত দুটাক নিজাকৈ খোৱা লোৱাৰ ব্যৱস্থাও কৰি দিয়া হ'লআমাৰ ঘৰৰ কোঠা এটাত।

ৰবিবাৰে ভিনিয়েক দধি আহি আমাৰ পৰা সকলো আদ্যপান্ত শুনিলে। দধিয়ে সামাজিক ভাবে বিয়া পতাৰ কথা কলে শাহু শহুৰক। গৰ্গৰাম স্বৰ্গীয়াৰীৰ সমাজখনত এটা সুনাম আছে। তেওঁৰ ছোৱালী পলাই আমি যোৰ দিলো।

আনহাতে মোৰো চিন্তা এটা বাঢ়িল অনিতাৰ গাত লেঠা সুমেৰা কথা শুনি। পলাই অহা এহাল ডেকাগভৰুক অসামাজিক ভাৱে ৰখাটোও অপৰাধ, সামাজিক বিয়াখন হৈ গ'লে আমাৰো চিন্তা নাথাকে।

অৱশেষত সিহঁতৰ সামাজিক বিয়া পাতি দিলো মইয়েই ৰমেনৰ অভিভাৱক হৈ। গোবিন্দপুৰৰ ৰাইজে ধৰিবকে নোৱাৰিলে অনিতাই খৃষ্টিয়ান ল'ৰালৈ পলাই যোৱা বুলি। গৰ্গাৰাম আৰু মীনাক্ষিয়ে আমাকেই বিয়ৈ বিয়ৈনীৰ আসনত বহুৱালে আৰু ল'ৰাৰ হৈ ময়েই ৰাজহুৱা দায়-দোষ মাৰিলো। কেৱল মাক মাহেতী মোৰ কাষতে বহিহে আছিল এটা যন্ত্ৰৰ নিচিনাকৈ। অৱশ্যে ৰমেন আমাৰ পুৰণি চিনাকি নহয়, অনিতাহে আমাৰ চিনাকি আছিল তাইকহে আমি নিজৰ ছোৱালীৰ নিচিনা ভাবি ৰাখিছিলো, আশ্ৰয় দিছিলো ৰমেনক নহয়।

***

# (১১)

মানুহ যে ইমান অশলাগী হ'ব পাৰে কোনো দিনেই ভাবিব পৰা নাছিলো। বহুতোকে মই অকৃপনভাৱে সহায় কৰিছো। কাৰোবাক চাকৰি দি কাৰোবাক কইনা চাই কোনোবাক দৰা চাই সংসাৰ পাতি দি, কাৰোবাক টকা নোহোৱাকৈয়ে মোৰ প্ৰশিক্ষণ কেন্দ্ৰটোৰ জৰিয়তে কম্পিউটাৰৰ শিক্ষা দি কাৰোবাক টকা পইচা দি সহায় কৰিব নোৱাৰিলেও হিতোপদেশ দি কোনটো ভাল পথ কোনটো বেয়া পথৰ মাৰ্গ দৰ্শন কৰি তাৰ সীমা সংখ্যা নাই।

মোৰ এই ঠাইখনলৈ প্ৰথমে আহোঁতে ভাল ওচৰ চুবুৰীয়া পোৱাৰ আশাৰে কিমানক আনি চাহ পানী খুৱালো মাটি কিনাৰ বাবে। ভাল পৰিয়াল এটা আহিলে ঠাইখন ভাল হ'ব বুলি ভাবিয়েই তেনে কামবোৰ কৰিছিলো। এদিন নীলিমাই মোক প্ৰায় শাসনৰ সুৰতে কৈছিল- হেৰি আজিৰ পৰা আপুনি মাটি কিনাৰ নামত আমাৰ ঘৰত কোনোবা মানুহক মাতি আনি চাহ দিব খুজিলে মই এটুপি পানী ও নিদিও। কিয় জানে নে? আপুনি আজিৰ সমাজৰ মানুহৰ দৃষ্টিভঙ্গীবোৰ শিকিব নেজানিলে। আজিৰ মানুহৰ স্বভাৱ হ'ল স্বাৰ্থপৰতা। নিজক লৈয়ে ব্যস্ত, কেৱল মাথোন আপোনাৰ বাহিৰে।

: কিয় এনেকৈ কৈছা কথাবোৰ।
: আপোনৰ এটা বদনাম শুনিবলৈ আৰু বেছি দিন নাই
: কি বদনামৰ কথা কোৱাহে
: আপুনি যে মানুহবোৰ মাতি আনি কৰ্ত্তব্য বড়োৰ মাটি দেখুৱাই আছে, মানুহ বিলাকে আপোনাৰ কিবা লাভ থকা বুলি নেভাবিব নেকি? আপুনি সততাৰে ৰাইজৰ সেৱা কৰি সমাজ ভাল কৰিবলৈ যোৱাটো কোনোৱেই নাভাবিব আৰু এদিন মাটিৰ দালালী কৰা বুলি লোকে কৈ ফুৰিব। দালালী কৰাৰ যি বদনাম সেই বদনাম যাতে মই শুনিব নেলাগে তাকে আপোনাক সোঁৱৰাই দিলো কিন্তু।

নীলিমাই অত্যন্ত ক্ষোভত কথাবোৰ কোৱাত তেতিয়াহে মোৰ বিবেকৰ পৰ্দা খোল খালে। কোনো দিনেই বেয়া দিশটোৰ কথা ভাবিবই শিকা নাছিলো সৰুৰে পৰা। যি কাম কৰি যাওঁ মনৰ পবিত্ৰতাৰে কৰো। ৰাইজৰ কামবোৰ কৰি দিওঁ বাঃ বাঃৰ আশাত নহয়, কেৱল মনৰ আনন্দত। অৱশ্যে নীলিমাই ভবা কথাও মিছা নহয়। আজিৰ সমাজৰ মানুহ বিলাকৰ মনবোৰত ইমান পঙ্ক জমা হৈছে যে ভাল কাম, নিস্বাৰ্থ সেৱা, কোনোৱে কৰিব পাৰে বুলি চিন্তাই কৰিব নোৱাৰে। কোনে কি ভাৱে সেইটোলৈ লক্ষ্য নকৰি কেৱল গীতাৰ বাণী 'কৰ্মণেৱাধিকাৰাস্তে মা ফলেসু কদাচন' কথাষাৰ সাৰোগত কৰিয়ে কাম বিলাক কৰো। অৱশ্যে কেতিয়াবা কেতিয়াবা মনৰ মাজত তুফান নুঠা নহয়। উঠে। উপকাৰ কৰি মিঠা মাত এষাৰো নেপালে দুখ লগাতো স্বাভাৱিক। আমি যিহেতু মানুহহে মহাপুৰুষতো নহয় যে মুক্তিতো নিস্পৃহ হ'ব পাৰিম।

অনিতা ৰমেনক নিজৰ ল'ৰা-ছোৱালীৰ নিচিনা ভাবি সংসাৰ পাতি দিছিলো, সিহঁতেই যে এদিন মোৰ বুকুত কুঠাৰ মাৰিব সেই কথা ভাবিই পৰা নাছিলো।

প্ৰতিপদৰ কাচি জোনটোৱে এদিন দুদিনকৈ গৈ পোন্ধৰ দিনত পূৰ্ণতা লভি পূৰ্ণিমা পাই আৰু পূৰ্ণিমাৰ পোহৰত জোনটো দেখিবলৈ শুৱনি হৈ উঠে, ঠিক তেনেদৰে পোন্ধৰ দিনৰ পিচত আকৌ জোনটোৰ পোহৰ নোহোৱা হৈ গৈ আউসীত ডুব যায়গৈ। তেতিয়া আউসীৰ ঘোৰ অন্ধকাৰ নামি আহে পৃথিবীৰ বুকুলৈ।

বছৰ দিন পাৰ হোৱাৰ পিচতেই অনিতাৰ কোলালৈ আহি পৰিল এটি কন্যা শিশু। ডেলিভাৰিৰ সময়ত নীলিমায়েই নিশা বাৰ বজালৈকে নিজৰ ছোৱালীৰ নিচিনাই প্ৰতিপাল কৰি থাকিল হাস্পাতালত। অনিতাৰ মাক দেউতাকৰ খবৰকে

নাই। প্ৰসৱ বেদনাৰ আৰ্ত্তনাদত সাহস আৰু ধৈৰ্য্য ধৰিবলৈ নীলিমাৰ বাহিৰে অনিতা ৰমেনৰ নিজৰ তেজৰ কোনো এজন ব্যক্তিয়েই নাছিল। কন্যা শিশুটি জন্ম পোৱাৰ পিচতহে নীলিমাই ঘৰলৈ উভতি আহিছিল হাস্পাতালৰ পৰা শেষ নিশা।

সময় বৰ নিষ্ঠুৰ। সময়ৰ গতিত মানুহৰ মনবোৰে সলনি হৈ যায়। আজিৰ যুগত খাব নোপোৱাই খাবলৈ পালে, নিৰ্ধনীৰ ধন হলে, মানুহবোৰে পাহৰি যায় অতীতৰ দুখময় দিনবোৰৰ কথা আৰু পাহৰি যায় মানুহে কৰা উপকাৰৰ কথা। আমিও ভাবিব পৰা নাছিলো যে অনিতা ৰমেনে আমাৰ কথাবোৰ পাহৰি যাব।

পূৰ্ণিমা ৰ পিছত আউসী অহাৰ দৰে আমাৰ মাজত তেনে দিন আহিব ধৰিলে। অনিতাই নিজৰ স্বাৰ্থ পূৰণ হোৱাৰ পিচত সমানে সমানে খুৰীয়েকৰ লগত ফেৰ মাৰিবলৈ ধৰিলে প্ৰতিটো কথাতে। ল'ৰা ছোৱালী দুটাকো ৰমেনে পঢ়ুৱালে বেয়া পোৱা হ'ল অনিতাই। ৰমেনে ল'ৰা ছোৱালী দুটাক পঢ়ুওৱা টিউচন ফিজ ল’ব নুখুজে কিন্তু অনিতাই খুৰীয়েক নীলিমাৰ হাতৰ পৰা লয়। আমাৰ ত্যাগৰ কোনো মূল্য নিদিলে অনিতাই। অনিতাৰ আপোন পেটা স্বভাৱটো তেতিয়াহে আমাৰ চকুত ধৰা পৰিছিল যেতিয়া নেকি সকলো বিপদৰ পৰা আমি মুক্ত কৰি দিছিলো সিহঁত দুজনক।

ৰমেনৰ স্বভাৱ সিমান বেয়া নাছিল মনটোও ঠেক নাছিল। কিন্তু অনিতা গভীৰ পানীৰ মাছ। ঘৰত মই নোহোৱা যেন পালেই ৰমেনক খুউব বেয়াকৈ গালি গালাজ পাৰে। এদিন বৰ অশ্লিল আৰু অশোভনীয় ধৰণে ৰমেনক গালি পাৰি থাকোতেই মই বাহিৰৰ পৰা আহি সকলো শুনিলো আৰু মই কৈছিলো 'অনিতা এয়া ভাৰতীয় নাৰীৰ লক্ষণ নহয়। স্বামীক পৰমেশ্বৰ বুলি ভবা ৰীতিহে আমাৰ সমাজত চলে। তুমি কিয় ইমান বেয়া ভাষাৰে ৰমেনক গালি পাৰিছা। অ' বেয়া নেপাবা তোলোকক অৱশ্যে মই ক'ব লগীয়া একো নাই পতি পত্নীৰ কথা যিহেতু।'

ৰমেনে ভীষণ লাজ অনুভৱ কৰিলে সিদিনা। সিহঁতৰ ভিতৰত শিতল যুদ্ধ আৰম্ভ হ'ল। এইদৰে প্ৰায়ে সিহঁতৰ মাজত কাজিয়া লাগি থকা হ'ল। ৰমেনক ভীক্ষাৰী বুলি, খাৱ নোপোৱাৰ জাত আদি ব্যাভিচাৰী শব্দ সম্ভাৰেৰে বৰ উপলুঙা কৰিবলৈ ধৰিলে অনিতাই। ৰমেনে এনে কথা সহিব নোৱাৰি এদিনাখন পিঠিত ঔ কিল সোধাই দিলে আৰু অনিতাই গাত কেৰাচিন ঢালি আত্মহত্যা কৰিবলৈ উদ্যত হ’ল। নীলিমাই কেনেবাকৈ গম পাই দুয়োকো বুজালে বছৰ দিন পাৰ হওঁতেই তোমালোকৰ প্ৰেম ৰসৰ সমুদ্ৰ শুকাই গ'ল নে বুলি?

কথাতে কয়- ৰসতে নাম থব লাগে বুলি। এই কথা ভাবিয়েই নীলিমাক কৈছিলো সিহঁতক ঘৰ খালি কৰি দিব কবা নহ'লে আমাৰে বিপদ ঘটাব যেন পাইছো। গাত কেৰাচিন ঢালি আত্মহত্যা কৰিবলৈ ওলোৱা কম পাপ নে? যদি কিবা এটা অঘটন হ'লহেঁতেন কিমান ডাঙৰ কথা হ'লহেঁতেন বুজিব পাৰিছানে?

মোৰ কথা মতে নীলিমাই সিহঁতক আন ঘৰত ভাড়া থাকিবলৈ কোৱাটোৱেই হ'ল অপৰাধ।

কেইদিনমানৰ পিচত আমাৰ ঘৰৰ পৰা গুচি গৈছিল সিহঁত। দুখ এই কাৰণতে লাগিছিল যে যাবৰ সময়ত মোক এষাৰ মাতকে নিদিলে যাক নিজৰ সন্তানৰ নিচিনাকৈ মৰম সাদৰ কৰি সকলোবোৰ কাম কৰিছিলো। সকলো যেন মিছা অলকাই কোৱা কথাষাৰলৈ মনত পৰিছিল- উৰুৰ মঙহ হেনো বুকুত নেলাগে। পৰে কেতিয়াও আপোন হ'ব নোৱাৰে আৰু ধুলাইয়ো কেতিয়াও মাটি হ’ব নোৱাৰে’। সিদিনাইহে উপলব্ধি হৈছিল এই কথাবোৰ।

এনে বহু কথাই ঘটিছিল মোৰ জীৱনত। আনক পাৰ্য্যমানে সহায় কৰিছো কিন্তু প্ৰত্যেকেই নিজৰ স্বাৰ্থ পূৰণ হোৱাৰ পিচত লাঠ মাৰি যায় গৈ। সাধুতাৰ মূল্য নাই নেকি মহন্তদাৰ’? আমি সততাৰে কামবোৰ কৰিলেও মানুহে স্বীকৃতি দিবলৈ কিয় বাৰু টান পায়? আমাৰ সাধুতাক মানুহে প্ৰকৃততে মূৰ্খতাহে বুলি ভাবে। এই কথা চিন্তাৰ ফলশ্ৰুতিতে এফাকি কবিতালৈ মনত পৰিছে-

ক'তনো দিয়া যাতনা প্ৰভু
নেদেখো সুখৰ মুখ

সুখৰ ৰেঙনি বিচাৰি ফুৰোতে
প্ৰতি পদে পদে দিছাহে দুখ?
সততা, সৰলতাৰে কটাব বিচাৰো
মোৰ এই ক্ষণভঙ্গুৰ জীৱন:
সৰ্বলতাৰ বাবে, মূৰ্খ বুলি ভাবি লোকে

কদৰ্থনা শুনাই কিয় ইমান?
দুখীয়াৰ উপবাসৰ কিবা মূল্য আছে
লোকে কয় তাৰ খাবৰে নাই:
ধনীয়ে উপবাস কৰিলে কিন্তু
সমাজত উচ্চ স্থান পায়।
ব্লেক মাৰ্কেটাৰ ধনী লোকৰ
দানত মহত্ব দিওঁ,
স্বাৰ্থ শূন্য গৰীৱৰ ত্যাগক
কিয় বাৰু মান্যতা নিদিওঁ?
তুমিয়েতো দেখি আছা
অদৃশ্য আসনৰ পৰা
হে জগত পতি
দুষ্টক হে দেখোন
ৰঙীন সপোন দিয়া
সতক কিয় দিয়া অশান্তি?
কিহৰ বাবে ইমান অবিচাৰ
নোৱাৰো বুজিব মই
তুমিয়ে সৰ্বত্ৰ, তোমাৰে সকলো
তোমাতে নহ'ব জানো লয়?
দিয়া প্ৰভু মোক
গগনৰ বিশালতা
মোৰ হৃদয়ত
ধৰিত্ৰী মাতৃৰ
সহনশীলতা খিনি
সম্বল কৰি দিয়া প্ৰাণত।
দুৰ্জ্জয় পৱন শক্তিৰে
শক্তিমন্ত কৰা
মোৰ অশান্ত মনক,
সুৰুযৰ প্ৰখৰতাৰে
দীপ্তিমান কৰি
নাশ কৰা অজ্ঞান এন্ধাৰক।

তুমি বিনে বাৰু
কোন আছে প্ৰভু
ত্ৰাণ কৰ্তা মোৰ
দিয়া যেন পাৰ কৰি
সততাৰে জীৱন
চৰণ প্ৰাৰ্থী মই তোমাৰ।
কাতৰ প্ৰাৰ্থনা কৰিছো দেৱ
চোৱা এবাৰ মাথোন
মোলৈ চকু মেলি;
জাক জমকতা নেদিলেও জীৱনত
নেদিবা অশান্তি আনি
এয়ে প্ৰণতি তোমালৈ বুলি।।

মানুহক উপকাৰ কৰি, ভাল কাম কৰি এতিয়া জীৱনলৈ হতাশ আহিছে। বয়সো হ'ল। টকা ঘটিবও নোৱাৰিলো আপুনিতো জানেই। আন পথো ল'ব নোৱাৰো এই বয়সত। কি কৰো বাৰু? আপুনি লেখক সাংবাদিক মানুহ লিখাৰ অভ্যাস আছে আপোনাক এই কথা কোৱাৰ অৰ্থ হ'ল আপুনি এখন এই বিষয়ে কিতাপ লিখি উলিয়াব নোৱাৰে নে? লিখনিৰ প্লট এটা দিবলৈ আহিছিলো আপোনাৰ ঘৰলৈ। আপুনি কেৱল সততাৰ ওপৰত গুৰুত্ব দি সামাজিক বান্ধোন, জাতপাত দূৰীকৰণ আৰু আমাৰ হিন্দু সকলৰ সমাজ ব্যৱস্থাৰ ওপৰত অধিক গুৰুত্ব দি কিতাপখন লিখি উলিয়াব । আপুনি এনে সামাজিক দ্বায়ৱদ্ধতাৰ ওপৰত গুৰুত্ব দি কিতাপ লিখিলে হয়তো এদিন একাডেমী পুৰস্কাৰো পাব পাৰে। আপোনাৰ ওপৰত মোৰ অগাধ বিশ্বাস আছে। এতিয়াও মোৰ অনিতা ৰমেন আৰু কণমাণি দেৱ শিশুটিৰ কথা মনত পৰিলে অন্তৰ আত্মাই কান্দি উঠে।

সিহঁতে ঘৰ এৰি যাবৰ দিনা কেবল নীলিমাই কান্দি কান্দি চকু দুটা উখহাই পেলাইছিল। ল'ৰা ছোৱালী দুটাইয়ো মনটো মাৰি আছিল। ঘৰখন নিজম পৰি গৈছিল যেন সেই একে নিৰৱতা, একেই গোমোঠা, যিদিনা ৰমেনহঁত আহিছিল অনিতাক আমাৰ ঘৰত সুৰক্ষিত অৱস্থাত ৰাখিবলৈ। কেৱল মাথোন মই নীলিমাক কৈছিলো- হেৰা মইনা চৰাই এহাল ডেৰ বছৰে ধৰি পুহি ৰাখিছিলো, সিহঁতে বাঁহটোৰ ঢাকনীখন এৰা দেখি উৰি গ'ল। দুখ নকৰিবা। ই জগতৰে ৰীতি।

: বাৰু মুকুট তোমাৰ কাহিনীবোৰ শুনি ভালেই পালো। মই চেষ্টা কৰিম তোমাৰ কথা ৰাখিবলৈ।

: আপুনি পাৰিলে কিতাপখনৰ নাম ৰাখিব ‘উপকাৰেই কাল হয় যেতিয়া’। অৱশ্যে আজিৰ সমাজত এনে নামৰ কিতাপে পাঠকৰ মন আকৰ্ষণ কৰিব নোৱাৰিব পাৰে। তথাপিও বাকীখিনি সজাইপৰাই উলিওৱাৰ দায়িত্বভাৰ আপোনাৰ নিজৰ । আপোনাৰ বহু সময় নষ্ট কৰিলো। ইমান ধৈৰ্য্য ধৰি কথাবোৰ শুনা বাবে ধন্যবাদ।

(অন্ত)



## শ্ৰীমহেশ চন্দ্ৰ মেধি

### লিখকৰ প্ৰকাশিত পুথি সমূহ

১। অঞ্জলী(কবিতা পুথি) ১৯৮০ বিজয়া দশমী
২। তইৰো মন যায় (গল্প) ১৯৮৭ ফেব্ৰুৱাৰী
৩। পাঁচ পইচাৰ পৃথিৱী (গল্প) ১৯৯৬ অক্টোব ৰ
৪। অসম দৰ্পন (প্ৰবন্ধ) ১৯৯১ আগষ্ট
৫। পুষ্পাৰ্ঘ (জীৱনী) ১৯৯৪, ২১জুন (৩য় সংস্কৰণ)
৬। হৰিদাস মহন্ত স্মৰণিকা (জীৱনী) ১৯৯৫ ছেপ্তেম্বৰ
৭। দীনবন্ধু চিত্তৰঞ্জন বেনাৰ্জ্জী(জীৱনী) ২৮ছেপ্তেম্বৰ১৯৯৭
৮। মুক্তি যোদ্ধা আদ্যনাথ চক্ৰৱৰ্ত্তী অভিনন্দন গ্ৰন্থ (জীৱনী) ২২ আগষ্ট ১৯৯৭
৯। স্মৃতি চয়ন( স্মৰণিকা) বামুন্দি তৰুণ সংঘ আৰু পুথি ভঁৰালৰ ৰূপালী জয়ন্তী ১১৭৭ মাৰ্চ
১০। 'বেণু' মাহেকীয়া আলোচনী ১৯৭২( বৰ্ত্তমান বন্ধ)
১১। 'অসম দৰ্পণ' মাহেকীয়া আলোচনী (বৰ্ত্তমান বন্ধ)
১৩। 'অসম দৰ্পণ' সাপ্তাহিক (বৰ্ত্তমান বন্ধ)
১৪। লাভেশ্বৰী দাসৰ কবিতা অবুজ বেদনাৰ হিল্লোল (সম্পাদিত)

### প্ৰকাশৰ পথত

১। চিন্তন প্ৰবাহ (প্ৰবন্ধ)
২। অশ্ৰুৰ মুকুতাবোৰ সৰে (গল্প)

— প্ৰকাশিকা

# DIGITAL PUBLICATION-

**2nd publication of E-book on – 22 June 2021**

**By Uddipta Nayan Medhi**

**www.rongilibarta.com**

**do follow & like our Page at Instagram & Facebook as Rongilibarta.**

**For quality Printing**
**Contact –**
**9854215286/8638732821**